# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

**কাৰ্যবিৱৰণী**
**তাৰিখঃ ২৯/০৩/২০২২ মঙলবাৰ**

---

**আজি ইংৰাজী ২৯-০৩-২০২২ তাৰিখে পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১২১। শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰী প্ৰশ্ন।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মৰিয়নী সমষ্টিৰ বিধায়ক হিচাপে আমাৰ সমষ্টিৰ বিশুদ্ধ খোৱা পানী সম্পৰ্কে এটা প্ৰশ্নৰ লগতে সাতটা প্ৰশ্ন ইয়াত তুলি ধৰিছিলো। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা সুন্দৰকৈ উত্তৰ সমূহ পাইছো। মোৰ দীৰ্ঘদিনৰ পৰা বিধায়ক হোৱাৰ যিটো সৌভাগ্য হৈছে তাত যিটো দেখা পাইছো যে কৰ'বাত বিষয়া সকলৰ নাটনিৰ কাৰণে কিছুমান সমস্যাই দেখা দিছে যেনে - মণিটৰিঙৰ ক্ষেত্ৰত। যোৱাকালি জল জীৱনৰ মিশ্যনৰ ওপৰত বহু আলোচনা হ'ল আৰু বহু প্ৰশ্নৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিছে। মই বেছি সময় ল'ব বিচৰা নাই। মোৰ প্ৰথম চাপ্লিমেণ্টৰীটো হ'ল - বিষয়া নিযুক্তি যেনে কনিষ্ঠ অভিযন্তা আৰু বিশেষকৈ মণিটৰ কৰিবৰ কাৰণে তৃতীয় বা চতুৰ্থ শ্ৰেণীৰ ব্যক্তিক প্ৰশিক্ষণ দি মনিটৰিং কৰাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মৰিয়নি সমষ্টিৰ বিধায়ক মাননীয় শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। আপোনালোকে জানিলে আচৰিত হ'ব যে মৰিয়নিত ১৬৫ হেবিটেশ্যনত আৰ্চেনিক পোৱা গৈছে। ১৬৫ হেবিটেশ্যনত যদি আৰ্চেনিক থাকে সেয়ে সেই বিষয়টো আমি খুবেই গুৰুত্ব সহকাৰে লৈছো। এইটো লৈ পূৰ্ব্বৰে পৰা মাননীয় বিধায়ক গৰাকীও সচেতন হৈ আছিল। ১৬৫ আমাৰ এই যি হেবিটেশ্যনত, এই হেবিটেশ্যনৰ কাৰণে যদিও আমাৰ টেম্পোৰাৰী মেজাৰ তাত চলি আছে কিন্তু এই টেম্পোৰাৰী মেজাৰেৰে সেই পানী খোৱাটো উপযোগী নহয়। কেন্দ্ৰীয় চৰকাৰে কমিউনিটি ৱাটাৰ পিউৰিফিকেশ্যনৰ যিটো প্লেন সেই প্লেনৰ জৰিয়তে আমি কিছু হেণ্ড টিউবেল দি পানী দি আছো যদিও কিছু অঞ্চল আমি ইতিমধ্যে বন্ধ কৰি দিছো আৰু আমি এই ১৬৫ হেবিটেশ্যনত সিদ্ধান্ত গ্ৰহণ কৰিছো যে আমি তাত বেলেগৰ পৰা চাৰফেজ ৱাটাৰ আনি মানুহক খোৱা পানীৰ ব্যৱস্থা কৰি দিব লাগিব। একমাত্ৰ চাৰফেজ ৱাটাৰে হৈছে ব্যৱস্থা কাৰণ আৰ্চেনিকক চেপাৰেট কৰিব পৰা কোনো ব্যৱস্থা এতিয়ালৈকে পৃথিৱীত ওলোৱা নাই। নদী বা পুখুৰীৰ ভুপৃষ্ঠৰ ওপৰৰ যিটো পানী তাত আৰ্চেনিক নাথাকে, ভূগৰ্ভৰ পানীত আৰ্চেনিক থাকে। সেইকাৰণে এই ১৬৫ হেবিটেশ্যনত আমি গ্ৰেটাৰ মৰিয়নি, গ্ৰেটাৰ লাহিং, গ্ৰেটাৰ কাঠনিবাৰী, গ্ৰেটাৰ চেলেং, গ্ৰেটাৰ কেচুলখাট আৰু গ্ৰেটাৰ চাওদাং এই কেইটাৰ উপৰিও ৱৰ্ল্ড বেংকৰ জৰিয়তে নিৰ্মীয়মান যি স্কীম সেই স্কীমেৰে আমি আগন্তুক দিনত আৰ্চেনিক মুক্ত পানী খোৱাৰ ব্যৱস্থা কৰি আছো। মই নিজে মৰিয়নিত তেখেতৰ লগত গৈ আৰু যদি কিবা সমস্যা আছে তদাৰক কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই আমাৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, বিভাগীয় মন্ত্ৰী আৰু বিষয়া সকলৰ লগতে আমাৰ চৰকাৰখনক ধন্যবাদ জনাইছো কাৰণ খুব খৰতকীয়া ভাৱে জল জীৱন মিশ্যনৰ ওপৰত কাম কৰাৰ প্ৰয়াস কৰিছে। বহু কষ্ট স্বীকাৰ কৰিছে আমি দেখিছো। মোৰ শেষৰটো প্ৰশ্ন হ'ল আমাৰ মৰিয়নি সমষ্টিত জল জীৱন মিশ্যনৰ অধীনত যিবিলাক কাম চলি আছে, যেতিয়া জল জীৱন মিশ্যনৰ উদ্বোধনীৰ কাৰণে আগবাঢ়িব তেতিয়া মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক শুভ আৰম্ভণিৰ বাবে আমাৰ মৰিয়নী সমষ্টিলৈ অনাৰ প্ৰয়াস কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মৰিয়নীত যি স্কীম আৰু প্লেন হাতত লৈছিলো আমাৰ ২২,৬৩৯ গৰাকী পৰিয়ালৰ ঘৰত কানেকশ্যন দিয়াৰ ব্যৱস্থা কৰিম। ইতিমধ্যে আমাৰ মৰিয়নী সমষ্টিত আমি ১১, ৯১০ টা পৰিয়ালক আমি কানেকশ্যন দিছো আৰু বাকী ১০,৬৭৭ টা পৰিয়ালক দিয়াৰ বাবে ইতিমধ্যে প্লেন কৰি থকা হৈছে। যিহেতু আৰ্চেনিক পূৰ্ণ এটা এলেকা গতিকে আমি খুব খৰতকীয়া কৰা নাই। অন্য সমষ্টিৰ তুলনাত ইয়াত আমাৰ পাৰফৰমেঞ্চ লেভেলটো কম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰধানমন্ত্ৰী ডাঙৰীয়াক আপুনি আমন্ত্ৰণ জনাব নেকি ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাতিব পাৰিলে বহুত ভাল কথা হ'ব। মই নিশ্চয় চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১২২। জাকিৰ হুছেইন লস্কৰ।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই secure ৰ ৰেট লৈ এতিয়া যে খেলিমেলি হৈছে মানে secure ৰ যিটো ৰেট আছে সেই ৰেটটো মাৰ্কেটৰ ৰেটতকৈ দুগুণ। এতিয়া মোৰ এখন জিলাত ২৯৭ বেনিফিচাৰিৰ ওপৰত ইতিমধ্যে এফেয়াৰ হৈছে। এটা ঘৰত চৰকাৰে দি আছে ১,৫০,০০০ টকা আৰু মডেল এষ্টিমেট মতে ঘৰ বনাওঁতে লাগে ২ লাখ ৫০ হাজাৰ টকা। কিন্তু দুখীয়া মানুহবোৰে বাকী এক লাখ টকা ক'ৰ পৰা পাব ? সেইটো কাৰণে এতিয়ালৈকে এফেয়াৰ হৈছে ২৯৭ টা। মোৰ কথাটো হ'ল ৰ'ডৰ ৰেট হৈছে ৪,৭২০ টকা। কিন্তু মাৰ্কেটৰ ৰেট আছে ৮,৫০০ টকা, ইটাৰ ৰেট আছে ৭,০০৭ টকা। কিন্তু মাৰ্কেট ৰেট আছে ১৩ হাজাৰ টকা। চিপচ্ ৰ ৰেট আছে ১৩৮৩ টকা কিন্তু মাৰ্কেটৰ চিপচ্ ৰ ৰেট হৈছে ৩,৩৫০ টকা। এতিয়া ৰেটটো বঢ়াব লাগে বা পি ডব্লিউ ডি ৰ ৰেটলৈ নিব লাগে নহ'লে কামবোৰ সম্পূৰ্ণ হৈ নুঠিব নাইবা এইবোৰৰ ওপৰত থকা এফেয়াৰবোৰ বন্ধ কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো ১২২ নে, চাপ্লিমেণ্টৰী ?

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্ন নং ১২২ । এইটো হৈছে এম জি এন ৰেগাৰ প্ৰশ্ন। এম জি এন ৰেগাৰ যিবোৰ ইটা, লোহাৰ ৰেট সেইটো পি ডব্লিউ ডি ৰ schedule নে ব্লকৰ schedule ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁ যিটো secure ৰ কথা কৈছে, আমাৰ বিভিন্ন বিভাগৰ বিভিন্ন ৰেট আছে। আমাৰ বিভাগে বিভিন্ন ধৰণে এনালাইচিচ কৰি আছে কাৰণে আমি পি ডব্লিউ ডি, জলসম্পদ আৰু জলসিঞ্চন আদি বিভাগ সমূহৰ লগত এনালাইচিচ কৰি আছো। এইবোৰৰ লগত এনালাইচিচ কৰিহে আমি secure ৰ সামগ্ৰী সমূহৰ মূল্য ঠিক

কৰো। আমি যদি কেৱল পি ডব্লিউ ডি ৰ মতে কৰিবলৈ যাওঁ তেতিয়াহ’লে কিছুমান আইটেমত আমি ঠগ খাই যাম কাৰণ আমাৰ বেনিফিট নহ’ব। এইটো হৈছে এম জি এন ৰেগাৰ কাম। PWD বা CPWD ৰ যিটো secure system আছে সেইটো অলপ পৃথক। আমাৰ PWD ৰ যিটো ৰেটৰ ক্ষেত্ৰত আমি যদি Portland cement ৰ কথা যদি কওঁ তেতিয়াহ’লে তেওঁলোকৰ ৰেটটো আছে ৩৮০ টকা আৰু CPWD ৰ ৰেটটো আছে ২৫০ টকা। দুয়োটাৰ মাজত তুলনা কৰিলে ১৩০ টকা ডিফাৰেঞ্চ পোৱা যায়। গতিকে PWD আৰু CPWD ৰ লগত যদি একলগে কৰিব পৰা যায় তেতিয়া আমি কাৰ ৰেট লম এইটো লৈ ভাৰত চৰকাৰৰ আমালৈ নিৰ্দ্দেশনা অহা নাই। প্ৰত্যেকখন ৰাজ্যৰ নিজৰ নিজৰ secure ব্যৱস্থা আছে। আমি ইটাৰ কথা যদি কওঁ আমাৰ APWD ৰ ৰেট আছে ৭ টকা আৰু CPWD ৰ ৰেট আছে ৫.২০ টকা। আজি যদি আমি APWD বা CPWD ক এক লগ কৰি ৰেটটো যদি এটা কৰা হয় তাৰ পিছতহে আমাৰ এই secure ৰ ব্যৱস্থাটো আমি আগন্তুক দিনত বিভাগৰ পৰা ব্যৱস্থা লৈ কৰিব পাৰিম। এতিয়ালৈকে APWD আৰু CPWD ৰ দুটা ৰেট হৈ আছে। গতিকে এতিয়া আমি কাক follow কৰিম। জলসিঞ্চন, জলসম্পদ আদি বিভিন্ন ৰেট সমূহ এনালাইজ কৰি এম জি এন ৰেগাৰ কাৰণে এটা ৰেট ঠিক কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নেক্সট চাপ্লিমেণ্টৰী।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাৰ্কেট ৰেটৰ যিটো পাৰ্থক্য আছে.

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** Central PWD এটা rate। গতিকে আমি এতিয়া কাক follow কৰিম। সেই কাৰণে আমি Irrigation, Water Resource, PHE department ৰ বিভিন্ন rate analysis কৰি পেলাই MGNREGA ৰ কাৰণে এটা rate fixed কৰি থৈছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ইয়াৰ পিছৰ supplementary.

**শ্ৰীজাকিৰ হুছেইন লস্কৰ (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাৰ্কেট ৰেটত যিটো পাৰ্থক্য আছে, এতিয়া Secure ৰ'ড আদিৰ ৰেট ৫০ শতাংশ হয়। সেই কাৰণে এজন দুখীয়া মানুহে তেনেকুৱাকৈ ঘৰ বনাব।

আৰু এটা হ’ল As per estimate মতে যদি এটা Paver block দি ৰাস্তা এটা বনালে, সেইটো কেনেকুৱা হ’ব। সেই ৰাস্তা বিলাকৰ পানী বিলাক তললৈ যায়। সেই কাৰণে BDO আৰু JE বিলাকৰ ওপৰত ৰাজ কৰে। আমাৰ সদনৰ পৰা যিমানবোৰ কমিটি ভ্ৰমনলৈ যায়, তেখেতসকলে as per estimate মতে কামটো চাই। 50 % rate ত as per estimate ৰ কাম কেনেকুৱা অৱস্থা হ’ব।

**শ্ৰীৰণজিৎ দাস (মন্ত্ৰী,পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰত্যেকটো ৰাস্তা PWD department ৰ দৰে কৰিবলৈ গলে নহ’ব। কাৰণ কিয় PWD ত Paver block ৰ ৰাস্তা বনোৱা হয়, তেতিয়া হলে প্ৰায় ৯০ লাখ টকা পৰিব আৰু এতিয়া PWD বিভাগে নতুনকৈ ১.৩৫ কোটি টকাৰ ব্যৱস্থা কৰি আছে। এই ৰাস্তাবোৰ য’ত over load ৰ গাড়ী মটৰ চলে, তেনেকুৱা ধৰণৰ ঠাই বিলাকত বনোৱা হয়। কিন্তু গ্ৰাম্য অঞ্চলত যিবোৰ Paver block ৰ ৰাস্তা বনোৱা হয়, তাত পঞ্চায়তসমূহৰ যিটো ৰেট, সেই ৰেটৰ আধাৰতে হয়। গতিকে সেই ৰাস্তাটো

যদি PWD ৰাস্তাৰ লগত মিলাবলৈ যায়, তাত load bearing কিমান আছে, গ্ৰাম্য অঞ্চলৰ ৰাস্তা সমূহত load bearing টো সিমান নালাগে। যদি আমাৰ গাঁওবিলাক heavy load bearing ৰাস্তা ১.৩৫ কোটি টকাৰে বনাই দিওঁ, তেতিয়াহ'লে বাকী কাম বিলাক আমি কৰিব নোৱাৰিম। গতিকে ভাৰত চৰকাৰৰ MGNREGA ৰ যিটো system, সেই system মতে আমি কাম বিলাক কৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী মহোদয়ে MGNREGA Secure ৰ জৰিয়তে যিখিনি estimate হয়, তাৰে কেনেকুৱা, বজাৰ মূল্য কি, estimate ৰ মূল্য কি তাৰ বিষয়ে বিতং কথাখিনি কৈছে। মই ভাৱো তেখেতৰ কথাখিনিত কোনো এটা স্পষ্ট ধাৰণা আমি ল'ব পৰা নাই। পৰবৰ্তী সময়খিনিত বিভাগে তেনেকুৱা ল'লে ভাল হয়। গোটেই অসমত কামৰ quality দুই ধৰণে হয়, PWD য়ে এটা ৰাস্তা বনাই দিয়ে, তাৰ quality টো বেলেগ থাকে, সেই ৰাস্তাটোৰ মানদণ্ডটো বেলেগ থাকে। MGNREGA ত একেধৰণৰ ৰাস্তা অনুমোদন দিয়ে, কিন্তু তাৰ মানদণ্ডটো দুৰ্বল হয়। মই ভাৱো এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াৰ লগতে বিভাগৰে বদনাম হ'ব।

এতিয়া মোৰ প্ৰশ্নটো হ'ল যে Secure ৰ জৰিয়তে বৰ্তমান এই বিত্তীয় বৰ্ষ শেষ হ'বই, ইতিমধ্যে estimate ৰ কামবোৰ আৰম্ভ কৰিছে। কিন্তু পঞ্চায়ত বিভাগৰ পৰা জিলা পৰ্য্যায়ত বা ব্লক পৰ্য্যায়ত BDO বা CEO সকলে এটা কথা কৈ আছে যে মন্ত্ৰী ডাঙৰীয়া বা চৰকাৰৰ পৰা নিৰ্দেশ আহিছে, Secure ত বেছি estimate বনাব নোৱাৰি। যিসমূহ পঞ্চায়তত ৩০ টাতকৈ বেছি কামৰ online আছে, সেই সমূহত Secure ত estimate বনোৱা বন্ধ কৰি থৈছে। কিন্তু এই মূহুৰ্তত অসমৰ প্ৰত্যেকখন গাওঁ পঞ্চায়তত কামৰ কাৰণে গাঁওসভা পাতিছে, কামৰ কাৰণে scheme লৈছে, তাৰ কাৰণে priority বনাইছে, বিভাগক জমা দিছে। কিন্তু কাম বিলাক বন্ধ কৰি থোৱা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম MGNREGA ৰ কামৰ ক্ষেত্ৰত Secure জৰিয়তে estimate বনোৱাত কিবা বাধা দি থৈছে নেকি? যদি বাধা দিছে, কিয় বাধা দিছে? এতিয়া যদি কামখিনিৰ estimate বনাব নিদিয়ে, অনুমোদন কৰিব নোৱাৰে, তেনেহ'লে ৰাজ্যখনৰ যথেষ্ট ক্ষতি হ'ব। এই কথাখিনি স্পষ্টভাৱে সদনক জনাব বুলি আশা ৰাখিলো।

**শ্ৰীৰণজিৎ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমাৰ কেবিনেটত সিদ্ধান্ত লৈছিলো যে এইবাৰ উৎপাদনৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছিল। প্ৰধানকৈ পুখুৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। ঠিক তেনেকৈ plantation ওপৰতো গুৰুত্ব দিয়া হৈছিল আৰু এইবাৰ আমি beetelnut ৰ ওপৰত লৈছো। যাতে মানুহে তামোলৰ গছ পুলি যাতে MGNREGA ৰ জৰিয়তে ল'ব পাৰে। আমাৰ বহুতো পঞ্চায়তে কেবিনেট হোৱাৰ আগতে Paver Block ৰ কাৰণে হওক বা Porcupine ৰ কাৰণে হওক, তেওঁলোকে তেনেকুৱাকৈ proposal দিয়া আছিলে আৰু estimate ও বনাইছিলে। এইবাৰ কিন্তু secure accept নকৰে, কাৰণ paver block ৰ ৰাস্তা এতিয়া বন্ধ আছে। আগন্তুক দিনত হয়তো খোলা হ'ব বা porcupine এতিয়া বন্ধ হৈ আছে, ভাৰত চৰকাৰৰ পৰা অনুমতি পোৱা নাই। কিন্তু আগতে বহু Engineer ৰ পৰা estimate বনাই থৈ দিছিলে। যাৰ কাৰণে এতিয়া সেইবিলাক upload কৰিব পৰা নাই। আমাৰ পৰা বন্ধ কৰা নাই, কেবিনেটৰ

সিদ্ধান্ত মতে আমাৰ গোটেই অসমত তেনেকুৱা ব্যৱস্থা চলি আছে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সকলো পঞ্চায়তৰ পৰা complian দিছে যে চৰকাৰে কিবা নিয়ম বনাইছে নেকি যে ৩০ টা ওপৰত online হৈ গৈ থাকিলে, তাৰ ওপৰত অনুমোদন দিব নোৱাৰে। সেই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে বুজাই দিব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ already তেখেতে কৈছে যে কেবিনেটৰ সিদ্ধান্ত মতে হৈছে।

**শ্ৰীৰণজিৎ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৩০ টা কৈ কামৰ অনুমোদন জনাব লাগে। যিহেতু MGNREGA ৰ কাম demand ৰ আধাৰতে চলে ৩০ টা যদি কোনোবাই সম্পূৰ্ণ কৰিছে। যিসকলে আগতে সম্পূৰ্ণ কৰে, আমি তেওঁলোকক নতুনকৈ demand দিব দিওঁ। যদি শ শ কৈ upload কৰি থাকো, আমাৰ non-complete তালিকাখন দীঘলীয়া হৈ গৈ থাকে। তেতিয়া ভাৰত চৰকাৰে প্ৰশ্ন কৰিব যে ইমান কিয় incom-plete হৈ আছে। আমি এতিয়া system ত আনিব বিচাৰিছো যে প্ৰত্যেকটো পঞ্চায়তে ৩০ টাকৈ কাম লওক। যেতিয়া শেষ হ'ব তাৰ লগে লগে আমি নতুন demand আনিবলৈ দিম।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। ইয়াৰ পিছত মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম, (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে গ্ৰাম্য পথবিলাকত যিহেতু ডাঙৰ গাড়ী নাযায়, ২০ চকীয়া ট্ৰাক নাযায়, সেই কাৰণে তাত ইমান ডাঙৰ estimate লোৱা নহয়। আজি কালি গাঁওবিলাকত বহু tractor, heavy dumper আদিকে ধৰি গধুৰ যান-বাহান বিলাক চলে। গতিকে আমি দেখিছো ইয়াত আগতে CC block ৰ ৰাস্তা বনোৱা হৈছিল, তাৰ বীমটো খুৱ দুৰ্বল দিয়া হৈছিল। estimate ইমান strong নাছিল, সকলোবিলাক খহি খহি গৈ আছে। গতিকে আমি ভাৱো এইটো হুPWD ৰ সমহাৰত নহলেও, অন্ততঃ আগতকৈ estimate টো অলপ strong কৰি বনাব লাগে আৰু MGNREGA তো CC block কৰা কাৰণে কেন্দ্ৰীয় চৰকাৰ লগত যোগাযোগ কৰিব লাগে। Rural connec-tivity ৰ ওপৰত গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীৰণজিৎ দাস (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেইখিনি নিৰ্ভৰ কৰে wages & materials ৰ ওপৰত। আমাৰ ভাৰত চৰকাৰৰ Guideline আছে যে 60 % wages আমি compulsorily দিব লাগিব বাকী 40% হে materials ত খৰছ কৰিব লাগিব। গতিকে paver block ৰ ৰাস্তা বনাবলৈ যাওঁতে তাত 80 % যদি mate-rials পৰি যায়, 20% wages ত আহে, তেতিয়া হ'লে আমি মিলাব নোৱাৰিম। কাৰণ block wise Ratio মিলাব লাগিব। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে সদনত জনাব বিচাৰিছো যে এইবোৰ খেলিমেলিৰ কাৰণে ৪০০ কোটি টকাৰ materials ৰ payment কৰাৰ পিছতো wages মিলাব নোৱাৰাৰ কাৰণে ২১২ কোটি টকা তেওঁলোকে ঘূৰাই দিবলৈ বাধ্য হৈছে। কাৰণ wages ৰ লগত materials নিমিলে। আগতে Demand দি দিছিলে আৰু ৪০০ কোটি টকা আমি পঠায়ো দিছিলো, কিন্তু BDO সকলে সেইখিনি খৰছ কৰিব নোৱাৰিলে কাৰণ wages আৰু materials মিলাব নোৱাৰাৰ কাৰণে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এইটো সমস্যা থাকিবই, কাৰণ গাঁৱৰ ৰাস্তা মানুহৰ কাৰণে ভৰা হৈছিলে, গাড়ী ঘোৰাৰ কাৰণে নহয়। এতিয়া PWD ৰাস্তাও জুলুম হৈছে। যিটো ৰাস্তা ১২ চকীয়াৰ কাৰণে

কৰা হয় তাত বহুত ওজনৰ ট্ৰাক বিলাক কৈ গাঁৱৰ ভিতৰত পৰা বিভিন্ন sand gravel, boulder ইত্যাদি বিলাক অনা হয়। গতিকে কিছুমান ৰাস্তা নিৰ্দিষ্ট কৰি দিব লাগে যে তাত অকল মানুহে যাব, tractor নাযায়, অকল লোকেল ট্ৰাক যাব, বাহিৰৰ পৰা ডাঙৰ ট্ৰাক যাব নোৱাৰে। নহলে অসমৰ কোনো ৰাস্তাই এক বছৰৰ বেছি টিকি থাকিব নোৱাৰে। Modification লাগিব, গতিকে আশা কৰিছোঁ এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় গুৰুত্ব প্ৰদান কৰিব।

এতিয়া প্ৰশ্ন নং ১২৩, মাননীয় সদস্য শ্ৰীঅজয় কুমাৰ ৰায়।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

**শ্ৰীঅজয় কুমাৰ ৰায় (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিম যে অসম চৰকাৰে নতুনকৈ অঙ্গনবাডী কেন্দ্ৰ স্থাপন কৰাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? মোৰ বিজনী সমষ্টিত ৰাইজৰ যি অসুবিধা হৈছে তাৰ কাৰণে নতুন অঙ্গনবাড়ী কেন্দ্ৰ স্থাপনৰ প্ৰয়োজনীয়তা আছে। যদি তেনেকুৱা ধৰণ ব্যৱস্থা আছে, কেতিয়ালৈকে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহন কৰা হ'ব।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে নতুনকৈ অঙ্গনবাডী কেন্দ্ৰ স্থাপন কৰিবলৈ হলে আমি ভাৰত চৰকাৰৰ guideline ৰ মতে তেখেতসকলক অনুমোদন ল'ব লাগে। এতিয়ালৈকে আমি নতুনকৈ অঙ্গনবাডী কেন্দ্ৰ স্থাপন কৰাৰ কোনো অনুমোদন পোৱা নাই। ভাৰত চৰকাৰৰ guideline ৰ মতে urban বা Rural area ত অঙ্গনবাডী কেন্দ্ৰ স্থাপন কৰিবলৈ হলে ৪ শ ৰ পৰা ৮ শ যি জনসংখ্যা থাকে, তাত এটা অঙ্গনবাডী কেন্দ্ৰ দিয়া হয়। ৮ শ পৰা ১৬ শ জনসংখ্যা থাকিলে তাত দুটা অঙ্গনবাডী কেন্দ্ৰ দিয়া হয়। ১৬ শ পৰা ২৪ শ জনসংখ্যা থাকিলে তাত তিনিটা অঙ্গনবাডী কেন্দ্ৰ দিয়া হয। তাৰোপৰিও ১৫০ পৰা ৪০০ জনসংখ্যা থাকিলে তাত mini অঙ্গনবাডী কেন্দ্ৰ স্থাপন কৰিব পাৰে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ ( বিত্ত বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাড়ী কেন্দ্ৰবিলাক নতুনকৈ স্থাপন কৰিবলৈ হ'লে আমি কেন্দ্ৰীয় চৰকাৰৰ গাইন-লাইন আছে, তেখেতসকলেও অনুমোদন ল'ব লাগে। এতিয়ালৈকে আমি ৰাজ্যখনত যোৱা সময়চোৱাত আমি নতুনকৈ অঙ্গনবাড়ী কেন্দ্ৰ স্থাপনৰ কাৰণে কোনো তেনেকুৱা ধৰণৰ অনুমোদন পোৱা নাই। তথাপিও গাইড-লাইন্চ মতে এটা আছে যে, নতুনকৈ যদি অঙ্গনবাড়ী চেণ্টাৰ আমি স্থাপন কৰিব লাগে, তেতিয়াহ'লে কেন্দ্ৰীয় চৰকাৰৰ কিছু গাইড-লাইন্চ আছে। এই অনুসৰি যিবিলাক আৰবান এৰিয়া আছে বা ৰুৰেল এৰিয়া আছে তাত চাৰিশৰ পৰা আঠশ যদি জনসংখ্যা থাকে, এটা অঙ্গনবাড়ী কেন্দ্ৰ দিয়া হয় আৰু আঠশ ৰ পৰা যোল্লশ থাকিলে দুটা অঙ্গনবাড়ী কেন্দ্ৰ আৰু যোল্লশ ৰ পৰা চব্বিশ শ জনসংখ্যা থাকিলে তিনিটা অঙ্গনবাড়ী কেন্দ্ৰ দিয়া হয়। মিনি অঙ্গনবাড়ী কেন্দ্ৰৰ কাৰণেও ১৫০ জনৰ পৰা ৪০০ লৈ এটা মিনি অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰিব পাৰে। যিবিলাক এৰিয়াত ট্ৰাইবেল মানুহসকল বসবাস কৰে বা reverine area, hilly area এইবিলাকত তিনিশ ৰ পৰা আঠশ জনসংখ্যাৰ ভিতৰত এটা অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা হয় আৰু মিনি অঙ্গনবাড়ী স্থাপন কৰিবৰ কাৰণে এক শ পঞ্চাশ জনৰ পৰা তিনিশ জনসংখ্যা। গতিকে এইখিনি এটা গাইড-লাইন আছে। যদি মাননীয় বিধায়ক ডাঙৰীয়াৰ সমষ্টিত তেখেতে তেনেকুৱা ধৰণৰ প্ৰয়োজনীয়তা আছে বুলি ভাৱে, তেতিয়াহ'লে আমাৰ যিসকল CDPO সকল আছে তেখেত সকলে প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে ডাইৰেক্টৰ অফিচলৈ তেখেত সকলে যদি প্ৰস্তাৱ প্ৰেৰণ কৰে, সেই প্ৰস্তাৱ মৰ্মে আমি কেন্দ্ৰীয়

চৰকাৰলৈ প্ৰেৰণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। দ্বিতীয় চাপ্লিমেণ্টৰী আছে।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিজনী সমষ্টিৰ অন্তৰ্গত মানিকপুৰৰ যি CDPO অফিচ আছে সেই অফিচটো একেবাৰে ভাঙি জৰাজীৰ্ণ অৱস্থা হৈ আছে। এইক্ষেত্ৰত মনত্ৰী মহোদয়ে এই অফিচখন নতুনকৈ মেৰামতি কৰাৰ কাৰণে কোনো সু-ব্যৱস্থা বা সু পৰিকল্পনা আছে নেকি ? যদি আছে এই ব্যৱস্থা কেতিয়ালৈকে সম্পূৰ্ণ হ'ব ?

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমাজ কল্যাণ বিভাগৰ জিলা অফিচ আছে, সেই জিলা অফিচসমূহ বহুতো ভাড়াঘৰত আছে। সেই কাৰণে আমি এইবাৰ বাজেটত ৫ কোটি টকা ধাৰ্য্য কৰিছো জিলা অফিচসমূহ বনাবৰ কাৰণে। জিলা উপায়ুক্ত সকলক ইতিমধ্যে নিৰ্দেশ দিছো ১০ খন জিলাৰ পৰা আমাৰ মাটি আহিছে আৰু সেই মাটি বিলাকত আমি সেই জিলা অফিচসমূহ প্ৰথমতে নিৰ্মাণ কৰিম। তাৰ পাছত আমি CDPO Office সমূহলৈ যাব বিচাৰিছো। গতিকে পৰ্য্যায়ক্ৰমে প্ৰথমে জিলা অফিচসমূহ হৈ লওক। তাৰপিছৰ পৰ্য্যায়ত CDPO Office সমূহ নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** শ্ৰী আব্দুল খণ্ডকাৰ।

**শ্ৰী আব্দুল বাটিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে উত্তৰটো পালো। মানিকপুৰ ICDS ৰ যদি মাটি আৱণ্টন দি প্ৰাক্কলন দিয়া হয়, তেতিয়াহ'লে ২০২২-২৩ বিত্তীয় বৰ্ষত নিৰ্মাণৰ বাবে অনুমোদন জনাব নেকি ?

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱে এইবাৰ জিলা অফিচসমূহ আমি কৰিম। তাৰপিছৰ পৰ্য্যায়ত আমি CDPO office সমূহ কৰিম। গতিকে আপুনি প্ৰস্তাৱটো পঠাওক, আমি second phase ত ল'বলৈ চেষ্টা কৰিম।

**শ্ৰী আব্দুল বাটিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰীনুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপহী ICDS project টো পুণৰ গঠনৰ কাৰণে প্ৰস্তাৱ দুবছৰ পূৰ্বে আহিছে আৰু ৰূপহী ICDS project টো ৰূপহীতে আছে। কিন্তু এতিয়াও ৰূপহী ডেভলপমেণ্ট ব্লকৰ ১৪ খন গাওঁ পঞ্চায়ত আছে তাৰ পৰা প্ৰায় ৫ খন পঞ্চায়তৰ কিছু চেণ্টাৰ চামগুৰি সমষ্টিৰ লাওখোৱা ICDS Project ৰ অৰ্ন্তভূক্ত হৈ আছে। তাৰ পৰাই চলে। গতিকে লাওঁখোৱা ICDS Project ত যিখিনি ৰূপহী ডেভলপমেণ্ট ব্লকৰ অঙ্গনবাড়ী চেণ্টাৰ আছে, সেইখিনি তাৰ পৰা আনি ৰূপহীত সংযোগ কৰাৰ কাৰণে প্ৰপ'জেল আহিছিল, কিন্তু এতিয়াও সম্পূৰ্ণ হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়ানিক মই অনুৰোধ জনাইছো, অনতি পলমে লাওঁখোৱা ICDS Project ত যিখিনি চেণ্টাৰ আছে, সেইখিনি ৰূপহীত আনি সংযোগ কৰি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী ।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় বহুতো বিধায়কে এই কথাখিনি মোক অৱগত কৰিছে। তেখেতসকলৰ সমষ্টি বিলাকত দুটা তিনিটা ডেভলপমেণ্ট ব্লক আছে যেনেধৰণে segregate হৈ আছে। আমি ইতিমধ্যে বিভাগীয় ভাৱে এটা সিদ্ধান্ত গ্ৰহণ কৰিছো যে rationalise আমি কৰিম। গতিকে মই কেৱল ৰূপহীৰ বিধায়কেই নহয়, যি সকল বিধায়কে rationalisation ৰ কাৰণে প্ৰস্তাৱসমূহ দিছে আমি এখন কমিটি কৰি

দিম আৰু কমিটিখনে চালিজাৰি চাই এই প্ৰস্তাৱ সমূহ গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১২৪। শ্ৰী ৰেকিবুদ্দিন আহমেদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰে attend কৰিব। কিন্তু আপুনি এটাহে চাপ্লিমেণ্টৰী কৰিব পাৰিব। যিহেতু আপুনি attend কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়ানিয়ে উত্তৰ দিছে প্ৰধান মন্ত্ৰী আবাস যোজনাৰ ঘৰৰ সম্পৰ্কে কিমান ঘৰ নতুন কৈ চেংচ্যন হৈছে জিঅ' টেগ হৈছিল। এইখ- পবিত্ৰ বিধান সভাত ইয়াৰ আগতেও প্ৰধান মন্ত্ৰী আবাস যোজনাৰ ঘৰৰ কাৰণে প্ৰথমতে যি জৰিপ কৰে, জিঅ' টেগ কৰে, তাৰ বিষয়ে বহুবাৰ আলোচনা হৈছে আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ আগতে উত্তৰ দিছে। আমি প্ৰত্যেক মূহুৰ্ততে প্ৰতিজন বিধায়কে উত্থাপন কৰো যে, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা প্ৰত্যেকজন মানুহে প্ৰধান মন্ত্ৰীৰ আবাস যোজনাৰ ঘৰ পাব লাগে বুলি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ লক্ষ্য। কিন্তু আজিৰ তাৰিখতো মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ প্ৰতিখন গাওঁত আজিৰ তাৰিখতো প্ৰকৃত যিসকল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে, আৰ্থিকভাৱে যিসকল স্বচ্চল নহয়, বহুতে এতিয়াও এই তালিকাৰ পৰা বঞ্চিত হৈ আছে, এই তালিকাৰ পৰা বঞ্চিত হোৱাৰ কাৰণ হৈছে যে বিভাগীয় কৰ্মচাৰী সকলে যেতিয়া জিঅ' টেগ কৰিবলৈ যায়, বহু দুখীয়া মানুহৰ ঘৰত জিঅ' টেগ নকৰে। নআবি ইয়াৰ আগতেও যেতিয়া জিঅ' টেগ হৈছিল লোক সভা নিৰ্বাচন চলিছিল, লোক সভা নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ লগে লগে জিঅ' টেগ কৰা বন্ধ কৰি দিলে। তাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল পিছত খুলিব। কিন্তু আজিৰ তাৰিখতো বহু বঞ্চিত মানুহ সকলৰ ঘৰত বিভাগীয় কৰ্মচাৰী সকলে জিঅ' টেগ কৰা নাই। তেওঁলোকে আশাপালী আছে যে চৰকাৰে মানুহ পঠাব, জিঅ' টেগ কৰাব। কিন্তু জিঅ' টেগ কৰা নাই। গতিকে আপোনাৰ জৰিয়তে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীৰ প্ৰতি আমাৰ প্ৰশ্ন এই জিঅ' টেগ কেতিয়া আৰম্ভ হ'ব। যিসকল মানুহ এতিয়াও বঞ্চিত হৈ আছে, একেখন গাওঁত, একেলগে ঘৰ, কিন্তু যিসকল বেচি দুখীয়া, তেওঁলোকে ঘৰ পোৱা নাই। তাতকৈ অলপ স্বচ্চলজনে ঘৰ পাইছে. এনেকুৱা অৱস্থাত যেতিয়া আমি যাও, আমি লাজ পাও যেতিয়া দুখ প্ৰকাশ কৰে। গতিকে মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীয়ে এইক্ষেত্ৰত কি ব্যৱস্থা ল'ব। কিছুদিন আগতে পি এন আৰ ডি বিভাগৰ কমিশ্যনাৰে, এই কথাখি নি গুৰুত্বপূৰ্ণ ক'ব লাগিব।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক, মন্ত্ৰীয়ে উত্তৰ দিব।

**(সদনত কথাৰ বাক-বিতণ্ডা)**

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাইজৰ হৈ কথা পাতিছো। মাননীয়া অধ্যক্ষ আৰু মন্ত্ৰী ডাঙৰীয়ানীক কথা কৈ আছো। মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা, ধুবুৰী, দক্ষিণ শালমাৰাত জিঅ' টেগ যাতে নকৰে, তাৰ কাৰণে এটা নিৰ্দেশ দিছে। এইক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়ানীয়ে কি কথা কয়, আমি স্পষ্টভাৱে জানিব বিচাৰো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীৰণজিৎ কুমাৰ দাস (পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সুন্দৰ বিষয় আনিছে। Conception টো সকলোৱে clear হোৱাতো ভাল। কাৰণ একেখিনি কথায়ে। অধ্যক্ষ ডাঙৰীয়া,২০১১ চনত Socio-economic servey হৈছিল, তেতিয়া কেন্দ্ৰটো আমাৰ চৰকাৰ নাছিল, অসমতো আমাৰ চৰকাৰ নাছিল আৰু সেইখিনি তেওঁলোকে servey কৰাৰ পিছত ৭ লাখ মানুহৰ ঘৰ সেই সময়ত ভাৰত চৰকাৰে অনুমোদন দিছিল। সেই ৭ লাখৰ ভিতৰত ইতিমধ্যে আমি ৭ লাখ ৪০ হাজাৰ ৭ শ ৩৪ টা ঘৰ দিছিল আৰু সেইটোৰ

ভিতৰত ইতিমধ্যে ৪ লাখ ৭৪ হাজাৰ ৪ শ এটা ইতিমধ্যে সম্পূৰ্ণ হৈছে মানুহ তাত ঘৰত আছে আৰু প্ৰতিদিনে ৪০০ টাকৈ ঘৰ আমি নিৰ্মাণ কৰি আছো আৰু এইখিনি আমি ১৫ আগষ্ট ২০২২ চনৰ ভিতৰত কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো। দ্বিতীয়তে, যিহেতু আমাৰ অসমৰ মানুহৰ ঘৰত টিনপাত আছে, টিনপাত থকাৰ কাৰণে তেওঁলোকে ক'লে যে, এইটো কেঁচা ঘৰৰ পৰিণাত নপৰে ÂÅü ÍßÁÂ±ßÃàò Õ±±Âg ßÁ1 1±àåÃ › ¶ûþ লাখ ঘৰ। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেৱনাথ ডাঙৰীয়াই ভাৰত চৰকাৰক আমি আবেদন জনাইছিলো যে আমাৰ অসমৰ concept যিটো, ত্ৰিপুৰাৰ যিটো concept সেইটোৰ লগত অন্য ঠাইৰ concept টো নিমিলে। কাৰণ আমাৰ টিন পাতটো থাকেই। কিন্তু আমাৰ বেৰবোৰ কেঁচা বাহৰ বেৰা আছে, আমাক সেইটো চেংচ্যন দিব লাগে বুলি অনুৰোধ জনোৱাৰ পিছত ভাৰত চৰকাৰৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তাৰপাছত আমাক পুণৰ সাত লাখ ঘৰ আমাক নতুনকৈ আৱণ্টন দিলে আৰু এই সাত লাখ ঘৰৰ আমি সিদ্ধান্ত লৈছো আগন্তুক দিনত আমি ২০৩৩ চনৰ ৩১ মাৰ্চ তাৰিখে আমি এইখিনি সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লৈছো। অৰ্থাৎ ৭ লাখ, ৭ লাখ ১৪ লাখ হৈ গ'ল। তাৰ পাছত কেঁচা ঘৰৰ concept ত পুনৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ ¯ বিভাগৰ তৎপৰতাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিং ডাঙৰীয়াই আজি কিছুদিনৰ আগতে ২৫ তাৰিখে দুখন চিঠি ইচ্ছু হৈছে কেঁচা ঘৰৰ কাৰণে ১ লাখ ৭১ হাজাৰ গৃহ নতুনকৈ আৰণ্টন দিছে। এইখিনি কাচ্চা হাউচৰ অধীনত দিছে। আগতে ৭ লাখ দিলে, পুনৰ ১,৭১,০০০ গৃহ দিলে। তাৰ পিছত আমি নোখোজাকৈ অসমৰ প্ৰতি আৰ্শীবাদ স্বৰূপে ২৫ তাৰিখে সন্ধিয়া আৰু এখন চিঠি আহিল যে আবাস প্লাচৰ নামত নতুনকৈ যিটো আবাস প্লাচ কনচেপ্ট ওলাইছে, তাৰ অধীনত ৩, ৩১, ১৩৯ টা ঘৰ নতুনকৈ পুনৰ আবণ্টন দিলে আৰু সৰ্বমুঠ ১২, ০২,২৩৭ টা ঘৰ আবণ্টন দিছে। আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক সদনৰ সকলোৱে ধন্যবাদ জনাব লাগে যে পুনৰ ১২,০০,০০০ ঘৰ আবণ্টন দিলে। এইটো সহজ কথা নহয়। আমাৰ কথা হৈছে যে আমি ১২,০২,০০০ ঘৰৰ আবণ্টন পালো আৰু এইটো আমাৰ কাৰণে এটা চেলেঞ্জ হৈ পৰিছে। আমি ১,৭১,০৪৬ টা ঘৰ ২০২৩ চনৰ ৩১আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰাৰ আৰু ৩ লাখ ৩১ হাজাৰ ঘৰ ৩১আগষ্টাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লৈছো। অৰ্থাৎ ২০২৩ চনৰ ৩১ আগষ্টৰ ভিতৰত যাতে সকলো ঘৰ সম্পূৰ্ণ কৰিব পাৰো, তাৰ বাবে সকলোৰে সহায়-সহযোগিতা বিচাৰিছো। ইয়াৰ বাবে আপোনালোকে পঞ্চায়ত বি ডি অ' সকলৰ লগত আলাপ-আলোচনা কৰিব।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪ খন জিলাক জি অ' টেগৰ ১২ লাখ ঘৰৰ পৰা কিয় বাদ দিয়া হ'ল? সেই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়া নাই।

**শ্ৰী ৰণজিৎ কুমাৰ দাস (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে এটা ভাল কথা উত্থাপন কৰিছে। তাৰ বাবে মই তেওঁক ধন্যবাদ জনাইছো। এইবোৰ কথা সদনত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে আলোচনা পিছত হ'ব। আজি চাপলিমেণ্টৰী কৰক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো অতি স্পৰ্শকাতৰ বিষয়। সেইদিনাখন এই বিষয়ে পেপাৰতো ওলাইছে, হয়তো শূন্যকালীন ঘণ্টাত আহিব পাৰে। মই সকলোকে জনাব বিচাৰিছো যে আমাৰ যি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ঘৰ নিৰ্মাণ কৰা হ'ল, তাৰ অধীনত মাজুলী জিলাত মাত্ৰ

এটা ঘৰ সম্পূৰ্ণ হ'বলৈ বাকী আছে। কামৰূপ মেট্ৰ'ত বাকী আছে ১৫১, শিৱসাগৰত বাকী আছে-১৮৪, যোৰহাটত বাকী আছে-১৯১, ডিমা হাচাউত বাকী আছে-২৫১, চৰাইদেউত বাকী আছে-৬২৫, ধেমাজীত বাকী আছে-৭৬৯ টা, বিশ্বনাথত বাকী আছে-১৩৯০, ডিব্ৰুগড়ত বাকী আছে-১৪২৫, অৰ্থাৎ ২০০০ তকৈ কম বাকী আছে। তাৰ বিপৰীতে আমাৰ বৰপেটা জিলাত ঘৰ চেংচন কৰা আছিল ৭৪ হাজাৰ ৫ শ ৩৫ টা। মই যোৱা ২৫ তাৰিখে বৰপেটা জিলাত গৈ ৰিভিউ কৰিছো আৰু তাৰ ভিতৰত অ-সম্পূৰ্ণ ঘৰ আছে-৪৮ হাজাৰ। ধুবুৰীত -৫৭ হাজাৰ ৯ শ ৭৫ টা ঘৰৰ চেংচন হৈছিল। মই সেইদিনাখন ধুবুৰী জিলাত গৈ এই বিষয়টো লৈ ৰিভিউ কৰিছো আৰু আমাৰ ধুবুৰী জিলাত ৩১হাজাৰ ৭৬ টা ঘৰ অ-সম্পূৰ্ণ হৈ আছে। দক্ষিণ শালমাৰাত ২৫ হাজাৰ ২ শ ৩৫ টা ঘৰ আমি চেংচন কৰিছো আৰু তাত ১৬ হাজাৰ ৩ শ ৩৫ টা ঘৰ অ-সম্পূৰ্ণ হৈ আছে। গোৱালাপাৰত ৩৩ হাজাৰ ৮ শ ৯২ টা ঘৰ চেংচন কৰিছিলো আৰু তাৰ ভিতৰত ১৬ হাজাৰ অ-সম্পূৰ্ণ হৈ আছে। ইমানসমূহ ঘৰ যিহেতু অ-সম্পূৰ্ণ হৈ আছে, আমি সেইকাৰণে আগতেই তেওঁলোকক কৈছো, যাৰ নামত ঘৰৰ আবণ্টন আছে, ২০২৪ চনৰ ভিতৰত তেওঁলোকে ঘৰ পাবই।

**মাননীয় অধ্যক্ষ ঃ** অ-সম্পূৰ্ণ হৈ থকাৰ কাৰণটো কি?

**শ্ৰী ৰণজিৎ কুমাৰ দাস (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক সেইখিনি সম্পূৰ্ণ কৰিবলৈ দিয়ক। আপোনালোকে কোৱা ধৰণে বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদিত ঘৰ বন্ধ কৰি ৰখাৰ আমাৰ কোনো ইণ্টেনশ্যন নাই। এইফালে অ-সম্পূৰ্ণ হৈ থকা ঘৰৰ সংখ্যা যিহেতু বেছি আৰু আনহাতে মাত্ৰ এটা, দুটা বা পাঁচটা কৰিবলগীয়া আছে, তাৰ বিপৰীতে এইকেইখন জিলাত ইমান কৰিবলগীয়া আছে, ইয়াৰ বাবে এটা নতুন mechanism কৰিব লাগিব। Intention should be bonafide intention যাৰ দ্বাৰা আমি pressure create কৰিব পাৰো। ..........ইণ্টাৰাপশ্যন........

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য দে ডাঙৰীয়াই চাপলিমেণ্টৰী প্ৰশ্ন কৰক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদি জিলাত অতি সোনাকলে ঘৰ সমূহ সম্পূৰ্ণ কৰাৰ নিৰ্দ্দেশ দিব লাগে। ..........ইণ্টাৰাপশ্যন........ ইয়াত সৰকা সাথ, সৰকা বিকাশ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে। এতিয়া আপোনাৰ সহযোগীয়ে চাপলিমেণ্টৰী প্ৰশ্ন কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদি জিলাত ঘৰ নিৰ্মাণ কিয়া বন্ধ কৰি থৈছে? ইয়াৰ কোনো যুক্তি নাই। সংখ্যালঘু বুলি বন্ধ কৰি থৈছে। মাননীয় মন্ত্ৰী মহোদয়ে বৰপেটা, ধুবুৰী গ'লে পাকিস্তান পাকিস্তান লাগে বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য স্পৰ্শকাতৰ কথাবিলাক প্ৰশ্ন কালীন ঘণ্টাত আনিব নালাগে। মই কৈ আছো আপুনি বহক। সন্মানীয় সদন প্ৰশ্নকালীন ঘণ্টা চলি আছে আৰু মোৰ কাৰো লগত পাৰ্চনেল ইণ্টাৰেষ্ট নাই। প্ৰশ্ন কালীন ঘণ্টাত সকলোৰে প্ৰশ্ন আছে। মই আগতেও কৈছো, যদি সেইটো কথাই পাতি থাকে আৰু সদনৰ সেইটোৰেই সন্মতি আছে, তেতিয়াহ'লে মই এতিয়াৰ পৰা আৰু একো নতুন প্ৰশ্নত নাহো। আপোনালোকে কৈ থাকিলেই হ'ল। মোৰ একো আপত্তি নাই। বাকী প্ৰশ্নকালীন ঘণ্টাততো আৰু একো প্ৰশ্ন নালাগে? মই প্ৰশ্ন কালীন ঘণ্টা ইয়াতেই বন্ধ

কৰি দিওঁ। মই সন্মানীয় সদস্য, প্ৰশ্নকালীন ঘণ্টা কি কি নিয়মৰ মাজেৰে চলে এই ৰুল বুকখনত আছে। প্ৰশ্ন কালীন ঘণ্টাত প্ৰশ্ন কৰিলে মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত উত্তৰ দিব। ইয়াৰ ওপৰত প্ৰশ্নৰ ওপৰত প্ৰশ্ন হ'ব নোৱাৰে। চাপলিমেণ্টৰী প্ৰশ্ন থাকিব আৰু অন্য সদস্যই চাপলিমেণ্টৰী প্ৰশ্ন কৰিব পাৰিব। তাৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব। যদি মাননীয় সদস্যজন সন্তুষ্ট নহয়, তাৰ ওপৰত বিতৰ্ক নহয়। এই বিষয়টো যদি ইমান স্পৰ্শকাতৰ হয়, আপোনালোকে কাট মোশ্যনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগটো কিয় নল'লে? সদনত এইবোৰ কথা পাতিবৰ বাবে বহুত ৰুল আছে, বাজেট আছে, তাতেও কথা পাতিব পাৰে। মই নিয়ম অনুসৰি যাম। আমাৰ বহু প্ৰশ্ন আছে আৰু প্ৰশ্নকালীন ঘণ্টাৰ নিচিনা চলিব, বিতৰ্ক বা আলোচনাৰ দৰে নচলে। গতিকে মই মাননীয় সদনকো কৈছো, আপোনালোকে যদি এটা প্ৰশ্নতে এক ঘণ্টা বিতৰ্ক কৰি থাকিব বিচাৰে তেনেহ'লে মই নিয়মটো সলনি কৰি দিম। কেৱল এটা বিষয়ৰ ওপৰত এক ঘণ্টা আলোচনা হ'ব।

..........ইণ্টাৰাপশ্যন........

**শ্ৰী জাকিৰ হুছেই শিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ কথাটো ঠিকেই আছে। কিন্তু বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদি জিলাৰ লগত যি বৈষম্য মন্ত্ৰী মহোদয়ে কৰি আছে, তাৰ উত্তৰ দিয়া নাই। বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদি জিলাৰ মানুহ খিনিক বঞ্চিত কৰি আছে। গতিকে বৰপেটা, ধুবুৰী, গোৱালপাৰা, মানকাচাৰ আদি জিলাৰ লগত যি বৈষম্য কৰি আছে, তাৰ প্ৰতিবাদত মই সদন ত্যাগ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

(মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই সদন ত্যাগ কৰে।)

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে, সেই উত্তৰত অ-সম্পূৰ্ণ ঘৰৰ কথা কোৱা হৈছে আৰু পৰৱৰ্তী সময়ত কোৱা হৈছে, এই কেইখন জিলাত অ-সম্পূৰ্ণ ঘৰ হোৱা কাৰণে জি অ' টেগ নহয়। গতিকে সদনত যদি কোনকেইখন জিলাত কিমান পাৰ্চেণ্টেজ অ-সম্পূৰ্ণ ঘৰ আছে, তাৰ তথ্যটো দিলে এই বেমেজালিটো নহয়। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যাতে অ-সম্পূৰ্ণ ঘৰৰ তথ্যখিনি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ঘৰ sanction টো চলি থাকিব কিন্তু Geo Tag টো আপুনি কৰিব নে নকৰে? যিখিনি দুখীয়া মানুহ আছে Prime Minister Awas Yojana ৰ ঘৰটো পোৱাৰ কাৰণে যোগ্যতা আছে তেখেত সকলৰ sanction টো চলি থাকিব। At present কিবা এটা pending আছে। কিন্তু যিসকলে ঘৰ পাবলৈ যোগ্য হয় তেখেত সকলৰ কাৰণে Geo Tag ৰ কিবা ব্যৱস্থা ল'ব নেকি?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ পূৰ্বৰ ৭ লাখ আৰু পাছৰ ৭ লাখ, মুঠ ১৪ লাখৰ Geo Tag ইতিমধ্যে হৈ গৈছে। এতিয়া আমাৰ কিমান দুখীয়া মানুহ আছে সেইটোৰ survey আমি কৰিব নোৱাৰো। সেইটো Social Economic Survey 2011 চনত যেনেকৈ কৰিছিল ঠিক তেনেকৈ ২০২১ তেই হওঁক বা ২০২৫ তেই হওঁক Survey কৰিব লাগিব। আমি Survey ৰ আধাৰতেই এই কামটো কৰিছিলো। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই scheme টো লোকপিয়লৰ Survey ৰ আধাৰতেই কৰিছিল। গতিকে এই Survey ৰ আধাৰতেই পৰৱৰ্তী সময়ত Geo Tag আহিব। কিন্তু আমি advance Geo Tag কৰিব নোৱাৰো।

**শ্ৰী ওৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো সঠিক নহ'ল।

**মাননীয় অধ্যক্ষ ঃ** নিজৰ বিচৰামতে নহ'লে উত্তৰটো সঠিক নহয় যেন লাগে।

**শ্ৰী ওৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই তিনিখন জিলাৰ বাহিৰে অন্য জিলাত PMAY ৰ ঘৰৰ কাম pending আছে নে নাই? এই তিনিখন জিলাৰ তথ্য দিলে কিন্তু বাকীবিলাক কিয় নিদিলে? তিনিখন জিলাৰ কাম কিয় বন্ধ ৰখা হ'ল?

**মাননীয় অধ্যক্ষ ঃ তেখেতে জানিব বিচাৰিছে যে এইবোৰ pending ৰখাৰ কাৰণ কি?**

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কিছু সময় আগতে জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিটো কথা ক'লে যে সংখ্যালঘু মূলৰ কাৰণে, এইবোৰ কথা ইয়াত ক'ব নাপায় কাৰণ আমি নগাওঁত টো বন্ধ কৰা নাই। নগাওঁৰ performance ভাল, হাইলাকান্দিৰো performance ভাল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী, তেখেতে সকলে সুধিছে যে সেইবোৰ জিলাত performance কিয় বেয়া হ'ল? ইয়াৰ কাৰণে পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ গাফিলতি বা অন্য কি কাৰণে এয়া হৈছে?

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগৰ CEO, BDO, পঞ্চায়ত secretary ক জবাবদিহী কৰিব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিভাগটোত আমূল সংস্কাৰ অনাৰ কাৰণে আপোনালোকে জনা উচিত যে মই মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছত ইতিহাস সৃষ্টি কৰি একেলগে ১০৬৮ জন পঞ্চায়ত secretary transfer কৰিছিলো। এইটো আগে পিছে কেতিয়াও হোৱা নাছিল। GRS, GPC সমূহক একেটা block তে বেলেগ পঞ্চায়তত transfer কৰিছিলো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে BDO সকলক আমি ACS, ALS BDO দিব লাগে। আমি ৭০ গৰাকী ACS, ALS BDO দিছো। গতিকে এই চৰকাৰ খনে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সংস্কাৰ মুখী যাত্ৰা আৰম্ভ কৰিছে পঞ্চায়ত বিভাগত। আমি পুৰণি system ৰ যতি পেলাব লাগিব। আগন্তুক দিনত আমি আৰু আন ACS, ALS BDO লম এই কাৰণেই যে আমাৰ যি laps হৈ আছে সেইবোৰ দূৰ কৰাৰ কাৰণে। সেইকাৰণে মই ধুবুৰীত গৈ নিজে review কৰিছো PMAY ৰ ওপৰত, সিদিনা আপোনাকো মাতিছিলো কিন্তু আহিব নোৱাৰিলে। গতিকে এইটো আমি নগাওঁ, মৰিগাওঁ, হাইলাকান্দি আদিত বন্ধ কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সকলোৱে কথাটো বুজি পালে। এতিয়া আমি আকৌ এই বিষয়টোলৈ নাযাও। এতিয়া প্ৰশ্ন নং ১২৫। শ্ৰী যাদব স্বৰ্গীয়াৰী।

**শ্ৰী যাদব স্বৰ্গীয়াৰী, (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ---interruption----

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ---interruption----

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। নিয়মৰ বাহিৰত আলোচনা কৰি থাকিলে কেনেকৈ হ'ব? স্বৰ্গীয়াৰী ডাঙৰীয়া আপুনি continue কৰক। আমি এদিন বিধান সভাৰ বাহিৰত বহিম য'ত মুকলিকৈ কাজিয়া কৰিব পাৰিম। Live telecaste নহয়। ড° ৰফিকুল ইছলাম ডাঙৰীয়াৰ কথাখিনি record ত নাযাব।

**শ্ৰী যাদব স্বৰ্গীয়াৰী, (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুধনৈ সমষ্টিৰ অন্তৰ্গত কিমানখন

অঙ্গনবাড়ী কেন্দ্ৰ আছে? উক্ত সমষ্টিত সৰ্বমুঠ কিমানটা কেন্দ্ৰ স্থায়ী আৰু অস্থায়ীভাৱে চলি আছে? এই অস্থায়ী কেন্দ্ৰ সমূহ কেতিয়ালৈ স্থায়ী কেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হ'ব? উক্ত কেন্দ্ৰ সমূহত কৰ্মী আৰু সহকৰ্মী কিমানটা পদ খালী আছে? যদি পদ সমূহ খালী আছে, কেতিয়ালৈ পূৰণ কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই সুধিছে যে তেখেতৰ সমষ্টিত যিখিনি অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকাৰ vacancy আছে সেইখিনি কেতিয়ালৈকে পূৰণ কৰিব তাৰ উত্তৰত মই ক'ব বিচাৰিছো যে সেই পদ সমূহ পূৰণ কৰিবলৈ প্ৰতিটো জিলা কাৰ্য্যালয়লৈ ইতিমধ্যে আমি চিঠি দিছো যাতে অতি সোনকালে এই পদ সমূহ পূৰণ কৰিব পাৰে। কিছুমান জিলাই ইতিমধ্যে খালী পদসমূহ পূৰণ কৰিছে আৰু কিছুমানে হয়তো process আৰম্ভ কৰিছে। গতিকে বিধায়ক ডাঙৰীয়াই তেখেতৰ সমষ্টিত যিসমূহ খালী পদ আছে তাৰ ওপৰত যি প্ৰশ্ন আনিছে, মই বিষয়া সকলক নিৰ্দেশ দিম যাতে অতি সোনকালে তেখেতৰ সমষ্টিৰ খালী পদ সমূহ পূৰণ কৰে।

**মাননীয় অধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰী যাদব স্বৰ্গীয়াৰী, (দুধনৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু model অঙ্গনবাড়ী কেন্দ্ৰ ইতিমধ্যে আৰম্ভ হৈছে, যোৱা ৰবিবাৰে আমি এখন আধাৰশিলা কৰিলো। মোৰ সমষ্টিত দুটা হৈছে আৰু পৰৱৰ্তী সময়ত হ'ব নে নাই মই জানিব বিচাৰিছো।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** আপোনাৰ সমষ্টিত ইতিমধ্যে তিনিটা sanction হৈছে আৰু ৭ টা আমি NEDA ক দিছো। অতি সোনকালে সেই ৭ টাও অনুমোদন হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজম উদ্দিন চৌধুৰী, (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ সমষ্টিত যিবিলাক worker post খালী হৈছে সেই ব্যক্তিসকলৰ মৃত্যুৰ পাছত সেই পদ সমূহ কেতিয়া পূৰণ হ'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি সকলো প্ৰকল্প বিষয়ালৈ চিঠি দিছো বিভাগৰ ফালৰ পৰা যে তেওঁলোকৰ অন্তৰ্গত যিবিলাক খালী পদ আছে সেইবিলাক অতি সোনকালে পূৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিশু ভগৱান স্বৰূপ। মই বিশেষকৈ ক'ব বিচাৰিছো যে মোৰ বন্ধু ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াৰ সন্তান মডেল অঙ্গনবাড়ী কেন্দ্ৰত পঢ়িব আৰু দুখীয়া লৰা-ছোৱালী সকল মডেল অঙ্গনবাড়ী কেন্দ্ৰত পঢ়িব নোৱাৰিব। বাউদেৱে বিধান সভাৰ মানদণ্ডৰ কথা কৈছে, কিন্তু এইবোৰো যেতিয়া discrimination হয়, তেতিয়া বিধান সভাৰ মানদণ্ডটো আৰু কমি গৈ থাকে।

**মাননীয় অধ্যক্ষ ঃ** Discrimination ৰ কথাটো কৰ পৰা আহিল? Question বিলাক আক্ৰমনাত্মক কিয় কৰে? আপোনালোকে senior বিধায়ক। যি জানিব বিচাৰিছে আপুনি question টো কৰক। মন্ত্ৰী মহোদয়।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মই বিধান সভাৰ বিধায়ক

সকলক কিমানখিনি impress কৰিব পাৰিছো মই নাজানো অধ্যক্ষ মহোদয়। প্ৰথম যেতিয়া আমাৰ বৈঠকখন বহিছিল তেতিয়াই সিদ্ধান্ত লৈছিলো যে অসমৰ অঙ্গনবাড়ী কেন্দ্ৰ বিলাকৰ অৱস্থা বহুত বেয়া, নতুনকৈ নিৰ্মাণ কৰিব লাগে। তাৰ পিছত আমি ভাৰিলো যে আমি কিছুমান মডেল অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰো, য'ত আমাৰ সৰু সৰু লৰা ছোৱালী বিলাকে খেলা ধুলাৰ সা-সুবিধা পাব আৰু আমাৰ এটা গুণগত মানদণ্ডৰ পৰিবৰ্তন হ'ব আৰু অঙ্গনবাড়ী কেন্দ্ৰ বিলাকলৈ ল'ৰা- ছোৱালী আহিব আৰু সেই সিদ্ধান্ত গ্ৰহণ কৰি প্ৰথম পৰ্য্যায়ত আমি এহেজাৰ এটা ললো আৰু পিছৰ পয্যায়িত দুহেজাৰটো ল'লো। ইয়াত কোনো ধৰণৰ discrimination হোৱা নাই অধ্যক্ষ মহোদয়। মই পুনৰবাৰ কৈছো আপোনালোকক যে সকলোৰে সমানভাৱে এইখিনি কাম পাব। এইবাৰ বিধান সভাৰ বাজেটতো আমি এইটো ৰাখিছো তাত আপোনালোকৰ পৰাও সমষ্টিৰ মডেল অঙ্গনবাড়ী কেন্দ্ৰ বিলাক আমি লম।

**মাননীয় অধ্যক্ষ ঃ** Question No. 126, শ্ৰী বিদ্যাসিং ইংলেং। Hon'ble Minister.

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সদনত উত্তৰ সমূহ দিয়া আছে।

**শ্ৰী বিদ্যাসিং ইংলেং (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীৰ উত্তৰত পাইছো, ভালো পাইছো। ১০৯৪ চনত যিটো পঞ্চায়ত আইনৰ মতে যিটো কৰ সংগ্ৰহ কৰিছে আৰু কৰ সংগ্ৰহ কৰা আৰম্ভ যে কৰিছে তাৰবাবে বৰ্তমান অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু এটা কথা, কৰ যে সংগ্ৰহ কৰিছে টকা কিমান সংগ্ৰহ কৰিছে এই কথাটো আপুনি জনাবনে ? কিমান কৰ সংগ্ৰহ কৰিছে আৰু ইয়াত কোৱা হৈছে যে উপ বৃদ্ধি কৰা নাই। ১৯৯৪ চনত আইন বা সেইটো Act কৰাৰ পাছত কিয় উপ বৃদ্ধি কৰা হোৱা নাই, সেইটো জনাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম পঞ্চায়ত ১৯৯৪ৰ দফা ২৫, ৫৭ আৰু ৫৪ ৰ অধীনত অসমত পঞ্চায়ত এলেকাসমূহত কৰ সংগ্ৰহৰ ব্যৱস্থা আছে যদিও ১৯৯৪ ৰ পিছত আমি উপবৃদ্ধি সম্পৰ্কত কোনো চিন্তা চৰ্চা কৰা নাছিলো। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্বশৰ্মাই দায়িত্ব লোৱাৰ পিছত তেখেতে ক'লে যে পঞ্চায়তত বিভিন্ন ধৰণৰ trade licence ৰ নামতেই হওক বা ঘৰৰ নামতেই হওক অনাহকত মানুহৰ দেৰী হয়। কোনোবাই যদি বেঙ্কত apply কৰে পঞ্চায়তৰ certificate খনৰ কাৰণে বেঙ্কৰ লোনটো নাপায়। যাৰকাৰণে কেবিনেটত সিদ্ধান্ত লৈ যোৱা ৭ মাৰ্চ ২০২২ তাৰিখে অনুষ্ঠিত---------

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰি ।

**শ্ৰীবিদ্যাসিং ইংলেং, (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ আইনখনত কাৰ্বি আংলঙ , এন চি হিলছ আৰু বি টি চি অটোনোমাচ কাউন্সিল ইয়াৰ আওতাত আনিব পাৰিব নেকি বা এই আইনখন তাত প্ৰযোজ্য কৰিব পাৰিব নেকি ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** এই চিক্স চিডিউলটোত- এইটো যিহেতু ট্ৰেন্সফাৰ চাবজেক্ট আপোনালোকে নিজাকৈ সিদ্ধান্ত ল'ব লাগিব। কাৰণ আপোনালোকৰ তাত বা বি টি আৰত যিটো পি এণ্ড আৰ ডি আছে এইটো ট্ৰেন্সফাৰ চাবজেক্ট গতিকে আপোনালোকে নিজে সিদ্ধান্ত ল'ব পাৰিব। অধ্যক্ষ ডাঙৰীয়া লগতে মই এটা কথা ক'ব বিচাৰিছো, আমি এটা ইনটেনশ্যন লৈছো যাতে আমাৰ পঞ্চায়তসমূহে ইনকাম জেনেৰেট কৰিব পাৰে। তেওঁলোকে আমাক বাৰে বাৰে অনাৰিয়ামৰ বাবে আবেদন জনায় বা বিভিন্নধৰণৰ অভাৱ অভিযোগৰ কথা কয়। তেওঁলোকে যাতে নিজাকৈ ৰেভিনিউ জেনেৰেট কৰিব পাৰে তাৰ বাবে

আমি উৎসাহিত কৰি আছো। আমাৰ অসমৰ পদুমনি ব্ল'কৰ ১৫-১৬ বিঘা মাটিৰ চাহ বাগান আছে, ফিচাৰী আছে, ভোট জলকীয়াৰ খেতি পৰ্য্যন্ত তেওঁলোকে কৰে। এনেধৰনে পঞ্চায়বিলাকে নিজাকৈ ব্যৱস্থা কৰে- আমাৰ ভাৰতৰ মহাৰাষ্ট্ৰত 'মান' নামৰ পঞ্চায়ত এটা আছে। তেওঁলোকৰ নিজৰ ডাইৰী ইউনিট আছে, ব্ৰীক ইণ্ডাষ্ট্ৰি আছে , প্ৰতিমাহে তেওঁলোকে ১ লাখ টকা অনাৰিয়াম লয়। গতিকে আমাৰ পঞ্চায়তসমূহে যদি এনেধৰনে ইনকাম জেনেৰেট কৰাৰ ব্যৱস্থা লয় আপোনাৰ জৰিয়তে আহ্বান জনাইছো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বায়ত্ব শাসনৰ বাবে যিটো পঞ্চায়তী ব্যৱস্থা গ্ৰহণ কৰা হ'ল। সংবিধানৰ ৭৩ তম্ এমেণ্ডমেন্টমতে ইয়াক এমপাৱাৰ কৰা হৈছে - to lavian collect Taxes. দ্বিতীয়তে স্বতন্ত্ৰভাৱে এইখিনি কৰা হৈছে , পঞ্চায়ত এক্টতো এইখিনি আছে, তাৰ ওপৰিও আমাৰ নিটি আয়োগ, পৰামৰ্শ দিছে যে পঞ্চায়তসমূহ স্বনিৰ্ভৰ হ'ব লাগে আৰু সেইবাবে টেক্স কালেক্ট কৰিব লাগে। কিন্তু পঞ্চায়ত আইনৰ চেকশ্যন ২৫ চাব চেকশ্যন- ৬ অনুসৰি যিটো ক্ষমতা আছে বাতিল কৰা, চৰকাৰে বাতিল কৰিলে। এনেকৈ কিয় বাতিল কৰা হ'ল - যিহেতু দায়িত্ব বহু বেছি আহিবলগা সময়ত, আৰু পুঁজি নাহে বুলি নিটি আয়োগৰ পৰা এটা চাৰ্কোলাৰ দিছে যে- should be self relient - গতিকে এই সময়ত কেবিনেট ডিচিশ্যনটো পুনৰ বিবেচনা কৰিব নেকি যাতে পঞ্চায়তসমূহ পৰমুখাপেক্ষী নহয়। হাউচ টেক্স মেক্সিমাম কৰিব লগা আছিল, আৰু এইখিনি উপবিধি নাই বাবে কৰা হৈছে বুলি কৈছে যদি উপবিধি নাই আমি কিয় উপবিধিখন তৈয়াৰ কৰি আইনখন ফলো নকৰো যিহেতু সাংবিধানিক ৭৩ এমেণ্ডমেন্ট হৈছে এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা তথ্য বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, কৰৰ যদিও ব্যৱস্থা আছিলে আমাৰ উপবিধি নোহোৱা কাৰনে ইমান বছৰে কৰা হোৱা নাই। আগন্তুক দিনত আমি এইটো কিয় কৰিবলগীয়া হৈছে কাৰণ বহু ব্যৱসায়ীৰ পৰা আমি অভিযোগ পাইছো যে পঞ্চায়তে তেওঁলোকক যিটো সময়ত ট্ৰেড লাইচেন্সখন দিব লাগে নিদিয়াৰ বাবে বহুতে ব্যৱসায় আৰম্ভ কৰিব পৰা নাই। যাৰ বাবে আমি ৪-৫ টা চাবজেক্ট বাদ দি আমি এইটো কৰিছো। তথাপি আগন্তুক দিনত আপোনাৰ বিষয়টো মই কেবিনেটত আলোচনা কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আব্দুৰ ৰছিদ আলম ।

**শ্ৰীআব্দুৰ ৰছিদ আলম, (গোৱালপাৰা) ঃ** পঞ্চায়তৰ যিটো ৰেভিনিউ সেইটো হাট আৰু ঘাটৰ পৰা আহে। কিন্তু পঞ্চায়তৰ ঘাট আই ডব্লিউ টিয়ে বন্ধ কৰি ৰাখিছে। এইটো খোলাৰ ব্যৱস্থা কৰিব নেকি সোনকালে মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** এই বিষয়টো মোক লিখিতভাবে দিব। মই আই ডব্লিউ টিৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কোৱেশ্যন নম্বৰ ১২৭ চামচুল হুদা ।

**শ্ৰীচামচুল হুদা, (বিলাসীপাৰা পূৱ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে মোৰ প্ৰশ্নৰ উত্তৰটো হয়তো ঠিক দিছে- তথাপি মই দুটা প্ৰশ্ন কৰিম - আমাৰ তাত ১৯ কে.জি গেছ আৰু ১৪.২০০ গ্ৰাম গেছ প্ৰচলিত আছে, বাকীবিলাক আমাৰ তাত নচলে। আমাৰ সেই অঞ্চলত গোটেইখিনি অসমৰ নাগৰিক আৰু বহু দুখীয়া মানুহ

আছে আপোনালোকে জানে। এতিয়া নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মুল্যবৃদ্ধি হৈয়ে আছে, কিন্তু এই গেছৰ মুল্যটো যদি কিবা প্ৰকাৰে কমোৱা যায় যিটো দুখীয়া মানুহো ব্যৱহাৰ কৰে। ৯৯২.৫০ টকা গেছৰ যিটো মূল্য সেইটো চৰকাৰে কিবা ব্যৱস্থা কৰি কমাই দিব পাৰিব নেকি, দ্বিতীয়তে, এল পি জি গেছৰ ক্ষেত্ৰত আমাৰ যোগান বিভাগৰ পৰা যিখিনি গেছৰ এজেন্সীৰ লাইচেন্স দিছে সেই এজেন্সীৰ পৰা গেছ চৌৰাং কৰি আনি কিছু মানুহে অধিক দামত ঘৰে ঘৰে গেছ বিক্ৰি কৰি আছে যিটো দুখীয়া মানুহৰ বাবে বহু অসুবিধাৰ সৃষ্টি হৈছে । তেওলোকে গেছ এজেন্সীত গৈ নাপায়, চৌৰাং কাৰবাৰীৰ কাষত গৈ ২০০-৩০০ টকা বেছি ভৰি গেছ কিনিব লাগে । এইটো বন্ধ কৰিব পাৰে নেকি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়

**শ্ৰী ৰণজিৎ কুমাৰ দাস , (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া- এল পি জি গেছৰ যিটো ব্যৱস্থা এইটো পোনপোটীয়াকৈ আমাৰ যোগান বিভাগৰ হাতত নাই। ডোমেষ্টিক গেছ আৰু কমাৰ্চিয়েল গেছটো ডিপেণ্ড কৰে ইণ্ডিয়েল অইল কৰ্পোৰেশ্যেন, ভাৰত পেট্ৰলিয়াম লিমিটেড আৰু হিন্দুস্থান পেট্ৰলিয়াম কোম্পানিৰ ওপৰত। তেওলোকে নিজে বিতৰক নিয়োগ কৰিছে আৰু অনলাইন ব্যাৰস্থাৰে তেওলোকে কিমান চাপ্লাই দিছে, কিমান লাগে, কিমান ষ্ট'ক আছে ইত্যাদি এই ব্যৱস্থাটো পৰিচালিত কৰে। কেতিয়া ক'ত কিমান গেছ চিলিণ্ডাৰ আহে সেইটো আমাৰ যোগান বিভাগে গম নাপায়। এইটো গোটেই তেওঁলোকৰ অধীনৰ বিষয় তথাপি যদি অভিযোগ থাকে ‘ কনজুমাৰ প্ৰটেকশ্যন এক্টৰ’ অধীনত উপায়ুক্তক যদি অভিযোগ দিয়ে আমি অবৈধ মজুতকাৰীৰ বিৰুদ্ধে আৰু ব্লেক মাৰ্কেটিঙৰ বিষয়ে ব্যৱস্থা ল'ব পাৰো। কিন্তু গেছৰ যোগান-চাহিদা বা গেছৰ চাবচিডি বা গেছৰ ৰেট এইখিনি তেওলোক অধীনত । আমাৰ প্ৰধান মন্ত্ৰী উজ্বলা যোজনাৰ অধীনত এতিয়ালৈ প্ৰায় ৩৪,৯২,০০০ হিতাধিকাৰীক আমি গেছৰ যোগান ধৰিছো। এতিয়া আমি নতুনকৈ উজ্বলা-২ ৰ জৰিয়তে একোটাকৈ এডিশ্যনেল সংযোগ দিয়াৰ ব্যৱস্থা কৰা হৈছে । সেইটোও অইল ইণ্ডিয়াই কৰিছে তাত্তে আমাৰ পোনপোটীয়া সম্পৰ্ক নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশান্ত ফুকন

**শ্ৰীপ্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো যে, আমাৰ এতিয়া যিটো ফাইবাৰ চিলিণ্ডাৰ আহিছে সেইটো ভাৰতৰ আন আন ৰাজ্যত আহিছে - অসমত কেতিয়া আহিব, ৫ কে. জি ফাইবাৰ চিলিণ্ডাৰ অসমত অহাৰ ক্ষেত্ৰত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে নেকি, গেছৰ এজেন্সী আমাৰ গ্ৰাম্য অঞ্চলত চুকে কোনে বহুৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে নেকি ? এইটো মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কোৰেশ্যন আৱাৰ অভাৰ হ'ল । ... বহক .. বহক । এটা দলৰ পৰাই ৪-৫ জনকৈ একেলগে উঠে কিয়,শান্তিত এজন এজনকৈ ক'ব নোৱাৰে নেকি? Point of Order আছে, মইতো শুনিব লাগিব, যদি মই নুশুনো। এতিয়া কি Point of Order আছে কওঁক।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** ছাৰ, যোৱা ২৬ তাৰিখে সন্ধিয়া প্ৰৱল ধুমুহাই গোটেই অসমৰ লগতে ৰূপহী সমষ্টি ৰ বহুত ক্ষতি হৈছে। চৰকাৰী বিদ্যালয় এতিয়া মাটিত পৰি আছে ক্লাছ কৰিব পৰা নাই, বন্ধ হৈ আছে। জুৰীয়া প্ৰেছক্লাৱ উৰুৱাই লৈ গৈছে। ৰূপহী তিনিআলিত ১৪ খন দোকান একেলগে উৰুৱাই লৈ গৈছে। ঠিক তেনেদৰে কৃষক সকলে যি ফচল খেতিৰ চাং কৰিছে, সেই সকলো চাংবোৰ উৰুৱাই লৈ গৈছে। গতিকে বিস্তৰ ক্ষতি হৈছে। আজি ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়

আছে ইয়াত, আকস্মিক দুৰ্য্যোগ বিভাগৰ মন্ত্ৰী মহোদয় ইয়াত আছে, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিম যে এই ক্ষতিগ্ৰস্ত লোক সকলক অনতিপলমে সাহাৰ্য্য প্ৰদান কৰিব লাগে আৰু বিশেষকৈ কলনিধৰা এম ই এম দুই এদিনৰ ভিতৰত ঠিক কৰি দিব লাগে, ক্লাছ বন্ধ হৈ আছে, ইয়াত এটা সৎ উত্তৰ পাম বুলি মই আশা কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, ধুমুহাৰ ওপৰত।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** ছাৰ, এই ধুমুহাত ধিং আৰু ৰূপহী সমানে ক্ষতিগ্ৰস্ত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** নাই, আলোচনা নহয়। তেখেতে এটা প্ৰাকৃতিক দূৰ্য্যোগৰ ওপৰত উৎথাপন কৰিছে।

**শ্ৰীদিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** ছাৰ, এই ধুমুহাত গোটেই নলবাৰীত।

**মাননীয় অধ্যক্ষ ঃ** মই বুজি পাইছোঁ, আলোচনা নহয় সেইটোত। মন্ত্ৰী মহোদয়ক respond দিবলৈ দিয়ক। কালি-পৰহি details দি দিব হাউচত। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যোৱা দুদিনৰ আগত যি ধুমুহা হৈ গৈছে সমগ্ৰ অসমৰ বিভিন্ন জিলাত, আমাৰ district disaster management authority আছে, চাৰ্কোল অফিচত ডি ডি অ' আছে, প্ৰজেক্ট অফিচাৰ আছে, তেওঁলোকৰ ওপৰত এই গোটেইখিনি আমি ফিল্ড চাৰ্ভে কৰিম লাটমণ্ডল গাওঁবুঢ়াৰ যোগেদি আমাৰ প্ৰপোজেল আহে আৰু আমি জিলা সকলক কৈ দিছো যে এইটোত সোনকালে চৰকাৰক প্ৰপোজেল দিব লাগে। আমাৰ জি আৰ, আৰ ডি এই বিলাক ফাণ্ড আছেই। কৰবাত ট্ৰিপাল দিব লাগে দি আছে, সেইবিলাক ডিপোজিত আছে, আমাৰ ডি চি ৰ হাততে ফাণ্ডবোৰ আছে। গতিকে এইখিনি তৎকালীন ভাৱে যাতে ব্যৱস্থা কৰে আমি এইখিনি কৰিবলৈ নিৰ্দ্দেশ দিছো জিলা উপায়ুক্ত সমূহক।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, এইটোৰ লগতে সংগতি ৰাখি আমাৰ দূৰ্যোগ আৰু ৰাজহটো ঠিকেই আছে, পৰীক্ষা চলি আছে, লাইন বিলাক নাইকিয়া হৈ গৈছে, দ্ৰুত গতিত যুদ্ধকালীন প্ৰক্ৰিয়াৰে যাতে এইখিনি restore কৰে এইটো সকলোৰে কাৰণে ভাল হ'ব। যাতে আমাৰ ল'ৰা-ছোৱালী ভালকৈ পঢ়িব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই সকলোৰে জিলা উপায়ুক্ত যিহেতুকে সভাপতি district disaster management authority ৰ, গোটেইখিনি প্ৰপোজেলটো দিব আমাৰ বিভাগৰ হাতত ফাণ্ড আছে, আমি দিব বিচাৰোঁ।

**মাননীয় অধ্যক্ষ ঃ** এল ও পিয়ে কিবা ক'ব বিচাৰিছেঙ্গ

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকত সৰ্বভাৰতীয় কাগজ সমূহত এটা কথা ওলাইছে যে অসম আৰু মেঘালয় সীমা সমস্যা চুড়ান্ত কৰিবলৈ দিল্লীত আজি এখন বৈঠক হ'ব। মহোদয়, আমি বিধায়িনী সদস্য সকলে ইয়াৰ পৰৱৰ্তী সমূহতো এই বিষয়ে কিবা বিধেয়ক যদি কৰিবলগীয়া আছে কৰিব লাগিব। যোৱা ৭ মাৰ্চ তাৰিখে মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে অসমৰ বিবাদমান ৩৬ খন গাঁওৰ ৩০ খন মেঘালয়ে পাব বুলি কৈছে। কিন্তু আমি যোৱা জানুৱাৰী মাহৰ ১৮ তাৰিখে আমাক অল পাৰ্টী মাতিছিল, তেতিয়া আমি কৈছিলো যে কথাখিনি বিধান সভাত অলপ আলোচনা হলে ভাল হয়। এতিয়া যিহেতু সদন চলি আছে আৰু এনেকুৱা এটা আলোচনা সময়ত যদি চৰকাৰী পক্ষৰ পৰা গোটেই ঘটনাখিনিৰ বিষয়ত কি চেটেলমেন্ট হৈছিল এইটো কৰিলে ভাল হয়। কাৰণ বক্‌লা পাৰা বুলি এখন গাঁওৰ কথাত

গৈছে, ৭০ শতাংশ অসমীয়া কয়, বকোৰ মাংলা খালবাৰী, যদি কিবা এটা আমাক জনাব পাৰে এইটো বিষয়ৰ ওপৰত। ছাৰ, এইটো এটা নিয়ম সাধাৰণতে চৰকাৰে কিবা ঘোষণা কৰিলে সংসদ বা বিধান সভা চলি থাকিলে তাতো Confidenceত লব লাগে। মই ভাৱো এইটো ললে একো হানি নহয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, এল ও পি ডাঙৰীয়াই যেনেকৈ কলে আমাৰ মিজোৰামৰ লাইলাপুৰ বৰ্ডাৰত আগতে ৬ জন মানুহ মৰিছে, এতিয়া তাত ডাঙৰ ডাঙৰ ঘৰ বনাই আছে। এইটোৰ ওপৰত যাতে এটা ব্যৱস্থা লোৱা হয়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আজি তেখেতে বিশেষ ভাৱে মেঘালয়ৰ কথা কৈছে। মন্ত্ৰী ডাঙৰীয়া অসম মেঘালয়ৰ বৰ্ডাৰৰ বিষয়ত যিবোৰ কথা শুনি আছে, সেইটোৰ লৈ এল ও পি ডাঙৰীয়াই এটা এই বিষয়ত জানিব বিচাৰিছে।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে সদনত অৱগত কৰিম মহোদয়।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ কথা আমাক বিশ্বাসত লৈ কৰিব লাগে, সেইটোৱে আমাৰ অনুৰোধ। সদন যিহেতু চলি আছে, কিনো হৈছে গোটেই কথাখিনি এবাৰ কৈ এটা ডাঙৰ সমস্যাৰ ক্ষেত্ৰত আলোচনা কৰি সকলোকে বিশ্বাসত লৈ কৰিব লাগে সেইটো আমাৰ বিনম্ৰ অনুৰোধ।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নৰ দুটা চাপ্‌লিমেন্টৰী আছিল আপুনি নিদিলে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, প্ৰশ্নকালীন ঘন্টা গুচি গ'ল।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো কোৱা নাই মই, প্ৰশ্নকৰ্তাই দুটা প্ৰশ্নকৰে, চাপ্‌লিমেন্টৰী দুটা দিয়ে, বি এ চি ত সিদ্ধান্ত হৈছে, আপুনি দিয়ে সেই মতে।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়, সেইটোত চাপ্‌লিমেন্টৰী ৫-৬ টাতকৈ বেছি হৈছে আজি যিয়ে যেনেকৈ পাৰে উঠি কৈছে। আপুনি বহক। আমাৰ বিশেষ বিষয় আছে সেইবোৰত যাই থাকিব নালাগে।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order টো শুনক মোৰ।

**মাননীয় অধ্যক্ষ ঃ** Point of Order কওঁক না, কোনটোৰ ওপৰত ক'ব?

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order ত এইটো কৈ আছো যে প্ৰশ্নকৰ্তাই প্ৰশ্ন কৰাৰ পিছত চাপ্‌লিমেন্টৰী দুটা দিয়াৰ সিদ্ধান্ত বি এ চি ত হৈছে। কেতিয়াবা অলপ অনিয়মীয়া হোৱাৰ কাৰণে আপুনি দ্ৰপ কৰি দিলে।

**মাননীয় অধ্যক্ষ ঃ** হয় দুটা দি আছে। দ্ৰপ কৰি নাই দিয়া।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** দ্ৰপ কৰি দিব পাৰে, আপোনাৰ Discretionary power আছে আপুনি পাৰে, আপুনি সেইটো কৰিছে, মই সেইটো কোৱা নাই। আপোনাক আমি সন্মান কৰো, কিন্তু বি এ চি ত সিদ্ধান্ত দুটা দিয়া। Important matter ত সেইটো দিব দিলে ভাল হয়, আলোচনাখিনি হয়। যিহেতু বৰপেটা আৰু ধুবুৰীৰ লাখ লাখ মানুহৰ ঘৰৰ সমস্যা। আপুনি নিজেও পজিটিভ ৰেছ্‌পঞ্চ দিছে, মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম বিষয়া সকলৰ হেমাহিৰ কাৰণে এই লাখ লাখ মানুহে ঘৰৰ পৰা বঞ্চিত হ'ব লগা হৈছে। টাইম বাউণ্ড এক মাহৰ ভিতৰত সেই পুৰণি ঘৰ সম্পূৰ্ণ কৰি বাকী ঘৰৰ কাম যাতে আৰম্ভ কৰে সেইটো আপোনাৰ জৰিয়তে জনালোঁ।

**माननीय অধ্যক্ষ ঃ** হ'ব, হৈছে। এতিয়া Point of Order নাই। এতিয়া Item no 4. এতিয়া আমাৰ মঞ্জুৰী কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনা আছে। আমাৰ এটা আলোচনা হৈ গ'ল যিটোৰ সিদ্ধান্ত লৈছিল সেইটো আলোচনা কৰাৰ কাৰণে priority হিচাপে, আজি কৃষিৰ ওপৰত হ'ব। গতিকে কৃষিৰ ওপৰত এতিয়া মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক মই মঞ্জুৰী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ২০২৩ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক কৃষি শিতানৰ প্ৰশাসনৰ অৰ্থে ১৫৩৪১৫.০৩ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৪৮ নং মঞ্জুৰীটোত তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ নামত চাৰিটা কৰ্তন প্ৰস্তাৱ আছে। মাননীয় সদস্য সকল হ'ল -

1. Shri Debabrata Saikia
2. Shri Rakibul Hussain
3. Shri Bharat Chandra Narah
4. Shri Wazed Ali Choudhury
5. Shri Abdur Rashid Mandal
6. Shri Abul Kalam Rasheed Alam
7. Shri Kamalaykha Dey Purkayastha
8. Shri Bhaskar Jyoti Baruah
9. Shri Diganta Barman
10. Shri Pradip Sarkar
11. Hafiz Bashir Ahmed
12. Shri Aminul Islam(Sr.)
13. Shri Siraj Uddin Ajmal
14. Dr. Rafiqul Islam
15. Shri Najrul Hoque
16. Shri Suzam Uddin Laskar
17. Shri Nizam Uddin Choudhury
18. Shri Nijanur Rahman

19. Shri Aminul Islam(Jr.)

20. Shri Mazibur Rahman

21. Shri Samsul Huda

22. Shri Ashraful Hussain

23. Shri Karim Uddin Barbhuiya

24. Shri Abdul Aziz

25. Shri Zakir Hussain Laskar

26. Shri Manoranjan Talukdar

27. Shri Akhil Gogoi

এতিয়া মই প্ৰথমতে দেৱব্ৰত শইকীয়া ডাঙৰীয়া বা তেখেতৰ সহযোগীক তেখেত সকলৰ কৰ্তন প্ৰস্তাৱটো উত্থাপনত কৰিবলৈ মই অনুৰোধ জনালোঁ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** ছাৰ, ২০২২-২৩ চনৰ বাজেটত দ্বিতীয় খণ্ডৰ ১৩ অংশৰ ১৮ ৰ পৰা ৫৭ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দ াবীৰ ১৫৩৪১৫.০৩ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ১৫৩৪১৫.০৩ লাখ টকা, এটকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ বা যিকোনো এজন, আশ্ৰাফুল হুছেইন।

**শ্ৰীআশ্ৰুফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাক্ষৰ কাৰী বিধায়ক সকলে প্ৰস্তাৱ কৰো যে ২০২২-২৩ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ১৩ অংশৰ ১৮ ৰ পৰা ৫৭ পৃষ্ঠাত থকা কৃষি শিতানৰ ৪৮ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দ াবীৰ ১৫৩৪১৫.০৩ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ১৫৩৪১৫.০৩ লাখ টকা, এটকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাৎ মঞ্জুৰী **১৫৩৪১৫.০৩** লাখ এক টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ১৩ অংশৰ ১৮ ৰ পৰা ৫৭ পৃষ্ঠাত থকা কৃষি শিতানৰ **৪৮** নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১৫৩৪১৫.০৩ লাখ এক টকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰী ১৫৩৪১৫.০৩ লাখ টকা এক টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** শ্ৰীমতী নন্দিতা দাস, তেখেতক বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** আমাৰ কৃষি বিভাগত যি কৰ্তন প্ৰস্তাৱ আহিছে, সেই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰ ক'ব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, কৃষি এনেকুৱা এখন ক্ষেত্ৰ যিখন ক্ষেত্ৰই দেশৰ বা ৰাজ্যৰ অৰ্থনীতি যথেষ্ট খিনি আগবঢ়াই নিব পাৰে। আজিও এই কৃষি ক্ষেত্ৰ খনত ৭০ শতাংশ মানুহ এতিয়াও নিৰ্ভৰ কৰি তেওলোক চলি আছে। আমাৰ কৃষিভূমি অমসত

প্ৰায় ২৬ লাখ হেক্টৰ আৰু আমাৰ কৃষক প্ৰায়২৯.৩০ লাখ এই ক্ষেত্ৰখনত জৰিত হৈ আছে । অধ্যক্ষ মহোদয়, আমাৰ কৃষি বিভাগৰ আঁচনি বহুতৰ আমি বিজ্ঞাপন দেখা পাওঁ, মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কয় আত্ম নিৰ্ভৰশীল ভাৰত আৰু কৃষিৰ জৰিয়তে আমি আগবাঢ়ি যাবলৈ তেখেতেও বহুতো কথা কোৱা আমি দেখিছো । অসম চৰকাৰৰ বিভিন্ন সময়ত বিভিন্ন আঁচনিৰ জৰিয়তে কৃষি ক্ষেত্ৰ খনত যাতে আগবাঢ়ি যাব পাৰো সেই ঘোষণা বিলাকো আমি দেখা পাওঁ। আমি যেতিয়া বাতৰি কাকতত দেখো অধ্যক্ষ মহোদয়, আৰু যেতিয়া আমি তথ্যলৈ যাওঁ কিন্তু কৃষি ক্ষেত্ৰ খনৰ আঁচনিবোৰে কৃষক সকলক কিন্তু সহায় কৰিব পৰা নাই । অধ্যক্ষ মহোদয় কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে অসমত ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰা হ'ব আৰু প্ৰায় ২ লাখ কৃষক ইয়াত সামৰি লোৱা হ'ব । কিন্তু আমি পেপাৰত দেখিব পাওঁ যে এই চৰকাৰৰ ধান ক্ৰয় কৰা আঁচনি ফ্লপ চ'। গাঁৱে-গাঁৱে সভা পতিছে যদিও, বিজ্ঞাপন দিছে যদিও খেতিয়কৰ মাজত কিন্তু এতিয়াও সজাগতাতো অভাৱ হৈছে। আমি পেপাৰত পঢ়িবলৈ পাইছো যে ধান ক্ৰয় কৰি কোটি কোটি টকা আদায় দিয়া এফ চি আয়ে, বগাহাতীত পৰিণত কৃষি বিপনন পৰিষদ, কৰ সংগ্ৰহ গেটবন্ধ, শীতল ঘৰ, ভড়াল ঘৰৰ বজাৰত আয় শূণ্য। আমি দেখিব পাইছো যে কৃষকক সহায় কৰিবলৈ নাই বিষয়া কৰ্মচাৰী, ধোবাং বাং কৃষি বিভাগত দুই সহস্ৰাধিক পদ এতিয়াও খালী। এনেবোৰ ছবি আমি দেখিব পাঁও তেতিয়া কৃষি জগত খনত কৃষকসকল যে আগবাঢ়িব পৰা নাই, কৃষক সকল যে আত্মনিৰ্ভৰশীল হ'ব পৰা নাই এই কথাটোৱে প্ৰকাশ পায়। অধ্যক্ষ মহোদয়, আমাৰ কৃষি বিভাগৰ এটা আঁচনি আমি সততে গম পাঁও সচল বীমা আঁচনি। এই আঁচনিৰ যিখিনি বিষয়, যথেষ্ট ভাল আৰু আশা কৰিছিলো যে কৃষি বীমা আঁচনিয়ে আমাৰ কৃষক সকলক যিখিনি বিপৰ্য্যৰ সন্মুখীন হয়। যেনে আমাৰ অসমখন বানপানী, ধুমুহা, গৰাখহনীয়া আৰু শুৰ পোকে আমাৰ কৃষি জগতখনক, কৃষকৰ উৎপাদনত যথেষ্ট ক্ষতি কৰিছে। তাৰোপৰি হাতীৰ উপদ্ৰবত আমাৰ কৃষক সকল যথেষ্ট ক্ষতিসাধন হৈছে আৰু এনে ধৰণৰ বহুতো বিষয়ত আমাৰ কৃষক সকলৰ যথেষ্ট ক্ষতিসাধন হয়। আজি কিছু সময় আগতে আমাৰ এজন বিধায়কে ক'লে যোৱা দুদিন আগত যিটো ধুমুহা হৈছিল ইয়াত মানুহৰ ঘৰ-বাৰীৰ বাহিৰেও বহুতৰ কৃষি অঞ্চল যিখিনি উ ৎপাদন কৰিছিলে, ধানেই হওক বা অন্য শাকপাচলি হওঁক যথেষ্ট খিনি ক্ষতি সাধন হৈছে। কিন্তু আমি দেখিছো অধ্যক্ষ মহোদয় যিমানেই এই আঁচনিবোৰ ঘোষণা হৈছে আৰু যিমানেই সজাগতাৰ সৃষ্টি নকৰক কিয় কৃষক সকলে ক্লেইম কৰিলে কিন্তু পইছা নাপায় । আমাৰ দেশত প্ৰায় ৩০ লাখ খেতিয়ক আছে, তেওঁলোক সকলোৰে যে ক্ষতি সাধন হৈছে এনে নহয়, কিন্তু যি সকলে প্ৰাকৃতিক দুৰ্য্যোগ আদিৰ বাবে ক্ষতিৰ সন্মুখীন হৈছে, তেখেত সকলে কিন্তু ক্ষতিপূৰণ পোৱা নাই। তথ্য মতে কেৰল ১.৩ শতাংশ কৃষকহে ক্ষতিপূৰণ লাভ কৰিব সক্ষম হৈছে। যদিও বহু সময়ত এই ক্লেইম পেণ্ডিং হৈ থকা দেখা গৈছে, কেন্দ্ৰীয় চৰকাৰে ক্ষতিপূৰণ আদায়ৰ বাবে সময়ে সময়ে বীমা কোম্পানী বিলাকক ধন মোকলাই দিয়ে যদিও আমাৰ ৰাজ্য চৰকাৰৰ চেয়াৰটো সময় মতে মুকলি নোহোৱাৰ বাবে কৃষক সকল বিপদৰ সন্মুখীন হ'বলগীয়া হৈছে ।

মাননীয় অধ্যক্ষ মহোদয়, দুই লাখ কৃষকৰ পৰা যি দহ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰাৰ কথা কৈছে, কিন্তু তথ্য অধ্যয়ণ কৰি পোৱা গ'ল যে আমাৰ ৰাজ্যত কেৰল ১১ লাখ কৃষকৰ ভিতৰত মাত্ৰ ৭৬,৬২৯ জন কৃষকৰহে ধান বিক্ৰী হৈছে। পৰ্টেলত নাম পঞ্জীয়ন নোহোৱা কৃষকে ধান বিক্ৰী কৰিব নোৱাৰে সেয়েহে বৰ্তমানলৈ মাত্ৰ ১৬, ৯২৪ জন কৃষকেহে এই পৰ্টেলৰ দ্বাৰা উপকৃত হ'ব পাৰিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে ২ লাখ কৃষক উপকৃত হ'ব। কিন্তু তথ্যই

কেৱল ১৬ হাজাৰ কৃষকহে ধান বিক্ৰী কৰিবলৈ সক্ষম কৰি তুলিছে। চৰকাৰৰ এই আঁচনিৰ সুবিধা কিয় আমাৰ কৃষক সকলে লাভ কৰিবলৈ সক্ষম হোৱা নাই। লেকুনাটো প্ৰকৃততে ক'ত আছে সেইটো জানিব লাগিব । অনলাইন পেডি প্ৰকিউৰমেন্ট চিচটেমটো ৰাজহ বিভাগৰ ধৰিত্ৰী আঁচনিৰ লগত সংলগ্ন কৰা হৈছে। গতিকে ৰাজহ বিভাগৰ অধীনত যিমান পৰিমাণৰ মাটি কৃষক এজনৰ লগত থাকিব লাগে সিমান খিনি মাটি কৃষকৰ নাথাকে । যাৰ বাবে কৃষক সকলে এই সুবিধাটো গ্ৰহণ কৰিব পৰা নাই । আমাৰ কৃষক সকলে অনলাইন পেডি প্ৰকিউৰমেন্ট ৰ যি ব্যৱস্থা, সেই ব্যৱস্থাটো নোহোৱাৰ বাবে বহু কৃষকে উৎপাদিত ধান বিক্ৰী বা ক্ৰয় কৰাৰ বাবে সুবিধাটো নাপাব। সেইবাবে মাননীয় অধ্যক্ষ মহোদয়, ধান ক্ৰয় কৰা আঁচনিখন ফ্লপ চ'ট পৰিণত হৈছে । আঁচনি এখন সফল ৰূপায়ণ কৰাৰ বাবে আমাক মেন পাৱাৰ লাগিব । কিন্তু আমি দেখিবলৈ পাইছো কৃষি বিভাগত অতিৰিক্ত সঞ্চালকালয়ৰ ৫ টা পদ, সহকাৰী সঞ্চালকালয়ৰ পদ ৬১, মহকুমা পৰ্য্যায়ত কৃষি বিভাগৰ ৮ টা পদ, জ্যেষ্ঠ কৃষি বিষয়াৰ পদ ৫২ টা, কৃষি বিষয়াৰ ১১ টা পদ, ভি এল ই ডব্লিউ, ১৪০০, গ্ৰাম সেৱক ২৮৮৪ টা পদৰ ভিতৰত ১১৪৭ জন লোকেহে কাম কৰি আছে । ইমানবোৰ পদ যদি খালী থাকে তেতিয়া হ'লে আমি কৃষি জগতত কেনেকৈ কৃষকক আত্মনিৰ্ভৰশীল কৰিব পাৰিম, কেনেকৈ কৃষকক আমি তেওঁলোকক অৰ্থনৈতিক ভাবে আগবঢ়াই নিব পাৰিম ? এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগে। কেইদিনমান আগতে আমি দেখিছো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে এখন জিলাৰ এক উৎপাদন। এখন জিলাৰ এটা প্ৰডাক্ট প্ৰমোট কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় বজাৰত নিয়া হ'ব। কৃষকৰ আয় দুগুন কৰা হ'ব । কিন্তু মই যেতিয়া জানিব পাৰিলো যে মোৰ কামৰূপ জিলাতে যিটো বানানা প্ৰডাক্ট লৈছিল, সেই প্ৰডাক্টটো আগবঢ়াই নিয়াৰ কাৰণে তেনেকুৱা কোনো আঁচনি এতিয়ালৈকে কৰা নাই। মই নলবাৰীত গৈ খবৰ ল'লো যে ধানটো লৈছিল, কিন্তু ধানৰ ক্ষেত্ৰত যিটো বাই প্ৰডাক্ট আছে সেইখিনি আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰমোট কৰাৰ কাৰণে এতিয়ালৈকে কিন্তু চৰকাৰে কোনো এটা আঁচনি গ্ৰহণ কৰা নাই । সেই কাৰণে অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে One District, One Product নকৰি আমি ইন্টিগ্ৰেটেড প্ৰডাক্ট কৰিব লাগিব। কাৰণ এখন জিলাত এটা প্ৰডাক্ট কৰিলো কিন্তু আমি বজাৰখন দিব নোৱাৰিলো। আমি ৰ' মেটেৰিয়েলচখিনি সময়মতে নাপালে তেতিয়া কি হ'ব কৃষকৰ? সেই কাৰণে আমি অনুৰোধ কৰিছো যে আমাৰ মন্ত্ৰী মহোদয় এটা প্ৰডাক্টৰ লগত মাননীয় উপাধ্যক্ষ মহোদয়, ফল-মূল বা শাক-পাচলি হওঁক, সেইখিনিও আমি International Market ত নিব পাৰি বা সেই কৃষক সকলক আমি সহায় কৰিব পাৰিম। মোৰ সমষ্টিতে হাজাৰ হাজাৰ বিঘা মাটি পৰি আছে। আমি বিচাৰো যে, কৃষি বিভাগে সেই মাটি বিলাকৰ আঁচনি লওঁক। PGR/VGR আজি যি বিলাক খাচ লেগু পুৰণি হৈ আছে, সেই বিলাক মাটি আমি চৰকাৰে খেতি কৰি তাক উৎপাদনশীল কৰাৰ বাবে চৰকাৰক মই অনুৰোধ জনাইছো। সেই মাটি বিলাকত বে-দখল কৰি তামুল, ৰাবাৰৰ বাগান বনাইছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে এটা ব্যৱস্থা লোৱাটো বিচাৰিছো। মোৰ সমষ্টিত আজি হাজাৰ হাজৰ বিঘাত ধান খেতি হৈ আছে লগতে বিভিন্ন ঠাইত জলকিয়াৰ খেতি হৈ আছে তাৰ ভিতৰত তপামাৰী নামৰ এটা অঞ্চলত ২০০ পৰা ৩০০ মেট্ৰিকটন জলকিয়াৰ উৎপাদন হৈ আছে। এইবোৰ পশ্চিমবংগ, তামিলনাডু আৰু বিহাৰ ৰাজ্যলৈ ৰপ্তানি হৈ আছে। কিন্তু আজিলৈকে কৃষি বিভাগৰ সেই তপামাৰী অঞ্চলটো দৃষ্টিগোচৰ হোৱা নাই। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যে, আমি আঁচনি ঘোষণা কৰাৰ আগতে ক'ত কি বস্তু উৎপাদন হৈ আছে, ক'ত কি বস্তু উৎপাদনৰ সম্ভাৱনা আছে যেনে-তপামাৰীৰ নিচিনা অঞ্চল সেইবোৰ বিষয়ত

বিভাগে গুৰুত্ব আৰোপ কৰিব লাগে। সেই তপমাৰীৰ কৃষকে আজিলৈকে চৰকাৰৰ সাহাৰ্য্য পোৱা নাই। চৰকাৰী বিষয়াও আজিলৈকে গৈ পোৱা নাই। গতিকে সেই অঞ্চলত অতি সোনকালে শীতলিকৃত গৃহ এটাৰ ব্যৱস্থা কৰি সেই অঞ্চলৰ মানুহক জলকিয়াৰ প্ৰকৃত দাম পোৱাত সহায় কৰিব লাগে আৰু লগতে বিভিন্ন ৰাজ্যত ইয়াক ৰাপ্তানীৰ ব্যৱস্থা কৰিব লাগে। আমাৰ খেতি পথাৰত পানী যোগানৰ যথেষ্ট সমস্যা আছে, আগতে আমাৰ কৃষক সকলে ডিজেল মটৰ ব্যৱহাৰ কৰিছিল কিন্তু এতিয়া তেলৰ দাম বঢ়াৰ বাবে তেওঁলোকে আজিকালি বিদ্যুৎৰ তাৰ বিলাকত চুৰি কৰি হ'লেও বিদ্যুৎ চালিত মটৰৰ সংযোগ স্থাপন কৰিছে। যোৱাকালি মই শক্তি মন্ত্ৰীক লগ পোৱাতে কৈছে যে, সেই অঞ্চল বিলাকত বিদ্যুৎৰ উপকেন্দ্ৰ স্থাপন কৰিব লাগে আৰু তাত Dedicated Agriculture Feeder দিয়াৰ ব্যৱস্থা কৰিব লাগে। যাতে কৃষক সকলে সেই ব্যৱস্থাৰ জৰিয়তে কৃষি পথাৰত পানীৰ ব্যৱস্থা কৰিব পাৰে। সেই পানী দিয়াৰ ব্যৱস্থাৰ বাবে কৃষকে বিদ্যুৎ মাচুল দিয়াৰ বাবে সন্মতি আছে। গতিকে অতি শীঘ্ৰে APDCL জৰিয়তে Dedicated Agriculture Feeder দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে মই এটা কথা সংযোগ কৰিব বিচাৰিছো যে আমাৰ যিটো মূল্য বৃদ্ধি ৰোধৰ জৰিয়তে আমাৰ কৃষক সকলে উৎপাদিত শাক-পাচলিৰ যাতে প্ৰকৃত দাম পায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে কাৰণ শাক-পাচলিত প্ৰকৃত দামতকৈ বহুত বেছি দামত গ্ৰাহকে ক্ৰয় কৰিবলগীয়া হৈছে কাৰণ ইয়াত মধ্যভোগীয়ে লাভৰ ভাগটো লৈ আছে। গতিকে ইয়াৰ ওপৰত এটা ব্যৱস্থা ল'ব লাগে। যিহেতু আমাৰ যোগান বিভাগ আছে, কৃষি বিভাগ আছে, তেওঁলোকে মাজে মাজে এই বজাৰ বিলাক পৰিদৰ্শন কৰিব লাগে। যদি কনোৱাই বহুত বেছি দাম ত বিক্ৰী আছে, তেওঁলোকক কৰায়ত্ব কৰক আৰু এই মূল্য বৃদ্ধি ৰোধ কৰাৰ কাৰণে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মোৰ অঞ্চলত যথেষ্ঠখিনি মাটিকঠাল উৎপাদন হয়, সেই অঞ্চলত উদ্যান শস্যৰ যথেষ্ঠ সম্ভাৱনীয়তা আছে। ইয়াৰ ওপৰত মন্ত্ৰী মহোদয়ে গুৰুত্ব আৰোপ কৰিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ বিৰুদ্ধে যি কৰ্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধিতা কৰিছো। কাৰণ আমাৰ এই কৃষি প্ৰধান ৰাজ্যখনৰ এই কৃষি বিভাগটো সুকলমে পৰিচালিত কৰিবলৈ আৰু বেছি ধনৰ প্ৰয়োজন আছে এই কথা বিৰোধী পক্ষইও উপলব্ধি কৰে। তেওঁলোকে বিৰোধী পক্ষ হিচাবে এই কৰ্তন প্ৰস্তাৱ আনিছে। আমিও শাসকীয় দল হিচাবে আমাৰ যিখিনি সফলতা তাৰ বিষয়ে আমি কম। ইয়াৰ লগতে কৃষি বিভাগত যিখিনি সংস্কাৰ কৰিব লগীয়া আছে তাৰ বিষয়েও কম। কিন্তু একেই দিনা সকলোবোৰ সংস্কাৰ কৰাটো সম্ভৱ নহয়। বৰ্তমান চৰকাৰখনে যিটো সদিচ্ছা দেখুৱাইছে এইটোৱে বুজাই যে, পৰ্য্যায়ক্ৰমে সংস্কাৰ সাধন হ'ব। এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই হওঁক বা কৃষি মন্ত্ৰী ডাঙীয়াই যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, সেইখিনি অতি গুৰুত্বপূৰ্ণ। আমাৰ ৰাজ্যখনক দেশৰ ৫ খন ৰাজ্যৰ ভিতৰত ৰাখিবলৈ যিটো ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে এই কৃষি বিভাগটো আৰু উন্নত কৰিব লাগিব। কাৰণ কৃষি বিভাগৰ জৰিয়তে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি আত্মাৰ নিৰ্ভৰশীল ভাৰতৰ সপোন দেখিছে লগতে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি আত্ম নিৰ্ভৰশীল অসম ইয়াৰ জৰিয়তে গঢ়িব বিচাৰিছে, ইয়াৰ যিটো উৎপাদমুখী যাত্ৰা তাক আৰু শক্তিশালী কৰিব লাগিব। কৃষি বিভাগৰ আন্তঃগাঠনি উন্নয়নৰ বাবে বৰ্তমান যি ব্যৱস্থা আছে যে আমাৰ ADO Office এটা সময়ত নাছিলে অসমত কিন্তু কৃষি কাৰ্য্য সকুলমে পৰিচালনা কৰাৰ লগতে কৃষকৰ লগত সম্পৰ্ক ৰাখিবৰ

বাবে যি খণ্ড ভিত্তিক কাৰ্য্যলয় সেই কাৰ্য্যালয় নাছিলে। গতিকে আমি চৰকাৰক ধন্যবাদ দিব লাগিব যে, আমি খুব সম্ভৱ ৩৮০ ADO Officer আছে তাৰ ভিতৰত আছে ১০০ টা ADO Office. আমাৰ চৰকাৰে নিৰ্মাণ কাৰ্য্য ইতিমধ্যে আৰম্ভ কৰি আছে। ইয়াৰ লগতে জ্ঞানকেন্দ্ৰ আছে ৭৯ টা। এই কেন্দ্ৰ বিলাকৰ কামো আমাৰ চৰকাৰে আৰম্ভ কৰিছে। আমাৰ চৰকাৰে যি দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰিছে তাৰ ফলত একেদিনাই গোটেইখিনি কাম নহয়, প্ৰথমতে আন্তঃগাঠনি উন্নয়ন কৰিব লাগিব তাৰ বাবে ADO Office জ্ঞানকেন্দ্ৰ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সাৰটোক বাদ দি যি জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য্য কৰা যি পৰিকল্পনা গ্ৰহণ কৰিছে এই বিষয়ে মই এগৰাকী কৃষক হিচাবে কিছু অভিজ্ঞতা লাভ কৰিছো। জৈৱিক পদ্ধতিৰে আমি কৃষি কাৰ্য্য কৰিব লাগিব। ৰাসয়নিক সাৰৰ ক্ষেত্ৰত যিটো কেলেংকাৰী বিভিন্ন সময়ত সদনত আলোচনা হৈ আহিছে। যোৱা ২ ছেপ্তেম্বৰৰ দিনা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কন্যাকা বহুমুখী পাম যেতিয়া পৰিদৰ্শন কৰিছিল আৰু তেতিয়া খেতিয়ক সকল আহি এই ৰাসয়নিক সাৰৰ সমস্যাটো অৱগত কৰিছিল, তেতিয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিষয়া সকলক ধমকি দি কৃষি মন্ত্ৰীৰ লগত আলোচনা কৰি যিটো পদক্ষেপ গ্ৰহণ কৰিলে যে, স্বাধীনতাৰ পিছৰ পৰা আমাৰ অসমৰ উত্তৰ অঞ্চলত সাৰৰ ৰেট লগা নাছিল। প্ৰথমবাৰৰ কাৰণে সাৰৰ ৰেট ডেকা গাওঁত লাগিছে আৰু লক্ষীমপুৰতো ৰেটৰ ব্যৱস্থা হৈছে। আমাৰ এই উত্তৰ অঞ্চলত খেতিয়ক সকল যিটো সমস্যাৰ সন্মুখীন হৈ আছিল, ক্ষুদ্ৰ চাহ খেতি সকলেও যিটো সমস্যাৰ সন্মুখীন হৈ আছিল কিন্তু শেষৰ অংশ সাৰ আমাৰ ক্ষুদ্ৰ চাহ খেতি সকলেও পাবলৈ সক্ষম হৈছে। গতিকে মই আহ্বান জনাইছো যে, এই বছৰটো যাতে সাৰ শুকলমে পায়। তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ লগতে আমাৰ যিটো বীজ উৎপাদনৰ ব্যৱস্থা আছে আগতে আমি বীজৰ কাৰণে বাহিৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া আছিল। এই ক্ষেত্ৰত হাইব্ৰীড চিডৰ কথাটো বেলেগ। কিন্তু High Yelding Seeds যিটো আমাৰ Varity আছে, সেইটো আমাৰ ৰাজ্যত উৎপান কৰিব পৰাকৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাটো আৰু ক্ষীপ্ৰতাৰ কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত কৃষি বিশ্ববিদ্যালয়ৰ লগতে কেনে ধৰণে পৰিকল্পনা কৰি High Yelding Seeds উৎপাদন কৰিবলৈ যিটো পদক্ষেপ গ্ৰহণ কৰিছে ই এক যোগান্তকাৰী পৰিৰ্বতন আনিব। তামিলনাড়ু, কেৰেলা আৰু কৰ্ণাটতকত বীজ বেলেগ ৰাজ্যৰ পৰা নলৈ নিজৰ ৰাজ্যতে উৎপাদন কৰে, সেই ধৰণে আমিও অসমত বীজ উৎপাদন ক্ষেত্ৰত অতি গুৰুত্ব আৰোপ কৰাৰ ক্ষেত্ৰত চৰকাৰখনে যিটো পদক্ষেপ গ্ৰহণ কৰিছে এই ক্ষেত্ৰত মই আশা কৰিম যে, আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰক। লগতে PM কিষাণৰ ক্ষেত্ৰত কেনেকৈ ৩১ লাখ দুষ্ট চক্ৰই পইচা পাইছিল। আগতে কিছু ভুল হৈ গৈছে, এই সদনতে বহু অভিযোগ আহিছিল। প্ৰায় ৩১ লাখ কৃষকৰ লিষ্ট কেনেকৈ দুষ্ট চক্ৰই পি এম কৃষানৰ পইচা পোৱা ব্যৱস্থা কৰিছিল। তাৰ পিছত এনকুৱাৰি হৈছে। এনকুৱাৰি হোৱাৰ পিছত ১৯ লাখ হৈছে। তাৰ পিছত আমাৰ এই চৰকাৰৰ দিনত আকৌ এনকুৱাৰি হৈ ৬ লাখ হ'ল। কিন্তু মাটিৰ পট্টা নথকাৰ কাৰণে বা কিছুমান কৃষকে নোপোৱাৰ ক্ষেত্ৰত কেবিনেটে যিহেতু সিঠিল কৰি গোটেই সিদ্ধান্তটো গ্ৰহণ কৰি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে, হয়তো এতিয়া ১২ লাখতকৈ বেছি কৃষকে এই PM কৃযাণৰ পইচা পাবলৈ সক্ষম হৈছে। আমাৰ ফচল বীমা যোজনাৰ কথা আমাৰ বিধায়িকা নন্দিতা দাস ডাঙৰীয়ানীয়ে কৈছে। এই ফচল বিমা যোজনাত যেনেকৈ সুবিধা পাব লাগে তেনেকৈ পোৱা নাছিল। কিন্তু আমি সুখী হৈছো যে বৰ্তমান চৰকাৰে পেনডিং হৈ থকা প্ৰায় আঢ়ৈশ কোটি টকা, যিটো প্ৰিমিয়াম জমা দিব লাগে, বৰ্তমান চৰকাৰৰ মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত ক'ব যে এই পইচা জমা দিয়াৰ কাৰণে ফচল বীমা

যোজনাৰ যিটো সুবিধা কৃষক ৰাইজে পাব লাগে, সেইটো পাবলৈ সক্ষম হ'ব। এইটো আমাৰ চৰকাৰৰ কাৰণে ডাঙৰ achievement । গতিকে আমি কৃষিক্ষেত্ৰখন আগুৱাই নিবৰ কাৰণে কৃষক সকল স্বনিৰ্ভৰশীল হ'বৰ কাৰণে, বৰ্হি ৰাজ্যত থকা লাখ লাখ ল'ৰাক কৃষি কৰ্মৰ জৰিয়তে তেওঁলোকক স্বনীৰ্ভৰশীল কৰিবৰ কাৰণে, চৰকাৰখনে যি পৰিকল্পনা গ্ৰহণ কৰিছে, সংগঠিত ৰূপত কৃষি বিপ্লব কৰিবৰ কাৰণে যিটো পৰিকল্পনা কৰিছে, আমি শাসক বিৰোধীয়ে সকলোৰে এই ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজন আছে। কিছু ক্ষেত্ৰত গৰুখুটিৰ প্ৰকল্পৰ কথা আহিছে। গৰুখুটিৰ প্ৰক ল্পটো কৰিবলৈ যাওঁতে আমি যথেষ্ট বাধাৰ সন্মুখীন হৈছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো সিদ্ধান্ত লৈ চৰকাৰৰ ফালৰ পৰা দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰিছে, আমি যেতিয়া কামখিনি কৰিবলৈ গৈছো তাত আমাৰ বিধায়ক মৃনাল শইকীয়া, ড° পৰমান্দ ৰাজবংশী, দিলীপ শইকীয়া এম.পি. তেখেতো আছে। তাত আমি বিভিন্ন অসুবিধাৰ সন্মুখিনও হৈছো। আমাৰ যুৱক সকলক কৃষিকৰ্মত লগাবৰ কাৰণে, আমাৰ যিমানখিনি কষ্ট কৰিব লগা হৈছে , সেই পৰিবেশ আনিবৰ কাৰণে চৰকাৰে যথেষ্ট আন্তৰিকতাৰে কাম-কাজ কৰি আছে। হয়, যে উচ্ছেদ কৰা হৈছে? আমাৰ ল'ৰাই খেতি কৰিব ক'ত ? আমি বাস্তৱ অভিজ্ঞতাৰ পৰা দেখিছো যে কিছু সংখ্যক মানুহে, মই সকলো সন্দেহজনক নাগৰিক বুলি নকওঁ, তাত সন্দেহজনক নাগৰিকো আছে। কিন্তু জমিদাৰী কিছু প্ৰথা মানুহে শ শ বিঘা মাটি নিজে লৈ শ্ৰমিকক কিছু পইচা দি খেতি-বাতি কৰায়। উৎপাদৰ জৰিয়তে গোটেই বজাৰখন দখল কৰাৰ যিটো কাম তেওঁলোকে কৰি আছে, আমি নিবনুৱা সকলক স্বনীৰ্ভৰশীল কৰিবৰ কাৰণে সংগঠিত ৰূপত কৃষি কৰ্ম কৰিবৰ কাৰণে কিছু উচ্ছেদ কৰাৰ প্ৰয়োজন আছে। সাৰুৱা মাটি আমাৰ ল'ৰাক যোগাৰ কৰি দিব লাগিব, ন'হলে ল'ৰাখিনিয়ে কেনেকৈ কৰিব ? যিয়ে গোটৰ পৰা পইচা লৈ বেংকলৈ গৈ লোণৰ কাৰণে তাত বাতি কৰা, হতাশাত ভোগি বহিঃ ৰাজ্যত গৈ তাতো হতাশ হোৱা, এই ল'ৰাখিনিক চৰকাৰে এটা সিদ্ধান্ত লৈ স্বনিৰ্ভৰশীল কৰিবৰ কাৰণে সমবায় ভিত্তিত কৃষি কৰ্ম কৰিবৰ কাৰণে বাজেটতো ধন ধাৰ্য্য কৰিছে। এই কাম খিনি কৰিবলৈ যাওঁতে কিন্তু আমি, বিৰোধী দলৰ বিধায়ক সকলকো আহ্বান জনাইছো, যে উচ্ছেদ কৰি ক'ৰবাত ক'ৰবাত মাটি মোকলাই দি ফাৰ্মিং কৰিবৰ কাৰণে, মাছ, মাংস, গাখীৰকে ধৰি আমাৰ শাক, চবজি , মাহ জাতীয় সামগ্ৰী ধান আদি উৎপাদন কৰি আমাৰ চৰকাৰে যেনেকৈ বজাৰখন দিবলৈ চেষ্টা কৰিছে, ধানৰ উচিত মুল্য নোপোৱাৰ কাৰণে আজিৰ মানুহে ধান খেতি কৰিবলৈ ইচ্ছা নকৰে। এতিয়া আমাৰ চৰকাৰে যিটো সদিচ্ছা প্ৰকাশ কৰিছে কৃষকৰ কাৰণে লগতে উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে যিটো ব্যৱস্থা হাতত লৈছে, তাতো আমাৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজন আছে। গঠনমুলক চিন্তা আগবঢ়োৱাৰ প্ৰয়োজনীয়তা আছে। গতিকে সেই কাৰণে আমাৰ চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে, কৃষকে বিক্ৰী কৰা ধান খেতিৰ যি উচিত মুল্য ব্যৱস্থা কৰিছে, মইটো আহ্বান জনাম যে মাহ জাতীয় সামগ্ৰী আৰু অন্যান্ন সামগ্ৰীৰ কথা মাকৈ খেতিৰ কথাও সেইদিনা কোনোবাই কৈছে, সেইখিনিও চৰকাৰে কিনাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া উৎপাদনমুখী যিটো যাত্ৰা, এই যাত্ৰা কৰিবলৈ যাওঁতে আমাৰ যুৱক সকলক সংগঠিত ৰূপত সমবায় ভিত্তিত কৃষি কৰ্ম কৰিবলৈ যাওঁতে আমাৰ চৰকাৰে মাটি যোগাৰ কৰি দিয়াৰ কিছু দায়িত্ব গ্ৰহণ কৰিব লাগিব। তাৰ কাৰণে কোনোবাই হাজাৰ বিঘা মাটি দখল কৰি যদি অকলে খেতি কৰি আছে, চৰকাৰী ভূমি বেদখল কৰি যদি খেতি কৰি আছে, সেইখিনি উচ্ছেদ কৰি হলেওঁ, আমি আহ্বান জনাব লাগে, তেওঁলোকক এৰি দিবৰ কাৰণে, উচ্ছেদ কৰি হলেওঁ আমি সমবায় ভিত্তিত কৃষি কৰ্ম কৰিবৰ কাৰণে এটা যাত্ৰা আমাৰ চৰকাৰৰ ফালৰ পৰা কৰাৰ প্ৰয়োজন আছে। কৃষি বিভাগৰ ফালৰ পৰাও পদক্ষেপ লোৱাৰ

প্ৰয়োজন আছে। হয়, কৃষি বিভাগত বিষয়া কৰ্মচাৰী কম আছে। এতিয়া চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে, যে যিখিনি আছে, সেইখিনিয়েওঁ যাতে সততা , নিষ্ঠাৰে সকলোৱে যাতে কাম কৰে তাৰ কাৰণে আমি পৰিবেশ দিব লাগে। মই মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে এতিয়াওঁ একাংশ বিষয়া আছে, তেওঁলোকে জিলালৈ যাব টান পায়। তেওঁলোকে পথাৰলৈ যাবলৈ টান পায়। সেই বিষয়া সকলে দৰকাৰ হলে কৃষি বিভাগত চাকৰি কৰিব নালাগে। কৃষি বিভাগৰ বিষয়াই পথাৰলৈ যাবই লাগিব। জিলাই জিলাই ঘুৰিব লাগিব। ক'ত কি
সম্ভাৱনীয়তা আছে। সেই কামখিনি কৰিবৰ কাৰণে আমাৰ চৰকাৰে শক্তিশালি পদক্ষেপ ল'ব লাগে। কাৰো মুখলৈ ছোৱাৰ প্ৰয়োজন নাই। যদি কৃষি প্ৰধান ৰাজ্যখনত আমি অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবলৈ বিচাৰিছো, তেতিয়া হলে বাধ্য কৰিব লাগিব যে তেওঁলোকে অফিচত বহি নহয়, ফিল্ডত গৈ কাম কৰিবৰ কাৰণে আমি বাধ্য কৰিব লাগিব। ইয়াত আমি এটা সংস্কাৰ কৰাৰ প্ৰয়োজন আছে। সমালোচনা গঠনমুলক কৰক, যি সমালোচনাই আমাৰ ৰাজ্যখনৰ অৰ্থনীতিক শক্তিশালী কৰিব লাগিব। যি সমালোচনাই আমাৰ নিবনুৱা সকলক স্বনীৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত আত্মনীৰ্ভৰশীল অসম গঢ়াৰ ক্ষেত্ৰত আমি উপকৃত হ'ব পাৰো। মুখ্য মন্ত্ৰী ডাঙৰীয়াই সেই দিনা কৈছে যে শ্ৰীৰামপুৰ গেটত কেনেকৈ ট্ৰাকে ট্ৰাকে বস্তু আহি আছে, কেনেকৈ গাখীৰ আহি আছে, কেনেকৈ মাছ, মাংস আহি আছে? ৰাজস্থানৰ মাৰোৱাৰী সম্প্ৰদায়ৰ মানুহে মাংস নাখায়। কিন্তু মাংস বিক্ৰী কৰে। তাৰ পৰা গাহৰি, ছাগলী আনি ইয়াত বিক্ৰী কৰে। আমাৰ ল'ৰা-ছোৱালীক সংগঠিত ৰূপত উৎপাদন কৰাৰ এই ব্যৱস্থাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি পদক্ষেপ লৈছে, তাত আমি শাসক বিৰোধী সকলোৱে সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজনীয়তা আছে। গতিকে মই আহ্বান জনাইছো যে আমি পথাৰখন দখল কৰি পথাৰত কাম কৰি আমি বজাৰখন দখল কৰিবৰ কাৰণে থলুৱা যুৱক যুৱতীক যিটো সংগঠিত ৰূপত কাম কৰাৰ যিটো প্ৰয়োজন আছে, কৰ্মমুখী হোৱাৰ প্ৰয়োজন আছে, কাম কৰিবলৈ লাজ নোপোৱাৰ যিটো পৰিবেশ গঢ় দিয়াৰ প্ৰয়োজন আছে, এই ক্ষেত্ৰত আমি সকলোৱে দায়বদ্ধতাৰে সকলো বিধায়কে কাম কৰাৰ প্ৰয়োজনীয়তা আছে। গতিকে এইখিনি কৈ মই এই আশাই কৰিছো, আমি সংগঠিত ৰূপত কৃষি কৰ্ম কৰি বজাৰখন দখল কৰিবৰ কাৰণে কাম কৰাৰ পৰিবেশ গঢ় দিবলৈ চৰকাৰে চেষ্টা কৰিছে আৰু মইয়ো এটা দায়িত্ব লৈ গৰুখুটি প্ৰকল্প আৰু কণ্যাকা ও আমি এটা যাত্ৰা আৰম্ভ কৰিছো। তাত আপোনালোকৰ সহযোগিতা কামনা কৰি কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া মাননীয় সদস্য আমিনুল ইছলাম জুনিয়ৰ। আপোনালোকৰ ২৫ মিনিট আছে আৰু ৫জন সদস্যই নাম দিছে । ৫ মিনিট ৫ মিনিট কৈ সকলোৱে পাব।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিছো যে আমাৰ Agriculture Department যিটো বিভাগ আমাৰ এটা শক্তিশালী বিভাগ আৰু যিটো বিভাগৰ ওপৰত আমাৰ গোটেই ৰাজ্যৰ Economy depend কৰিছে প্ৰায় 70% মানুহ ডাইৰেক্টলী বা ইন ডাইৰেক্টলী ইয়াৰ লগত জড়িত। লগতে আমি দেখিছো যে আমাৰ জিঅ'গ্ৰাফিকেল এৰিয়াত allmost 38% area আমাৰ Agriculture ত ব্যৱহাৰ হৈ আছে। এটা big sector. এই sector ত আজি কৰ্তন প্ৰস্তাৱ আহিছে আৰু এই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মোক দুআষাৰ ক'বলৈ দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ ৰাজ্যত GSDP ৰ 20% revenue কেৱল কৃষি খণ্ডৰ পৰা আহে। এই Agriculture ৰ কৰ্তন প্ৰস্তাৱটো মই এই কাৰণেই সমৰ্থন কৰিছো যে আজি যিটো হাৰত হ'ব লাগিছিল, যিটো পৰিমাণে এৱাৰনেচ হ'ব

লাগিছিল, যিধৰণে আমাৰ বাকী আঁচনি সমূহ ঘোষণা কৰা হৈছে, মই আঁচনি সমূহৰ বিপক্ষে নাযাওঁ। সেই আঁচনি সমূহ established কৰিবৰ কাৰণে বা সেই আঁচনি সমূহ সফল কৰিবৰ বাবে আৰু বহুত টকাৰ প্ৰয়োজন। কিন্তু আমি দেখিছো এইটো up to the mark হোৱা নাই। আজি seeds, fertiliser, pesticides আদিত ব্যাপক ধৰণৰ সমস্যা। Seeds যিটো সময়ত আহিব লাগে সেইটো আমি সময়ত দিব পৰা নাই। যদি মৰাপাটৰ গুটি যদি দুমাহ পিছত আহে, বানপানী আৰম্ভ হৈ যায় তেতিয়া আমি মৰাপাটৰ গুটিয়েদি কি কৰিম? যিটো fertiliser ৰ সময় সেই সময়ত আমি fertiliser দিব নোৱৰো। তেতিয়া আমাৰ কি লাভ হ'ব? Pesticides টো আমাৰ যদি পিছত আহে আমি যদি ব্যৱহাৰেই কৰিব নোৱাৰো সেই pesticides ৰ পৰা আমাৰ কি কাম আহিব। আমি দেখিছো যে মাৰাত্মক ভাৱে এটা গেপৰ সৃষ্টি হৈছে। যিটোৰ কাৰণে এই কৰ্তন প্ৰস্তাৱক মই সমৰ্থন কৰিছো। এতিয়া আমাৰ এম এচ পি ৰ জৰিয়তে ৰাইচ প্ৰকিউমেণ্টৰ ব্যৱস্থা কৰা হৈছে। দহ লাখ মেট্ৰিকটন কিনা হ'ব। আমাৰ গোদাম কিমান আছে? দহ লাখ মেট্ৰিকটন ৰাখিব পৰা আমাৰ ঠাই ক'ত? আমি কেৱল চেটিচফাই কৰিবৰ কাৰণে ক'লে নহ'ব। এম এচ পি ৰ আজি জে চি আৰৰ জৰিয়তে যি জুট হ'ব লাগে সেইটো হৈ থকা নাই। বাকী দালি যিবিলাক আছে সেই বিলাকৰ ক্ষেত্ৰতো হোৱা নাই। সাৰৰ ক্ষেত্ৰত আমি যোৱাকালি দেখিছো যে সাৰৰ ২৬৬ যিটো ৪৫ কিলো ৰেট ফিক্স আছে এই ৰেটৰ ট্ৰান্সপোৰটেশ্যন Cost টো কলৈকে দিব। আমাৰ য'ত আনলোড হ'ব তালৈকে, নে এজেণ্টৰ ষ্টেশ্যনলৈকে, নে ৰিজ'নেল ষ্টেশ্যনলৈকে? যদি ৰেটৰ পইণ্টত দিয়া হয় তেতিয়াহ'লে আমাৰ ৰিটেলাৰৰ দোকানলৈকে যিটো cost সেইটো কোনে বহন কৰিব? আজি 266 যিটো এম আৰ পি ফিক্স কৰা হৈছে সেইটো দিব পৰা নাই। মই দেখিছো মোৰ জিলাখনত প্ৰতিবেগ সাৰৰ লগত দুটাকৈ ভিটামিন কম্পালচৰী ল'ব লাগে। এইটো কৃষি বিভাগৰ কেনেকুৱা কথা মই বুজি পোৱা নাই। এই যিটো চাবচিডি চীচটেম, এই চাবচিডিৰ আজিলৈকে সাৰৰ যিটে উচিত মূল্য সেইটো নিৰ্দ্ধাৰণ কৰিব পৰা হোৱা নাই যাৰ বাবে গোটেই অসমত এটা ব্যপক খেলিমেলি সাৰৰ ক্ষেত্ৰত হৈ আছে। আজি হাইব্ৰীড চিডচ্ ৰ কথা পতা হৈছে। কণী, মাছ, মাংস, ব্ৰইলাৰ, গাহৰি আদিৰ কথা পতা হৈছে। এফ পি অ' ৰ জৰিয়তে যিটো কৰিব বিচৰা হৈছে আমি এইটো ৰেল কাম কৰিব বিচাৰো কাৰণ এইটো প্ৰেকটিকেলী এফ পি এ ৰ জৰিয়তে হওঁক। অকল গৰুখুটিত নহয় গোটেই অসমতেই হওঁক। প্ৰতিটো চৰাঞ্চল, পৰ্বতাঞ্চতে হওঁক। খেতি কৰিবৰ বাবে কাৰোবাক উচ্ছেদ কৰি, অসমৰ ভূমিত আজিলৈকে হোৱা নাই যে কাৰোবাক উচ্ছেদ কৰি কৰিব লাগিব। সঁচাকৈ যদি তাত দুশ-তিনিশ, পাঁচশ বিঘা মাটি দখল কৰি আছে সেইবিলাকৰ কাৰণে এটা চীচটেম আনক। এটা ৰেগুলেশ্যন আনক। যদি সেই মাটি বিলাকত তেখেত সকলে খেতি কৰে তেতিয়াহ'লে এটা চাৰ্ভে কৰি টেক্স ইম্প'জ কৰা হওঁক। লাষ্ট বিধান সভাত মই চুপাৰীৰ কথাটো আনিছিলো। আজি বৰাক ভেলীত চুপাৰী ট্ৰাকে ট্ৰাকে জ্বলাই দিয়া হৈছে। কোটি কোটি টকা জ্বলাই দিয়া হৈছে। মোৰ সমষ্টিত চুপাৰীৰ কোনো ডাঙৰ বাগিচা নাই। কিন্তু ইণ্টাৰ মেঘালয়ৰ চাৰিখন জিলাৰ চুপাৰী কৃষ্ণাই, মানকাছাৰ, গোৱালপাৰাৰ কিছু অংশত সেইটো বিক্ৰী হৈ আছে। যোৱা এচেম্বলীত মোৰ পৰামৰ্শ আছিল যে চুপাৰীৰ কাৰণে টেক্সটো চৰকাৰৰ ৰাজহত আহক। এতিয়া পাৰ কিলো ত্ৰিশ টকা কোনে লৈছে, কাৰ পৰা কেনেকৈ লৈছে, কিহৰ জৰিয়তে লৈছে সকলো কথা আমি জানো। মই সকলো কথা ক'ব খোজা নাই। এটা কথায়ে কৈছো যে সৰু সৰু যিবিলাক ব্যৱসায়ী আছিল তেখেত সকলক মাৰি দিয়া হৈছে। আজি স্থানীয় বাচত আমাৰ মানকাছাৰৰ পৰা বিজয় নগৰ নাইবা গুৱাহাটী বা কৃষ্ণাইলৈ আহিবৰ কাৰণে পাৰ

কেজি বিশ টকাকৈ দিব লগীয়া হৈছে। মুঠ পঞ্চাশ টকা দিব লগা হৈছে। যদি পাৰ কেজি পঞ্চাশ টকা মধ্য ভোগীয়ে খাই ইয়াত মধ্যভোগী কোন আৰু ক'ৰ? মোৰ প্ৰশ্নটো হৈছে যে যদি প্ৰয়োজন হয় এটা ৰিজ'লিউশ্যন কৰি এইটো ষ্টেটৰ ৰেভিনিউত জমা দিয়া হওঁক। এইবোৰ নকৰি কি কৰি আছে? পুলিচক সুধিলেও কয় এইটো ওপৰৰ পৰা অহা নিৰ্দ্দেশ। গোটেই নামনি অসমৰ চুপাৰী ট্ৰাকবোৰ এটা চিণ্ডিকেটৰ পৰা গৈ আছে। টাটা টান্সপোৰটেশ্যনৰ জৰিয়তে যাব পাৰি বেলেগ ট্ৰান্সপোৰটেশ্যনৰ জৰিয়তে যাব নোৱাৰি। এইটো আমি ক'ব পাৰো যে এইটো অতি সোনকালে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক নহ'লে এটা ডাঙৰ ক্ষতি হৈ আছে। আমাৰ ষ্টেট লেভেলত যিখিনি খালী পদৰ কথা কোৱা হৈছে তাৰ ওপৰত মই দুই-চাৰিটা কথা ক'ব বিচাৰিছো। আমাৰ জিলাখন ২০১৬ চনত হৈছে। এই জিলাখনত জিলা কৃষি বিষয়াৰ ১১ টা পদৰ কাৰণে আজিলৈকে ক্ৰিয়েশ্যন হোৱা নাই। জিলা কৃষি বিষয়াৰ পদৰ পৰা ড্ৰাইভাৰলৈকে এটাও পদ ক্ৰিয়েশ্যন হোৱা নাই। আমাৰ বৰ্তমান চাব ডিভিজন লেভেলত যিখিনি ষ্টাফ আছে তাৰ ভিতৰত আমি দেখিছো যে ৫৬ টা পদ থাকিব লাগে কিন্তু ১৭ টা পদ হে আছে। আমাৰ জিলাত এগ্ৰিকালচাৰ এক্সেটেনশ্যন অফিচাৰৰ পদ আছে ২৭ টা। তাৰ ভিতৰত ২৪ টা পদেই খালী হৈ আছে। মাত্ৰ তিনি জনৰ দ্বাৰাহে অফিচ চলাব লগীয়া হৈছে। আমি দেখিছো যে আমাৰ জিলাত ষ্টেট চিড ক'ৰপোৰেশ্যনৰ চাৰিটা পদ আছে। তাৰ ভিতৰত তিনিটা পদ ক্ৰিয়েশন হোৱা নাই। এগ্ৰিকালচাৰৰ এক্সিকিউটিভ ইঞ্জিনিয়াৰৰ পদ আমাৰ জিলাত ৮ টা পদ আছে। তাৰ ভিতৰত ৩ টা পদ ক্ৰিয়েশ্যন হোৱা নাই। বেলেগ জিলাৰ পৰা দুটা পদ আনি চলাই থাকিব লগীয়া হৈছে। আমাৰ জিলাত এচিচটেণ্ট এক্সিকিউটিভ ইঞ্জিনিয়াৰৰ এটা পদ আছে। সেই পদটো মঙ্গলদৈ জিলাৰ লগত এটাচ্ হৈ আছে। মান কাছাৰ ক'ত আৰু মঙ্গলদৈ ক'ত। আমাৰ এটা পাৰ্টত চি এচ এচ ৰ আত্মা চৰ অঞ্চলৰ জিলাৰ ন টা পদ তাৰে এটা পদহে এইচ্ এন টেকন'লজিৰ মেনেজাৰ পদ আছে। বাকী আঠটা পদেই খালী হৈ আছে। আমি যদি গোটেই জিলা খনৰ কথা কওঁ তেতিয়াহ'লে দুই বা তিনি শতাংশ মানুহ আছে, বাকী ৯৮ শতাংশ মানুহ নাই। ঠিক সেইদৰে আমি যদি গ্ৰামসেৱকৰ কথা কওঁ তেতিয়াহ'লে এখন জিলাত যদি কৃষি খণ্ডত কি বেমাৰ হৈছে, কেতিয়া Pesticides লাগিব, কেতিয়া সাৰ লাগিব, কেতিয়া কি কি বস্তু লাগিব সেই গোটেই বস্তুখিনিৰ কাৰণে যদি আমাৰ গ্ৰাম সেৱক নাথাকে, ফিল্ড অফিচাৰ নাথাকে তেতিয়াহ'লে কোনে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব? এই কথাবোৰৰ কাৰণে অতি সোনকালে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু কৃষি খণ্ডৰ ওপৰতে যিহেতু আমাৰ ইক'নমিটো নিৰ্ভৰ কৰে গতিকে এই ইক'নমিটো জীয়াই ৰাখিবৰ কাৰণে অতি সোনকালে এটা ফলপ্ৰসু ব্যৱস্থা কৰিলে ভাল হয়। বেছিকৈ এগ্ৰিকালচাৰ কলেজ, বিশ্ববিদ্যালয় হওঁক আৰু ইয়াৰ বাবে ৰিচাৰ্চ কৰা ৰ ব্যৱস্থা হওঁক আৰু লগতে এৱাৰনেচৰ ব্যৱস্থা ভালদৰে কৰক। উন্নত ৰাজ্যবোৰে কি দৰে স্কীমবোৰ কাৰ্য্যকৰী কৰি আছে তেনেকুৱা এটা ব্যৱস্থা গ্ৰহণ কৰক। এইবোৰৰ কাৰণে যিখিনি বিল বা বাজেট আনিছে বা যিটো প্ৰস্তাৱ ইয়াত আনিছে আমি বিচাৰিছো যে এইটো কৰ্তন কৰা হওঁক নহ'লে এইটো ইম্পলিটেশ্যন হোৱা নাই। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী বিদ্যা সিং ইংলেং ডাঙৰীয়া।

**শ্ৰী বিদ্যা সিং ইংলেং (ডিফু) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় কৃষি বিভাগৰ মন্ত্ৰী যি কৃষি বিভাগৰ প্ৰস্তাৱ দাঙি ধৰিছে মই তেখেতৰ প্ৰস্তাৱটো সাদৰেৰে সমৰ্থন জনাইছো আৰু লগতে বিৰোধী পক্ষৰ যিটো কৰ্তন প্ৰস্তাৱ ঘোৰ বিৰোধীতা কৰি মই কেইটামান কথা ক'বলৈ ওলাইছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই যিদৰে অসমৰ খেতিয়ক সকলক

সুবিধাৰ বাবে আৰু তেওঁলোকৰ উপাৰ্জন বৃদ্ধিৰ বাবে যি চেষ্টা কৰিছে সঁচাকৈয়ে শলাগ ল'ব লগীয়া। প্ৰথমতে মই বিশেষকৈ ধানৰ দামৰ কথা ক'বলৈ ওলাইছো। এই বছৰ যিটো ধানৰ দাম আগতে হৈছেনে? হোৱা নাই। .ৰাইজে কিন্তু এক কুইণ্টলত ১,৯৫০ , ডিভাইড কৰি লওঁক। ১ শ ৰে, ধানৰ দাম ১ কেজিত ২০ টকা ধৰক। গতিকে আপোনালোকে এতিয়া চিন্তা কৰক, আমাৰ বৰ্তমানৰ অসম চৰকাৰে কি ধৰণৰ ব্যৱস্থা লৈছে। অসম চৰকাৰে বিশেষকৈ কৃষি বিভাগত কি কি কৰিছে। মাননীয় সদস্য শ্ৰীপদ্ম হাজৰিকা ডাঙৰীয়াই কৈছে যে আমাৰ খেতি পথাৰত যুৱকসকলে বোকাত নামিবলৈ টান পাইছে, গৰুৰ লগত হাল ববালৈ টান পাইছে। আজি অসম চৰকাৰে চিন্তা কৰিছে যে শিক্ষিত যুৱকসকলেও খেতি কৰক। সেই হিচাপে Power Tiller, Tractor subsidy rate ত দিছে। Tractor লৈ যদি হাল বাবলৈ যায়, বুটজোতা যদি পিন্ধে, দুখীয়া লৰা, পঢ়া শুণা থাকিলেও হাল বাবলৈ ভাল । মই এদিন কৈছিলো যদি চুট-বুট লগাই tractor লৈ হাল বাবলৈ যায়, সেই লৰাজনক পঢ়া-লিখা ছোৱালীয়েও ভাল পাব, চাকৰি নকৰিলেও IAS, ACS সেইটো নহলেও ভাবিব লৰাটো ঠিকে আছে, পঢ়াতো ভাল graduate, হালো বাইছে, এই লৰাটোৰ লগত বিয়া পাতিলে মোৰ আপত্তি নাই, চলিব পাৰিম। এনেকৈ সুন্দৰ প্ৰস্তাৱৰে সেইটো দেখুৱাই দিছে। এতিয়া ধান কাটিবলৈ হলে কাচিখনৰো দৰকাৰ নহয়। আগতে ধান কাটিবলৈ কাচিৰ দৰকাৰ আছিলে। গৰু পিছে পিছে ঘুৰি থাকিব লগীয়া হৈছিলে মৰান মাৰিবলৈ। এতিয়া ধান কটাৰ কাৰণে মেচিন, tractor ৰ দ্বাৰা মৰনা মাৰিছে আৰু ধান এক সপ্তাহতে ওলাই বিক্ৰী কৰিব পাৰে।

Agriculture College কাৰ্বিআংলংত হ'ব বুলি কৈছে, ইমান ভাল পাইছোঁ। মাননীয় উপাধ্যক্ষ মহোদয় সমষ্টি আৰু মোৰ সমষ্টিত সিংহাশন পাহাৰত কিমান যে আদা খেতি ভাল হয় আৰু এই আদা অকল অসম বা ভাৰততে নহয় বিদেশলৈ ৰপ্তানী কৰি আয় কৰি আছে।

কাৰ্বি আংলঙত কুঁহিয়াৰৰ খেতি ভাল হয়। মাননীয় মন্ত্ৰী মহোদয় আপুনি এটা Suger Mill বহাবলৈ প্ৰচেষ্টা কৰক, তাৰ কাৰণে মাটিও আছে।

আমাৰ কাৰ্বি আংলঙত বিশেষকৈ কাজিৰঙাৰ ওচৰে পাজৰে আনাৰসৰ খেতি ইমান ভাল হয়, তাৰ পৰা juice উৎপাদন কৰিছে। সেই খেতিয়ক সকলক যদি incentive দি দিয়ে, subsidy দিয়ে, তেখেতসকলে খূব ভাল পাব। তাত Industry খুলিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সহায় কৰিব লাগে।

ধান কিনাৰ ক্ষেত্ৰত অসম চৰকাৰে সকলোকে কৈছিলে যদি FCI Godown নাই, উঠি অহা ডেকা লৰা বিলাকে Godown বনাব পাৰে। সেই godown বনোৱাতে ১০ কোটি টকা যদি খৰছ হয়, তাৰ 50% subsidy অসম চৰকাৰে দিম বুলি কৈছে। সেইটো আমি ভালদৰে প্ৰচাৰ কৰিব পৰা নাই। সন্মানীয় সদস্য ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ সমষ্টিত খেতি কৰি থকা ডেকা লৰা বহুত আছে। গতিকে এতিয়া godown ও বনাওক। godown ৰ shortage ৰ কাৰণে ধান কিনাৰ কাৰণে অসুবিধা হৈছে। মোৰ সমষ্টিতো ধান বিক্ৰী কৰাৰ কাৰণে লাইন হৈ যায় যে মোৰ ধান কিনক। Godown construction কৰিবৰ কাৰণে চৰকাৰে আৰু advertisement দিব লাগে। তেতিয়াহে মানুহবিলাকে আগবাঢ়ি আহিব। আজি পঞ্জাৱত যদি ধানৰ উৎপাদন বহুত কৰিব পাৰে, আমাৰ অসমত নোৱাৰে নেকি? তেওঁলোকেও হাত দুখনহে হাত বাই। আমাৰ ডেকা লৰা ছোৱালী বিলাকে কৰিব নোৱাৰিব নেকি। ধানৰ উৎপাদন ভাল কৰিব লাগিব যাতে বিদেশতো পঠাব পাৰি লগতে মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধীয়ে যিটো কৰ্তন কৰিছো তাৰ ঘোৰ বিৰোধীতা কৰি মোৰ

বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰীআব্দুৰ ৰহিম আহমেদ।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কেইটামান কথা কম। আমি সকলোৱে জানো যে আমাৰ দেশখন কৃষি প্ৰধান দেশ। ভাৰত বৰ্ষত যিটো সময়ত প্ৰায় ৫০ শতাংশ মানুহে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে কৃষিৰ লগত জৰিত, আমি তাৰ পিছতো সম্পূৰ্ণৰূপে কৃষিৰ ক্ষেত্ৰত যিমান উন্নতি কৰিব লাগিছিল আমি কৰিব পৰা নাই। অসমৰ ক্ষেত্ৰত প্ৰায় ৫৩ শতাংশ মানুহে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে সম্পূৰ্ণভাৱে কৃষিৰ লগত জৰিত। আপুনি শুনিলে আঁচৰিত হ'ব যে ইংলেণ্ড আৰু আমেৰিকাত ৩ শতাংশ মানুহ কৃষিৰ লগত জৰিত। কিন্তু তেওঁলোকৰ উৎপাদিত সামগ্ৰী উৎপাদন কৰাৰ পিছতো ৰপ্তানি কৰাৰ ক্ষেত্ৰত সক্ষম হয়। আমি অসমত কেৱল চাহ, মৰাপাট, ৰবৰ বা কপাহ, এইখিনি আনি ৰপ্তানি কৰিবলৈ কিছু পৰিমানে সক্ষম হওঁ। সেইকাৰণে কৈছো যে আজি যি ধৰণে কথাখিনি কৈ থকা হৈছে আমাৰ পুৰনি কলীয়া পদ্ধতিৰে কৃষিৰ উন্নতিৰ কথা বাৰে বাৰে দোহাৰি আছে যে বিভিন্ন আঁচনি আমি traditionally ঘোষণা কৰি আছো। এনেকুৱা পদ্ধতিৰে কৃষিৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাব নোৱাৰি। মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে তাৰ কাৰণে কৃষি খণ্ডই কিছু পৰিমানে সুদুৰ প্ৰসাৰি প্ৰচেষ্টা হাতত ল'ব লাগিব। আজি উন্নত বীজ কিছু ক্ষেত্ৰত দিয়া হয়। এনেকুৱা পদ্ধতিৰে কৃষিৰ ক্ষেত্ৰত আমি আগবঢ়ায় ল'ব নোৱাৰিম মাননীয় উপাধ্যক্ষ মহোদয়। গতিকে তাৰ কাৰণে কৃষি খণ্ডই কিছুমান সুদুৰ প্ৰসাৰী প্ৰচেষ্টা হাতত লব লাগিব। আজি উন্নত বীজ কিছু কিছু ক্ষেত্ৰত দিয়া হয়। কিন্তু এপাচি শাকত এটা জলকীয়া সদৃশ। যিসকল কৃষকে বহু বিঘা মাটিত আজি খেতিবাতি কৰে, তেওঁলোকক চিনাক্ত কৰি তেওঁলোক যদি আৰ্থিক অনাটনত ভূগিছে, আজি বৰ দুখৰ বিষয় যেতিয়া লোন দিয়াৰ কথা কোৱা হয়, কৃষি ক্ষেত্ৰত তেতিয়া বেংক সমূহে কি কৰে যিবিলাক এৰিয়াত খুব বেছি ভাল কৃষি উৎপাদন হয়, সেই এৰিয়া বিলাকত Red Zone ঘোষণা কৰি সেই এৰিয়া সমূহত বেংকৰ লোন দিয়াৰ পৰা তেওঁলোকক বঞ্চিত কৰে। গতিকে এইক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই বা আমাৰ কৃষি বিভাগে যদি গুৰুত্ব নিদিয়ে, তেনেহ'লে কৃষি খণ্ডক আমি আগবঢ়াই নিব নোৱাৰো। আজি সচাঁ অৰ্থত বজাৰ সৃষ্টি কৰিব লাগিব। আজি মধ্যভোগীৰ যি দপদপনি শাক পাচলিৰ পৰা বিভিন্ন সামগ্ৰী উৎপাদন কৰে। তেওঁলোকে আজি সচাঁ দাম নোপোৱাৰ কাৰণে, আজি মূল্য নোপোৱাৰ কাৰণে তেওঁলোকে কৃষিৰ প্ৰতি বিমুখ হয়। গতিকে সেই কাৰণে কৈছো, আজি অলপ আগতে মাননীয় সদস্য এজনে কৈছে যে আজি শিক্ষিত যুৱক-যুৱতী কৃষিখণ্ডলৈকে তেওঁলোকে আগবাঢ়ি আহিব লাগে। কৃষিখণ্ড তেতিয়া আগবাঢ়িব, যেতিয়া চৰকাৰে শিক্ষিত নিবনুৱা যুৱক-যুৱতীক আজি চৰকাৰীভাৱে বিভিন্ন পদ্ধতিৰে তেওঁলোকক কৃষি কাৰ্য্যত নিয়োজিত কৰাৰ কাৰণে আকৰ্ষিত কৰিব বা তেনেকুৱা আঁচনি ঘোষণা কৰিব। আজি মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই ক'ব খুজিছো আজি কিছু কিছু ক্ষেত্ৰত পাৱাৰ টিলাৰ যোগান ধৰা হয়, পাৱাৰ পাম্প যোগান ধৰা হয় কিন্তু বৰ পৰিতাপৰ বিষয় মই কৈছো এপাচি শাকত এটা জলকীয়া সদৃশ। এখন জিলাত কেইখন মান ট্ৰেক্টৰ, কেইখনমান পাৱাৰ টিলাৰ এনেকে যোগান ধৰে আৰু চাবচিদি ৩০ শতাংশ আৰু সেই মুল্য বজাৰত যদি এখন ভাল কোম্পেনীৰ ট্ৰেক্টৰ বা পাৱাৰ টিলাৰ কিনিব যায়, দেখিব যে, সেই ট্ৰেক্টৰ আৰু চাবচিদিৰ মুল্য প্ৰায় সমান। গতিকে মই নিজৰ সমষ্টিৰ অভিজ্ঞতা দোহাৰিছো। আমি যেতিয়া পাৱাৰ টিলাৰ পাম কিনাৰ কাৰণে বা চাবচিদি লোৱাৰ কাৰণে কৃষকক আহ্বান জনাওঁ যে, কেনেকুৱা পাৱাৰ পাম, পাৱাৰ টিলাৰ কৃষকসকলে লোৱাৰ কাৰণে তেওঁলোকে আগবাঢ়ি নাহে। গতিকে এই কাৰণে কৈছো

যে কৃষি খণ্ডত উন্নতি সাধিবলৈ হ'লে আমি শিক্ষিত যুৱক-যুৱতীক আধুনিক পদ্ধতিৰে কৃষি খণ্ডখন কেনেকৈ আগবঢ়াই নিব পাৰো তাৰ কাৰণে প্ৰয়োজন হ'লে ফ্রি ট্রেক্টৰ, ফ্রি পাৱাৰ টিলাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে, ফ্রি ইলেকট্রিচিটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি সুলভ মূল্যত ডিজেল দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি যাতায়াতৰ উন্নয়ন কৰিব লাগিব। আজি Food processing ৰ কাৰণে কৃষি বিভাগে উদ্যোগ ল'ব লাগিব। তেওঁলোকে ভাল বজাৰ সৃষ্টি কৰি Food processing য়ে হওঁক, উদাহৰণ স্বৰূপে অসমৰ ভিতৰত আটাইতকৈ বেছি আলু বৰপেটা জিলাত উৎপাদন হয়। কিন্তু আজি আমি বিভিন্ন হাল্ডিৰাম, বিকাজী তেনেকুৱা উদ্যোগৰ লগত যদি যোগাযোগ কৰি চিপ্‌চ আদি এইসমূহ উৎপাদন কৰাৰ কথা আমি চিন্তা কৰিব পাৰো আমি ভাৱো যে, কৃষক সকল আৰু অধিক আগ্ৰহী হ'ব। ঠিক তেনেকৈ দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত আমাৰ বৰপেটা জিলা বহুত আগবাঢ়ি আছে। আমি যদি গাখীৰৰ পৰা চিজ, মাখন এইসমূহ কেনেকৈ উৎপাদন কৰিব পাৰো আজি যদি কৃষি বিভাগে উদ্যোগ বিভাগৰ লগত বা Food Processing ৰ লগত আলোচনা কৰি এখন ভাল বজাৰ সৃষ্টি কৰিব পাৰে, মই ভাৱো, শিক্ষিত যুৱক-যুৱতী আজি কৃষি ক্ষেত্ৰত আগবাঢ়ি আহিব যিহেতু আমাৰ দেশখন কৃষিপ্ৰধান অঞ্চল। গতিকে আমাৰ অৰ্থনীতিৰ basic খিনি যিহেতু কৃষিৰ ওপৰত নিৰ্ভৰশীল, গতিকে আমি কৃষিখণ্ডক আগবঢ়াই নিব পাৰিম আৰু নহ'লে এইক্ষেত্ৰত আমি লাখ লাখ নিবনুৱাক কৰ্মসংস্থাপন কেতিয়াও দিব নোৱাৰো। ভাৰতবৰ্ষৰ বেছি সংখ্যক উন্নত ৰাজ্যই প্ৰচলিত কৃষি কাৰ্য্য এৰি তেওঁলোকে উদ্যোগ আৰু বিভিন্ন চাকৰিমুখী ব্যৱস্থাৰ পিনে গতি কৰিছে কিন্তু সেই ক্ষেত্ৰত আমি পিছপৰি আছো আৰু অসমত ইমানো স্কপো নাই সেই কাৰণে কৈছো আমি কৃষিৰ ওপৰতে আমাৰ অৰ্থনীতি বেছিখিনি নিৰ্ভৰ কৰিব লাগিব। গতিকে এইক্ষেত্ৰত আমি কৃষি বিভাগক আপোনাৰ জৰিয়তে ক'ব খুজিছো যে আমি এনে কিছুমান আঁচনি ল'ব লাগে মই বিভিন্ন আঁচনিৰ কথা উনুকিয়াব পাৰো কিন্তু সময় নাই দৰকাৰ হ'লে লিখিতভাৱে মন্ত্ৰী মহোদয়ক পিছত দি দিম। গতিকে সঁচা অৰ্থত আমি কিছু ভাল ভাল আঁচনি লৈ কৃষি ক্ষেত্ৰখনক আগবঢ়াই আনি আমি অসমৰ অৰ্থনীতিৰ ভড়াল কেনেকৈ টনকিয়াল কৰিব পাৰো তাৰ ব্যৱস্থা কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে প্ৰস্তাৱ ৰাখিছো। গৰুখুটিৰ প্ৰকল্পৰ কথা আমাৰ আগৰ সন্মানীয় সদস্যজনে উনুকিয়াইছে। আজি মই এটা কথা ক'ব খুজিছো, আজি গৰুখুটি প্ৰকল্পৰ নামত যিমান টকা দিয়া হৈছে চৰকাৰৰ পৰা তাৰ এটা কিঞ্চিৎ পৰিমাণৰ টকা বিভিন্ন চন পৰা অঞ্চলত যিখিনি খেতি-বাতি কৰা নহয় বা বিভিন্ন নদী কাষৰীয়া অঞ্চলত তাৰ এটা কিঞ্চিৎ পৰিমাণৰ টকা আপোনালোকে invest কৰি চাওঁক। চাব, অসমত নতুনকৈ এটা সেউজ বিপ্লৱৰ সৃষ্টি হ'ব আৰু অসমৰ অৰ্থনীতিৰ ভড়াল টনকিয়াল হ'ব। গতিকে এইখিনি কথা কৈ মোৰ বক্তব্য শেষ কৰিছো ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া।

**শ্ৰী মৃনাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি কৃষি বিভাগত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ অসমৰ Geographical area হৈছে মুঠ মাটি 7.8 million hectares. তাৰে 4 million hectares crop area কৃষিৰ কাৰণে উপযোগী হয়। অৰ্থাৎ আমাৰ আধাতকৈ বেছি মাটি কৃষিৰ উপযোগী। কিন্তু কৃষিৰ ক্ষেত্ৰত যি ধৰণে আমাৰ অসম আগবাঢ়ি লাগিছিল, ইমান দিনে আগবঢ়াব নাছিল বা কোনেও চেষ্টা কৰা নাছিল। অথচ অসমৰ অৰ্থনীতি কৃষিৰ দ্বাৰা ৰূপায়িত হয়। যিহেতু আমাৰ বেছি সংখ্যক মানুহে বহুতে কয় ৭০ শতাংশ, কোনোবাই কয় ৮০ শতাংশ বা ধৰি

ললো জনসংখ্যাৰ ৮০ শতাংশ মানুহ আমাৰ গাওঁত থাকে। গাওঁত বসবাস কৰা মানে খেতিৰ লগত জড়িত হৈ থাকে। চৰকাৰৰ এই খেতিৰ বহু কথা বহু সময়ত ময়ো উত্থাপন কৰিছিলো যে, খেতিৰ প্ৰতি আমাৰ যুৱক-যুৱতীসকলো আকৃষ্ট নহয়। খেতিৰ লগত যিসকল জড়িত হৈ আছিল সেই সকলো লাহে লাহে আতৰি আহিছে। আমি লাহে লাহে খেতিৰ প্ৰতি আমাৰ ডেকা চামক, যুৱক চামক বা আমি নিজেও আকৃষ্ট হ'বলৈ সকলোকে চেষ্টা কৰাইছো। আমাৰ ধানখেতি বেছি হয় আৰু এই ধানৰ দাম কম হোৱাৰ কাৰণে লাহে লাহে ধান খেতিৰ পৰা মানুহে আতৰি আহিছে। বহু পথাৰ এনেয়ে পৰি আছিল। আজি মই বিৰোধীৰ কিছুমান কথা শুনিলে আচৰিত হও যে, ধানৰ কুইণ্টল আমাৰ ১৯ শ ৪০ টকাকৈ কৰিছে। ক্ৰয় কৰিব FCI য়ে। সেই কথাটোত বিৰোধীয়ে আনন্দ নাপায়। বিৰোধীয়ে আনন্দ পায় ক'ত যে ১০ লাখ মেট্ৰিকটন নিকিনিলে। কিনিব নোৱাৰিলে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এইটো কোৱা নাছিল যে ১০ লাখ আমি জবৰদস্তী কৰি হলেও খেতিয়কৰ ভড়ালৰ পৰা ডকাইত কৰি হলেও আমি কিনিম। কৈছিল যে প্ৰয়োজন হ'লে ইমানেই ধান কিনিম ১০ লাখ মেট্ৰিকটনো কিনিবলৈ FCI য়ে সাজু আছে। সেই কাৰণে ইমান দাম যে আমি দিছো, সেইটো কথা কেতিয়াও উল্লেখ নকৰে। কেৱল ১০ লাখত লাগি থাকে। ১০ লাখ ক'ত, ১০ লাখ ক'ত। এইটো কিনা বেচাৰ খেল। কোনোবাই বিক্ৰী কৰিবলৈ আগবাঢ়ি আহিব লাগিব বা কিমান ধান তেওঁলোকৰ খেতিয়ক সকলৰ উৎপাদন হৈছে জানিব লাগিব। মই এটা উদাহৰণ দিওঁ, কোনোবাই গলে সুধি আহিব পাৰে। মোৰ এজন খেতিয়ক বন্ধু যোগেন গগৈ। মেৰাপানী অঞ্চলৰ গোমাৰীত ঘৰ। অখিল গগৈ ডাঙৰীয়াই চিনিও পাব পাৰে। মেৰাপানীত তেখেতে গৈ থাকে। তেখেতৰ দুটা ধানৰ ভড়াল আছে। কিন্তু যোৱাবাৰ তেখেতে সম্পূৰ্ণ খেতি কৰা নাই। মই প্ৰায় গৈ থাকো। মই তেওঁক ক'লো যে, কিয় সম্পূৰ্ণ খেতি নকৰিলে। ক'লে যে, যোৱাবাৰ ধানেৰে মোৰ ভড়ালটো ভৰ্ত্তি হৈ আছে। কিন্তু এইবাৰ আকৌ গোটেইখিনি ধান ভৰ্ত্তি হৈ আছে। মই ক'লো যে ধান খিনি বিক্ৰী কৰা নাই কিয়? ক'লে যে দাম নাই। ৮০০ টকা ৯০০ টকাত বিক্ৰী কৰিলে মুলধনো নাই, পথাৰখিনি এনেই পৰি থাকিলে বেয়া লাগে সেই কাৰণে খেতি কৰিছো। যোৱাবাৰ এটা খেতি কৰিলে, এইবাৰ আমাৰ ইয়াত যেতিয়া সিদ্ধান্ত হ'ল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক জনালে যে, এইবাৰ FCI য়ে ১৯ শ ৪০ টকাকৈ ধান ক্ৰয় কৰিব। সেই বন্ধুজনে মোক আগতেও কৈ থাকে যে এনেকুৱা এটা ব্যৱস্থা ল'ব লাগে যে ধান উচিত মূল্যত কিনা। তেতিয়া আমাৰ বহুতে খেতি কৰিব। খবৰটো পাইয়ে মই তেওঁ খবৰ নাপাব বুলি সেই যোগেন গগৈ ডাঙৰীয়াক ফোন কৰি জনালো যে, এনেকুৱা এটা সিদ্ধান্ত হ'ল, তেওঁ খুব ফুৰ্তি পালে, অলপ দিনৰ আগতে খবৰ কৰিলো যে, তোৰ দুটা ভড়ালৰ ধান শেষ হ'ল নে নাই। সি বহুত আনন্দত আছে যে মই দুয়োটা ভড়ালৰ ধান বিক্ৰী কৰি শেষ কৰিলো আৰু বহুত পইচা পালো যিটো আচলতে দুগুন পইচা পালো। এইবাৰ সম্পূৰ্ণ ধান খেতি কৰিম, প্ৰয়োজন হ'লে মাটি কিনিম মই। তই পাৰ্টী খাবলৈ আহিবি, সেইটো বাস্তৱিক কথা। কোনোবাই গৈ সুধিবগৈ পাৰে। মাননীয় উপাধ্যক্ষ মহোদয়, সেইকাৰণে কোনোবাই যদি কয় কিনা-বিকাত কিবা অসুবিধা আছে, মই সেই বিষয়েও সুধিলো যে কিনা-বিকাত কিবা অসুবিধা আছে নেকি? তেওঁ ক'লে যে কিনা-বিকাত কোনো অসুবিধা নাই। আমি ধান বিক্ৰী কৰিলো আৰু কেইদিনমান পিছত আমাৰ একাউণ্টত পইচা সোমাল। এনেদৰে কিমান খেতিয়ক উৎসাহিত হৈছে, কিমান খেতিয়কে এতিয়া ধান খেতিলৈ ঘূৰি যাব। নহ'লে ধানৰ পথাৰসমূহ মানুহবোৰে এৰি দিয়াৰ নিচিনা অৱস্থাৰ সৃষ্টি হৈছিল। বহুতে ক'ব খোজে যে আমাৰ গৰু খুঁটিত বহু টকা খৰচ হৈছে। কিন্তু কিবা এটা প্ৰজেক্ট যেতিয়া আৰম্ভ কৰা হয়, তাত এটা Establishment খৰচ হয়েই। তাৰ পৰা এতিয়া

আয় আহিববলৈ আৰম্ভ কৰিছে। আমি বহুতো প্ৰতিক্ৰিয়াশীল চক্ৰক বিৰোধীতা কৰি মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াৰ নেতৃত্বত তাত কাম আৰম্ভ কৰিছিলো। কোনেও ভৰা নাছিল যে এবছৰৰ ভিতৰত তাৰ পৰা আমাৰ ৰেভিনিউ আৰ্ণিং হ'ব। কিন্তু হ'বলৈ আৰম্ভ হৈছে। অসমত বহু চৰকাৰী ভূমি থাকিব পাৰে, কিন্তু কাৰো কাৰণে অসমৰ ভূমি চৰণীয়া পথাৰ হ'ব নোৱাৰে। যি কোনো গড়াখহনীয়া মানুহ আহি তাত বে-দখল কৰিব, আমি তাক কেতিয়াও হ'বলৈ নিদিওঁ। আমাৰ যুৱক-যুৱতীয়ে তাত খেতি কৰিব আৰু প্ৰয়োজন হ'লে আমি গোটেই অসমত উচ্ছেদ কাৰ্য্য চলাই যাম। খেতিৰ ক্ষেত্ৰত আমি এতিয়াও বহু কৰিবলগীয়া আছে। প্ৰত্যেক জিলাই জিলাই চাৰ্ভে কৰি এখন প্ৰকৃত কৃষকৰ লিষ্ট প্ৰস্তুত হ'ব লাগে। কাৰণ আমি চাওঁ যে আমাৰ ইয়াৰ পৰা যিখিনি বস্তু যায়, যিখিনি সুবিধা অসম চৰকাৰ আৰু ভাৰত চৰকাৰে দিছে, সেইখিনি যদি প্ৰকৃত কৃষকে পায়, আমাৰ অৰ্থনীতিত আমোল পৰিৱৰ্তন হ'ব। কিন্তু কাৰ্য্যালয়বোৰত কি হয় নাজানো। কোনো কোনো ক্ষেত্ৰত দেখা যায় যে প্ৰকৃত কৃষক সকলে সুবিধা নাপায় আৰু পাই থকা কৃষক সকলেই পায়। যিসকলে স্প্ৰে মেচিন পায়, তেওঁলোকে প্ৰত্যেক বছৰে পাই থাকে আৰু যিসকলে নাপায়, তেওঁলোকে এবাৰো নাপায়। আৰু এটা কথা মন কৰিব লাগে যে প্ৰকৃত কৃষক সকলৰ অফিচ সমূহলৈ তাঁতবাটী কাঢ়ি থকাৰ সময় নাথাকে। তেওঁলোকে খেতিৰ লগত সদায় জড়িত হৈ থাকে। কিছুমান ভুৱা খেতিয়ক থাকে, তেওঁলোকে অফিচলৈ তাঁত বাতি কাঢ়ি থাকে আৰু তাৰ বিষয়া-কৰ্মচাৰী সকলৰ লগত এটা সু-সম্পৰ্ক গঢ়ি তোলে। যিকোনো বস্তু আহিলে তেওঁলোকে আগতে খবৰ পায়। বিঘা বিঘা খেতি কৰি থকা মানুহে এতিয়াও এটা ও স্প্ৰে মেচিন পোৱা নাই আৰু তাঁতবাতি কাঢ়ি থকা মানুহে বছৰি বছৰি স্প্ৰে মেচিন পাই আছে আৰু তেওঁলোকে সেই বোৰ হয়তো কাৰোবাক বিক্ৰী কৰে। সেই কাৰণে এইবোৰ আসোঁৱাহ দূৰ কৰিববলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এইখিনি আসোঁৱাহ দূৰ কৰিবৰ বাবে আমাৰ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই এটা কাম কৰিব লাগিব যে প্ৰকৃত কৃষকৰ লিষ্ট এখন প্ৰত্যেক জিলাত থাকিব লাগিব আৰু কিবা যদি সা-সুবিধা আহে তেওঁলোকক অফিচৰ পৰাই জনাব লাগিব। এজন খেতিয়কে সদায় গৈ কিবা আহিছে নেকি খবৰ কৰিব নোৱাৰে। তেওঁ খেতি কৰিব নে সুবিধা বিচাৰি কৃষি অফিচত অহা-যোৱা কৰি থাকিব। এই বিষয়ে মই ভাৱো অনতি পলমে এটা সিদ্ধান্ত হ'ব লাগে আৰু অনতি পলমে ইয়াক কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ কৃষি ক্ষেত্ৰ খনত এটা ডাঙৰ সমস্যাই দেখা দিছে। বানপানী আহে আৰু বানপানী যায়। বানপানীয়ে মাটি পলসুৱাও কৰি থৈ যায়। আমাৰ শুকান অঞ্চলো আছে, য'ত আমি জলসিঞ্চনৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা কৰি সেই সমস্যা দূৰ কৰিব পাৰো। কিন্তু এটা সমস্যা হৈছে-বান্দৰৰ সমস্যা। বহুতে এই বিষয়ে ক'লে হাঁহে। মোৰ সমষ্টিতে বহু হাজাৰ বিঘা মাটি এতিয়াও এৰি দিছে কাৰণ বান্দৰৰ কাৰণে খেতি কৰিব নোৱাৰে। জলকীয়া, অমিতা আদিৰ এজোপাও ৰুব নোৱাৰে। বান্দৰৰ বৃদ্ধিৰ হাৰটো ইমান বেছি যে এই গতিত গৈ থাকিলে অসমত দুৰ্ভিক্ষ হ'ব। বহুতো প্ৰকৃতি প্ৰেমীয়ে ক'ব খোজে যে এই বান্দৰখিনিক ধৰি নি জংঘলত এৰি দিব লাগে। কিন্তু এই বান্দৰবোৰ বনৰীয়া বান্দৰ নহয়। ইহঁতৰ চাৰি-পাঁচ পুৰুষ মানুহৰ মাজত জন্ম হৈছে। ইহঁত এতিয়া বনৰীয়া জন্তু হৈ থকা নাই, ইহঁতে হাবি-বনত নিজৰ খাদ্য যোগান ধৰিব নোৱাৰে। ইহঁতক ৰেডিমেড খাদ্যৰ প্ৰয়োজন হৈছে। আপোনালোকে জানি আচৰিত হ'ব যে বান্দৰে নিৰামিষ ভোজী কিন্তু এতিয়া সিহঁত আমিষ ভোজী হ'বলৈ আৰম্ভ কৰিছে। মই নিজে বান্দৰে সৰু চৰাই, পাৰ খোৱা দেখিছো। এইটো এটা শুভ সংকেত নহয়। বান্দৰৰ যদি কিবা ব্যৱস্থা কৰিব পৰা নাযায়, তেতিয়াহ'লে দুৰ্ভিক্ষৰ সৃষ্টি হ'ব। আমি প্ৰথমতে সিদ্ধান্ত ল'ব

লাগিব যে প্ৰথম অধিকাৰটো কাৰ? বান্দৰৰ নে মানুহৰ? আমি যদি ভাৱো যে বান্দৰৰো সমান অধিকাৰ আছে, তেনেহ'লে বান্দৰক এনেদৰে বাঢ়িব দিব লাগিব। Survival of the fittest. এইটো আচলতে জীয়াই থকাৰ এটা প্ৰতিযোগীতা। আমাৰ হাতীৰ লগতো সংঘাত আছে, বান্দৰৰ লগতো সংঘাত আছে। এইটো আচলতে জীয়াই থকাৰ এটা প্ৰতিযোগীতা। সেইকাৰণে আমি প্ৰথমতে সিদ্ধান্ত কৰিব লাগে যে এই পৃথিৱীখনত জীয়াই থকাৰ অধিকাৰ আটাইতকৈ কাৰ বেছি। যদি সিদ্ধান্ত লোৱা হয় যে হাতী, মানুহ, বান্দৰৰ সমান অদিকাৰ আছে, তেতিয়াহ'লে কৰিবলগীয়া একো নাই। যদি ভৰা হয় যে মানুহৰ বেছি অধিকাৰ আছে, তেতিয়াহ'লে আমি এই ক্ষেত্ৰত কিবা কৰিব লাগিব। পোন্ধৰ বিশ বছৰ আগতে অষ্ট্ৰেলিয়াত কেংগাৰুৱে বহু খেতি-পথাৰ নষ্ট কৰিছিল। সেইকাৰণে অষ্ট্ৰেলিয়াত কেংগাৰু নিধনৰ অৰ্ডাৰ আছে। প্ৰয়োজন হ'লে কেংগাৰুক হত্যা কৰি এই কৃষিভূমি সমূহ ৰক্ষণা-বেক্ষণ দিয়া হয়। সেইকাৰণে মই ভাৱো যে বান্দৰৰ ওপৰতো এটা সুস্থিৰ আলোচনাৰ প্ৰয়োজন আছে। নহ'লে দুৰ্ভিক্ষ পীড়িত অঞ্চললৈ এদিন লৈ যাব। বহুতো গাঁওত এতিয়া এনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছে। তাত জলকীয়া এটাও নহয়। ঘৰৰ ভিতৰৰ পৰা প্ৰেচাৰ কুকাৰ লৈ যায়, কেঁচুৱা দাঙি লৈ যাব খোজে, মহিলাক দেখিলে খেদি আহে। এই সমস্যাবোৰক আমি এতিয়াৰ পৰাই হাঁহি উৰাই নিদি ভালদৰে চিন্তা-চৰ্চ্চা কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** বান্দৰৰ ব্যৱস্থাটো কৃষি মন্ত্ৰীয়ে কৰিব নে বন মন্ত্ৰীয়ে কৰিব?

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই সমস্যাটো কৃষি বিভাগ আৰু বন বিভাগ সকলোৱে মিলি কৰিব লাগিব। বন মন্ত্ৰীক এই বিষয়ে প্ৰশ্ন কৰা হয় আৰু তেওঁ এই বিষয়ে কি ক'ব? এই বিষয়টো সকলোৱে বহি একেলেগে আলোচনা কৰা বিষয়। এইখিনিকে কৈ মই বিৰোধীৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক সকলোৱে যদি ৪ মিনিট কৈ কয়, তেতিয়াহ'লে সকলো সদস্যই ক'ব পাৰিব। এতিয়া নিজাম উদ্দিন চৌধুৰী ডাঙৰীয়াই কওঁক।

**শ্ৰীনিজাম উদ্দিন চৌধুরী (আলগাপুর) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই পবিত্র সদনে আমাকে কর্তন প্রস্তাবের পক্ষে বলার সুযোগ করে দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি। কৃষি বিভাগ হচ্ছে একটা অত্যন্ত গুরুত্বপূর্ণ একটা বিভাগ। গ্রামের প্রত্যেক জন মানুষই কৃষি কাজের সঙ্গে জড়িত। কিন্তু পর্যাপ্ত সুযোগ-সুবিধা না থাকার কারণে কৃষকরা অনেক ক্ষেত্রেই বঞ্চিত। উপাধ্যক্ষ মহোদয় আমি আমার হাইলাকান্দি জেলার কৃষি বিভাগ এবং কৃষকদের কিছু সমস্যা সমাধান করার জন্য আপনার মাধ্যমে সরকারের দৃষ্টি আকর্ষন করছি। উপাধ্যক্ষ মহোদয়, আমাদের বরাকের কৃষকরা সুপারি ক্ষেতির সঙ্গে জড়িত। গরীব, ধনী প্রত্যেক মানুষ জড়িত এই সুপারি ক্ষেতির জন্য। . কিন্তু আজ দেখা যাচ্ছে সুপারি ক্ষেতি করছে এরকম অনেক কৃষকরা আছেন, যাদের সুপারি গুদামে আছে। কিন্তু প্রশাসন স্থানীয় সুপারি বন্দী করে রেখেছে। কিন্তু সেই সুপারিগুলো আমার সমষ্টির অনেক গরীব মানুষরা বিক্রী করেছিল। সুপারি গুদামের মালিক আগে কি করেছে সেটা আমি বলতে পারব না। কিন্তু যেদিন এই গুদামের মালিক সুপারি কিনেছে, সেদিন আমিও সেখানে ছিলাম। আমাকে বলেছে দাদা সুপারি কিনে রেখেছি আপনি খেয়াল করবেন। কোন মানুষ ১ টন দিয়েছে, কোন মানুষ ২ কুইন্টাল, ৫ কুইন্টাল এরকম ছোট ছোট ব্যবসায়ীরা এনে দিয়েছে। কিন্তু আজ অনেক পরিবারের মা বাবারা তাদের ছেলে-মেয়ের বিয়ে দেবেন এরকম মনের আশা আকাঙ্খা নিয়ে সেই সুপারি বিক্রি করেছিল। কিন্তু সেই সুপারিগুলো আজ গুদামে বন্দী আছে। আমি আপনার মাধ্যমে বিভাগীয় মন্ত্রী মহোদয়কে বলতে চাই সুপারিগুলো নষ্ট না হওয়ার আগে বিক্রি করার

সুযোগ করে দেওয়া জন্য। কৃষকদেরকে ধান যেভাবে বিক্রি করার সুযোগ দেওয়া হয়েছে, সেভাবে বরাকে যারা সুপারি ক্ষেতি করে তাদেরকে যাতে সুপারি বিক্রি করার সুযোগ সুবিধা করে দেওয়া হয় তার জন্য আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করছি। অধ্যক্ষ মহোদয়, আমাদের হাই লাকান্দিতে কৃষি বিভাগের কর্মচারীরা যারা ফিল্ড ভিজিট করে তাদের ৬৬ জন থাকার কথা সেখানে মাত্র ৬ জন আছে। এডিও যেখানে ৭ জন থাকার কথা সেখানে তিন জন আছে। উপাধ্যক্ষ মহোদয়, আমাদের বাংলা ভাষায় একটা কথা আছে মূল ছড়াতে পানী না থাকলে কেউয়া ছড়া বান্ধি কোন লাভ নাই। এই বিভাগে যদি কর্মচারী না থাকে, অফিসার না থাকে এই বিভাগ কেমন করে এগিয়ে যাবে? কে দেখবে? কে ভিজিট করবে? সেগুলো হল মূল কথা। অনেক কর্মচারী আছে যারা হাইলাকান্দি জেলা থেকে বেতন নেয় কিন্তু অন্য জেলাতে চাকরি করে। সেইসব কর্মচারীদের আমি হাইলাকান্দি জেলায় নিয়ে আসার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি। যেসব বীজ সংগ্রহ করা হয়, সেগুলো নির্ধারিত সময়ে না পৌছানোর জন্য কৃষকদের অনেক ক্ষতির সন্মুখীন হতে হয়। যে সময়ে এই বীজগুলো সরকার থেকে দেওয়া হয়, সেই সময় আমাদের কৃষকদের ক্ষেতি করার সময় শেষ হয়ে যায়, তখন সেই বীজগুলো আমাদের কৃষকদের কোন কাজে লাগে না। তাই মন্ত্রী মহোদয়কে আমি অনুরোধ করব সেই বীজগুলো নির্ধারিত সময়ে পৌছানোর জন্য। এই বলে আমি আমার বক্তব্য শেষ করলাম। নমস্কার।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কৃষি বিভাগৰ ওপৰত কিছু কথা ক'ব বিচাৰিছো। আমি সকলোৱে জানো যে ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ আৰু আমাৰ ৰাজ্যখনো কৃষিপ্ৰধান ৰাজ্য। অসমৰ প্ৰায় ৭০ শতাংশ মানুহেই কৃষিৰ লগত জড়িত হৈ আছে। গতিকে অসমৰ অৰ্থনৈতিক বুনিয়াদটো যদি শক্তিশালী কৰিব লাগে তেনেহ'লে আমি কৃষিৰ ওপৰত নিশ্চয় যথেষ্টখিনি নিৰ্ভৰ কৰিব লাগিব আৰু সেইকাৰণে আজি বিশেষভাৱে আমাৰ মিত্ৰজোটৰ চৰকাৰখনে কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আজি প্ৰায় ৭৪ বছৰে সম্পূৰ্ণ হ'বলৈ হ'ল। এই ৭৪ বছৰৰ ভিতৰত আমি দেখিছো যে প্ৰায় ৬৯ বছৰলৈকে কৃষিৰ ক্ষেত্ৰত যিধৰণে আঁচনি গ্ৰহণ কৰিব লাগিছিল বা এই বিভাগটোৰ ওপৰত যিধৰণে গুৰুত্ব আৰোপ কৰিব লাগিছিল বিগত দিনত তেনেধৰণে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। অৱশ্যে আমাৰ মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া কৃষি মন্ত্ৰী থাকোতে কৃষিৰ ক্ষেত্ৰত কিছু বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। এতিয়া বিশেষভাৱে আমি দেখিছো যে ২০১৬ চনত বি জে পি ৰ নেতৃত্বত চৰকাৰ অহাৰ পাছত কৃষিখণ্ডৰ ওপৰত যি ধৰণে গুৰুত্ব আৰোপ কৰিছে এই পদক্ষেপৰ কাৰণে অসমৰ কৃষকে আশাৰ ৰেঙণি দেখিছে। আমি জানো যে বিগত দিনত আমাৰ কৃষি শস্য, বিশেষকৈ ধানৰ উৎপাদন যদি ২০১৯-২০ চনত চাওঁ তেতিয়া দেখিম যে সেই সময়ত ধানৰ উৎপাদন আছিল প্ৰায় ৫১০০ কুইন্টল। কিন্তু আমি যদি ২০২০-২১ চন চাওঁ তেতিয়া দেখিম যে সেইটো বৃদ্ধি হৈ প্ৰায় ৫২৩২ টনলৈ বৃদ্ধি হৈছে। গতিকে এইটোৱে প্ৰমান কৰে যে অসমত খেতিয়কে খেতিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ ফলত ধানৰ লগতে pulses ৰ যথেষ্টভাৱে উৎপাদন বৃদ্ধি পাইছে।

আমি যদি নতুন প্ৰজন্মক আকৰ্ষণ কৰিব লাগে আৰু অসমত যদি সেউজ বিপ্লৱ সৃষ্টি কৰিব লাগে তেনেহ'লে গতানুগতিক যিখিনি পদ্ধতি আছে তাৰ এটা সংস্কাৰ অনাৰ প্ৰয়োজন আছে। মই দেখিছো যে বিগত ৬ টা বছৰত আমাৰ কৃষি বিভাগক এটা সংস্কাৰমুখী অৱস্থালৈ নিবলৈ সক্ষম

হৈছে। আজি আমি বিশেষকৈ কেইটামান বিষয়ৰ ওপৰত নিৰ্ভৰ কৰো - পৰম্পৰাগতভাৱে যিদৰে হাল বায়, বীজ সিচাঁৰ যিটো পদ্ধতি বা মৰণা মৰাৰ যিটো পদ্ধতি বা বীজ দিয়াৰ যিটো ব্যৱস্থা, সাৰ দিয়াৰ যিটো ব্যৱস্থা এনেধৰণৰ যিসমূহ ব্যৱস্থা আছে এই সমূহ এটা আধুনিক ব্যৱস্থালৈ নিয়াৰ প্ৰয়োজন আছে।

ইতিমধ্যে আমি দেখিছো যে আমাৰ মিত্ৰজোঁটৰ চৰকাৰখনে এই আধুনিক কৃষি পদ্ধতিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আমি যদি আধুনিক পদ্ধতিলৈ আগবাঢ়িব নোৱাৰো তেতিয়াহ'লে আমি নিশ্চয় অসমখনক কৃষিৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ জটিলতাৰ সৃষ্টি হ'ব। সেইকাৰণে আমাৰ চৰকাৰখনে বিশেষকৈ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি আমাৰ কৃষকসকলে যাতে আধুনিক পদ্ধতিৰে কৃষি কাৰ্য্য কৰিব পাৰে তাৰবাবে power tiller, tractor আদি দিয়া হৈছে। Power tiller, tractor এই সমূহৰ বাবে subsidy দিয়াৰো ব্যৱস্থা কৰা হৈছে। বিগত দিন সমূহত আমি দেখিছো যে অন্য ৰাজ্যৰ পৰা শস্যৰ বীজ সমূহ ক্ৰয় কৰি অসমলৈ অনা হৈছিল। অৱশ্যে যোৱা ৪-৫ বছৰত তেনেকুৱা অৱস্থাৰ সৃষ্টি হোৱা নাই কিন্তু বহু ঠাইত বিগত দিনত যিবিলাক বীজ খেতিয়কক দিয়া হৈছিল সেইবিলাকৰ পৰা শস্য নহয়, পতানহে সৃষ্টি হোৱা আমি দেখিছিলো। তেনেকুৱা ধৰণৰ বহু বাতৰি আমি দেখিবলৈ পাইছিলো। গতিকে এতিয়া এই ক্ষেত্ৰত চৰকাৰে যাতে certified বীজ আনে আৰু খেতিয়ক সকলে শস্যৰ ঠাইত যাতে পতান পাবলৈ সক্ষম নহয়। তাৰকাৰণে চৰকাৰখনে বিশেষকৈ মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিছে। মই এটা কথা ক'ব বিচাৰিছো যে অসমত যাতে বীজ উৎপাদন কৰি আমি খেতিয়কক দিব পাৰো তাৰ বাবে প্ৰয়াস কৰা উচিত। ইতিমধ্যে মই অৱগত হৈছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই অসমত যিখিনি বীজ পাম আছে, অসমত থকা ৪০ খন বীজ পামত কৃষি বীজ উৎপাদন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এই বীজখিনি সমগ্ৰ অসমত বিতৰণ কৰিলে আমাৰ কৃষকসকল যথেষ্ঠ উপকৃত হ'ব। অধ্যক্ষ মহোদয়, কৃষিৰ লগত আমাৰ জল সিঞ্চনৰ ওত প্ৰোত সম্পৰ্ক আছে। আমাৰ বাৰিষাকালত পানীৰ প্ৰয়োজন বিশেষ নাই। কিন্তু খৰাং যেতিয়া হয় তেতিয়া বহু পানীৰ প্ৰয়োজন হয়। যিহেতু চৰকাৰৰ কৃষকৰ আয় দুগুন কৰাৰ পৰিকল্পনা আছে এই পৰিকল্পনা অনুসৰি আমাৰ কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগৰ মাজত এটা সু সম্পৰ্ক আৰু সমন্বয় থাকিব লাগিব। আমাৰ বৃহৎ বৃহৎ জলসিঞ্চন নকৰি মজলীয়া আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জলসিঞ্চন ওপৰত বেছি গুৰুত্ব আৰোপ কৰিব লাগিব। বিগত দিনত আমি লক্ষ্য কৰিছো যে আমাৰ চৰকাৰখনে বিশেষভাৱে মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। গতিকে মই ভাবো কৃষকৰ উপাৰ্জ্জন দুগুন কৰা আমাৰ লক্ষ্যত উপনীত হ'বলৈ জলসিঞ্চনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব । এতিয়া ট্ৰেক্টৰ, পাৱাৰ টিলাৰ গোটেইখিনি দিয়া হৈছে । মুখ্যমন্ত্ৰী মহোদয়ে এতিয়া গ্ৰাম্য যোজনাৰ জৰিয়তে কেতবোৰ আঁচনি লৈছে। কৃষি বিভাগে অগভীৰ নলী নাদ আঁচনি লৈছে, এই আঁচনি বিদ্যুতৰ জৰিয়তে, সৌৰ শক্তিৰ জৰিয়তে, ডিজেলৰ জৰিয়তে লোৱা হৈছে। য'ত যেনেকৈ দিলে সুবিধা হ'ব তেনেকৈ লোৱা হৈছে। তাৰ ফলত এতিয়া খৰাং বতৰতো মানুহে খেতি কৰিব পৰা হৈছে। এইটো আমাৰ অৰ্থনৈতিক ক্ষেত্ৰত এতিয়া যথেষ্ঠ প্ৰভাৱ পেলোৱা বুলি ক'ব পাৰি। ইয়াৰ লগতে আমাৰ যিখিনি কৃষি উৎপাদন হয় সেইখিনি ৰপ্তানি কৰাৰ ক্ষেত্ৰতো আমি দেখিছো ক'ভিড কালত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, পৰিবহন মন্ত্ৰী ডাঙৰীয়া আৰু কৃষি মন্ত্ৰী ডাঙৰীয়াই বিমানযোগে বিভিন্ন কৃষি উৎপাদন- শাক পাচলি, ফল-মূল, ৰঙা লাও ইত্যাদি ডুবাই, আবু ধাবি, চিংগাপুৰ, ইংলেণ্ড ইত্যাদি দেশলৈ ৰপ্তানি কৰাত আগভাগ লৈছে। যাৰ বাবে

আমাৰ কৃষকসকলে উচিত মূল্য পাবলৈ সক্ষম হৈছে। ক'ভিড কালত যথেষ্ট আৰ্থিক সকাহ পাইছে। চৰকাৰে কৃষি আৰু পন্য সামগ্ৰী ৰাখিবলৈ বিমান বন্দৰত এটা গুদাম ঘৰো নিৰ্মাণ কৰিছে। কাষ্টমৰ ক্ষেত্ৰত আগতে অসমৰ বাহিৰলৈ যাব লগা হৈছিল কিন্তু এতিয়া আমাৰ ইয়াতে কাষ্ট'মৰ ব্যৱস্থা কৰিছে। ইয়াৰ ওপৰিও অসমৰ উৎপাদিত ধান ক্ৰয় কৰাৰ এটা বৃহৎ পদক্ষেপ আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু কৃষি মন্ত্ৰী ডাঙৰীয়াই লৈছে। আমাৰ কৃষকসকলে অশেষ কষ্টৰ বিনিময়ত যি ধান উৎপাদন কৰিছিল সেইখিনি বিক্ৰি কৰাৰ বাবে সুবিধা পোৱা নাছিল। বীজ ৰোপন কৰিবলৈ যাওঁতেই মধ্যভোগীয়ে অতি নিম্নমূল্যত তেওলোকৰ পৰা ক্ৰয় কৰি লৈছিল। এতিয়া সেইটো পৰিসমাপ্তি ঘটাবলৈ চৰকাৰে নুন্যতম বজাৰ মূল্য নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰ জৰিয়তে কৃষকে এতিয়া নিম্নতম প্ৰতি কুইন্টলত ১৯৪০ টকাকৈ মুল্য পাবলৈ সক্ষম হৈছে। য'ত আগতে ১০০০ বা ১১০০ টকাকৈ প্ৰতি কুইন্টল ধানৰ মূল্য পাইছিল। মোৰ আৰু কিছু ক'বলগীয়া আছিল যদিও সময়ৰ নাটনি, আৰু বহু কেইগৰাকী মাননীয় সদস্যই ক'ব গতিকে যিটো মঞ্জুৰী বিচাৰিছে তাত মই সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু কৃষি মন্ত্ৰী মহোদয়ে যিটো কৃষি ক্ষেত্ৰত বিপ্লৱ আনিবলৈ চেষ্টা চলাইছে তাৰ বাবে তেখেতসকলক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো । ধন্যবাদ ।

**ড°ৰফিকুল ইছলাম, (সভাপতি) ঃ** অনাৰেবল মেম্বাৰ নন্দিতা গাৰ্লোছা।

**Smt. Nandita Garlossa, Haflong :** Hon'ble Sir, The opposition has brought the Cut Motion and I stand against the Motion. I will like to say that everybody knows about Dima Hasao District and most specifically I like to say in our District there are some areas which are plane Areas and there are some areas which are Hilly Areas. Mostly in the Hilly Areas we go for the Jhum cultivation and in the plane Areas we go for the Bet cultivation. In the dry this one, that is Jhum cultivation we find that the environmental damage is also there, in the long process it be continues for many years there will be some of the other and environmental changes will definately be there. That is why I want to bring to the notice to the House that we have move forward for the organic farming and this for the organic farming what have seen it in , this is that the Budget is very small amount and I would like to say that we underwing the Sixth Shedule Autonomus Council being at transfered subject, we are not getting the amount which is such a requiard for . So I would like to place in the House that if it is our organic farming that is supposed to be done it should actually be given in the different allotment in the Budget that is why I standing against saying that we need more of the Budget in the District. For the organic farming certification of the process has to be done and then we can definetely see as an example if I say interior more areas everywhere there is a Jhum cultivation and it is

a multi croping system and we go for the Jhum cultivation. The Rice is being planted as in the Rice where it is being planted, we go for the other vegetables also. and to us surprised the vegetable that is being sold in the Market is of the very meagre amount. We cann't give it to the larger price also. So those are the sectors where we need to give more attention and then where the requirement is more. If we go for the Marketing place also we will requiare the Vehicles . If we go for the Cold Storages also to live it for the longer period of time then also we need Cold Storages. So construction of the Cold Storages taking of the meterials from the particular area to the place of destination where it is to be sold those areas we need actually a Van and those Van and those Van I think it will be a Cold Storage processes Van where it can be brought from our District which is of a 348 kms even if it comes to Guwahati also and if it comes to some parts in areas say for Lumding or Hojai or Nagaon if we get one marketing place where we can sell then also coming from my District to that area also requires some amount in where we can invest it and then we will get a very good produce. So my point of saying is that in the Agricultural Sector the whole districts depends on the Agriculture Sector and it can really make it a very good area in the State of Assam also because I can say that if I see the whole Map of Assam you will find that there are two districts one is Karbi Anglong which is being based on East and West Karbi Anglong but it is only in the name of hills I will say practically if we go more we will find it in our district which is 70% it has been covered by hills we will say that 85% is being covered by the farmers where they go on cultivation of the land, the other reason for my going against is that we have this in 2018-19 I can say that there has been an institution which has been given which is an Horticultural College area near Maibong but that also has not been upto-date because of the financial problem so necessity of any demand of the Institution even if it is required it is about the money that is why when it is been given in Cut Motion of the Budget to the curdle, I am standing against it in the district whatever it is been required is not up to the extent of the amount that we require, so these are the two things the Horticultural College which was supposed to be initiated it is to some process but it cannot move further, I would like to show to the House also when I was just here

and I got one message from my place that this year the products which has been just initiated means just 1(one) week before, I can show it to the House 1(one) week before, there was an programme from the Estate Department saying that Green Revolution and then they were going for the Bee Keeping so these are some of the products which can really come up in the Sector, in the Areas, where we can really produce to a larger amount. So, the process is that there are things which can be made into but then always the curdle comes about the money, so Bee Keeping when I had about this is that, when Agriculture does not means that it is only a Department where we are concerned only with the Farmers, for me Agriculture I will say it is related to so many other departments and to make the Agriculture more better I will say that I will also be concerned with the Irrigation Department if the Irrigation Department is not to the concern which we are expecting that Agriculture will again be in a loss. And in the hill areas we are only depending on the hill streams water we are not depending on the others areas where we can say that a big rivers are there from where the Irrigation system will be good we cannot depend on that. So Irrigation sector is related with the Agriculture where we can get more of the products. But I would like to say in the House when the Government has given for the Rice Mills Sector in every district, I am sad to say that in my district we cannot go for the Rice Mill Sector because of the reason that we are not input with the more amount of money where we can invest it, so that is one of the reason , lands are there, farmers are there, working capacity is there, but then there are various numbers of guys also which are being cultivable in the hilly areas so those are the areas where we can really like to put into it and come into real practice so that we can get huge number of production for the rice also that will be benefitted to my farmers so agriculture in any of the State of Assam, when there are Agricultural shows I see that any products that come from Dima Hasao District goes to other within 2 or 3 days, it does not remain for 5 days also within 2 or 3 days the whole stole of Dima Hasao products goes in sale very nicely that I can say because I have seen it and then I can also say that the Department in the district is very well equiped to do the work but only thing is that we are getting it less importance I will say, so I will say to the Government

that more important should be given , more amount should be taken into account so that along with the rest of Assam we can go also move in to the phase. Thank you so much.

**সভাপতি (ড০ ৰফিকুল ইছলাম) ঃ** ধন্যবাদ। এতিয়া ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** সভাপতি মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ সপক্ষে মই দুষাৰ কবলৈ বিচাৰিছোঁ। পোন প্ৰথমে মই আমাৰ বৰ্তমান চৰকাৰক কেইটামান কথাত ধন্যবাদ জনাইছোঁ। প্ৰথম কথা আমাৰ যিটো Brahmaputra Valley fertilizer corporation ত ২৬ শতাংশ share কিনিবলৈ লৈছে সেইটো ভাল পদক্ষেপ। কিয়নো আমাৰ manure যথেষ্ট shortes থাকে। মই আশা ৰাখিছো যে বিজ্ঞান সন্মত ভাৱে আমাৰ খেতিয়ক সকলে যি manure আজি ব্যৱহাৰ কৰিছে তাৰ কাৰণে আমি যদি খেতিয়ক সকলক সহায় কৰিবলৈ যাওঁ, তেতিয়াহলে আমাৰ mobile laboratory যিবোৰ আছে, এই mobile laboratory বিলাকৰ সংখ্যা আৰু বঢ়াব লাগে আৰু খেতিয়ক সকলক যিহেতু আমি support কৰো যে bio-fertilizer যিটো বাজেটত প্ৰভিজন ৰাখিছে bio-fertilizer encregment কৰিবৰ কাৰণে that’s a very good step. কিন্তু এতিয়া হঠাতে গোটেই কামখিনি নহয়। সেই কাৰণে বিজ্ঞান সন্মত ভাৱে খেতি কৰিবৰ কাৰণে এই urea বা অন্যান্য যিখিনি আমাৰ fertilizer আছে তাৰ কাৰণে আপোনালোকে এটা mobile laboratoryৰ ব্যৱস্থা কৰে খুব ভাল হয়। অন্যহাতেদি আমাৰ যি MOP প্ৰডাক্চন আছে, যি সকলে জানে, এই এম ও পি টো বাহিৰৰ পৰা আহে। সেইটো বাহিৰৰ পৰা আহি জাহাজত পেকিং হয়, গুজৰাটৰ প্ৰায়বোৰ বন্দৰতে এম ও পি বিলাক পেকিং হৈ আমাৰ দেশত বিতৰণ হয়। কিন্তু আমাৰ ইয়াত যিহেতু এটা নিবনুৱা সমস্যা আছে আৰু উদ্যোগৰ ক্ষেত্ৰত আপোনালোকে যথেষ্ট আগবাঢ়িছে ৰাজ্যখন মজবুট কৰিবৰ কাৰমে অৰ্থনৈতিক ভাৱে, তেতিয়া আমি যদি ব্ৰহ্মপুত্ৰইদি আমাৰ যিহেতু এতিয়া Water Ways Minister ইয়াত বহি আছে, আমি ব্ৰহ্মপুত্ৰয়েদি কেনেবাকৈ জাহাজেদি এম ও পি ইয়ালৈ আনিব পাৰি নেকি আৰু ইয়াতে যদি এটা Packaging Industry আমি কৰো তেতিয়া মই ভাৱো যে আমাৰ যি সাৰক লৈ এটা অসুবিধা হৈ আছে, বিভিন্ন সময়ত এই কথাটো আগতে উনুকিয়া হৈছিল, কিন্তু এতিয়াও কৃষকে সময়মতে সাৰ পোৱা নাই, উচিত যিটো printed price ত পাব লাগে সেইটো পোৱা নাই। মই আশা ৰাখিছো যে এই বাৰ যিটো আমাৰ খেতি চলি এই খেতি যাতে এই অৱস্থাটো আকৌ নহয় আৰু পৰৱৰ্তী বিধান সভাত যাতে এই কথাটো উপস্থাপন কৰিব লগা নহয়। কাৰণ আমি কথাখিনি পাতো কিন্তু practically পিছত কামখিনি হৈ নুঠে। বাজেটত এতিয়া যিবোৰ provision কৰিছে খুব ভাল ভাল provision কৰা হৈছে, কিন্তু আল্টিমেট্লী আমাৰ কথাবোৰ practice ত নহয়। এতিয়া যেনেকৈ অসমত কৃষিৰ এটা commision বহাবলৈ গৈ আছে এজন ভাল বিজ্ঞানীৰ হতুৱাই আমাৰ যিবিলাক botanics আছে সেই বিলাক নাইকিয়া কৰিবলৈ চেষ্টা কৰা হৈছে। Assam Milat Mission যিটো কৰিবলৈ গৈছে সেইটো খূব ভাল কথা। কাৰণ Karbi Anglong, Dima Hasao এই বিলাকত যদি মিলেট্চৰ খেতি কৰা হয় তেতিয়াহলে আমি বহুদূৰ আগবাঢ়ি যাব পাৰিম। Lu Ease policy যিখিনি সন্নিবিষ্ট কৰা হৈছে আমাৰ South East Asian Country ৰ লগত, আমি যাতে এটা সংস্পৰ্ষ কৰি আমাৰ উদ্যোগিক ক্ষেত্ৰখনত খেতিক যাতে এটা উদ্যোগ হিচাপে চলাই লৈ যাব পাৰো সেইটো খুব ভাল কথা। এইখিনিতে মই এটা কথা উল্লেখ কৰিব লাগিব যে আমাৰ যিবোৰ পশুধন আছে সেই পশুধনৰ কাৰণেও ইয়াত ব্যৱস্থা কৰা হৈছে, poddar যিখিনি লাগে এটা poddar

mission ৰ কথা কোৱা হৈছে, Decentralize যিটো pocriment Scheme আৰু ১৫০ টা নতুনকৈ আৰু ধান ক্ৰয় কৰা কেন্দ্ৰৰ কথা কোৱা হৈছে, ৪০ টান নতুনকৈ বীজৰ ক্ষেত্ৰত কৰিব লগীয়া পুঁজিৰ কৰিব খুজিছে এইটো খুব ভাল কথা আমাৰ যিবিলাক বীজ ফ্ৰাম আছে, কিন্তু এটা কথা অসুবিধা কি হৈছে সদায় দেখা গৈছে ইতিমধ্যে দুই চাৰিজনে উল্লেখ কৰিছে যে আমি সময়মতে ভাল বীজ নাপাওঁ। এইটো কিন্তু খুব গুৰুত্বপূৰ্ণ কথা। এতিয়া এই গোটেই কথাখিনিৰ লগত মোৰ কেইটামান কথা চৰকাৰক জনাবলৈ আগবাঢ়িছোঁ যে, প্ৰথম কথা আমাক অতি প্ৰয়োজন Research and Development ৰ। Research and Development চেক্টৰটোত কিন্তু ইয়াত কোনো কথা উল্লেখ নাই, এই কথাখিনি কিন্তু থাকিব লাগে। আমাৰ যিবোৰ Rice Research Institute আছে, সেই Rice Research Institute বিলাকত মই আগতেও কৈছো যে আমাৰ International Rice Research Institute level লৈ আমি নিব লাগে। সেইটো কৰিব পৰা যাব যদিহে আমাৰ যিটো National Rice Research Institute আছে বা Tamil Nadu Rice Research Institute আছে, ঠিক তেনেধৰণে আমি যদি Assam Rice Research Institute লৈ আমি যদি উন্নিতকৰণ কৰিব পাৰোঁ, তেতিয়া বহুত technology আমাৰ মাজলৈ আহিব। এতিয়া ধান ক্ৰয়ৰ ক্ষেত্ৰত আমি কথা পাতি আছোঁ কিন্তু বহুত কৃষকে এতিয়াও ধান তেওঁলোকে বিক্ৰী কৰিব পৰা নাই এইটো কাৰণে, কাৰণ ৭ কুইন্টল ধান প্ৰতিবিঘাত যিহেতু এটা ceiling বান্ধি দিয়া হৈছে, সেইটো বান্ধি দিয়াৰ ফলত বহুত ঠাইত এনেকুৱা আছে যে ১০ কুইন্টল ধান production হয়, এতিয়া যিহেতু softwareত সেইটো বান্ধি থোৱা আছে এতিয়া বহুত মানুহে ধান বিক্ৰী কৰিব পৰা নাই। যিটো ১০ লাখ মেট্ৰিকটনৰ টাৰ্গেত লোৱা হৈছে, খুব ভাল কথা। সেইটো হয়তো ক্ৰছো হ'ব, যদিহে এই যিটো Podar Lake, যিহেতুকে অসমত Agriculture Commission বহুৱাবলৈ গৈছে তাত এই Podar Lake টো নাইকীয়া, এইটো এটা প্ৰধান Podar Lake. কাৰণ ধান হলেও মানুহে বিক্ৰী কৰিব নোৱাৰে। দ্বিতীয়তে, আমাৰ যি agriculture policy আছে, North East Agriculture Policy এটা বেলেগ হ'ব লাগে complimenting the National Agriculture policy. কিয়নো আমাৰ যিটো North Eastern ৰ topography, climate সেইটো বেলেগৰ লগত নিমিলে। গতিকে আমাৰ ইয়াৰ যিখিনি খেতি সেই খেতি খিনিৰ কাৰণে চৰকাৰে যদি এটা নতুনকৈ বেলেগ ধৰণে National Rice Agriculture Policy ৰ সংগতি ৰাখি এটা যদি আমাৰ নিজা Agriculture Policy লব পৰা যায় তেতিয়াহলে পাহৰীয়া যিবিলাক আমাৰ কাৰ্বিআংলং বা North East ত NC hillsত যিটো অৰ্চাৎ কৰিব পৰা যিটো সম্ভাৱনীয়তা আছে তাত ginger হওঁক, হালধি হওঁক এই খেতিবিলাক যদি আমি কৰোঁ আৰু তেওঁলোকক আমি সেই ক্ষেত্ৰত আগুৱাই লৈ যাব লাগে আৰু অসমত ধানৰ প্ৰডাকচ্ন যাতে দুগুন কৰিব পাৰোঁ, multiple croping কৰিব পাৰো এই কথাখিনি আমি কৰিব পাৰিলে আমি বহু ধৰণে আগুৱাই যাম। এই কথা খিনি বাজেটত সন্নিবিষ্ট হোৱা নাই। অন্য এটা কথা হৈছে আমাৰ Small tea ৰ কথা কবলৈ আহিছোঁ, যে এক লাখ ৩০ হাজাৰ আমাৰ Small tea gruag আছে, এইখিনি register, un register হয়তো ২ লাখ আঢ়ৈ লাখ হ'ব। আজি ১ লাখ ৩০ হাজাৰ small tea growers আছে আৰু এইটো পঞ্জীয়নভূক্ত আৰু ৰেজিষ্টাৰ নহোৱা আঢ়ৈ লাখ মান হ'ব । এতিয়া আমাৰ দুটা মিনিষ্ট্ৰীয়ে কাম কৰে কাৰণ small tea growers বিলাকৰো এটা মিনিষ্ট্ৰী আছে, চাহ খেতি খিনি হয় ইণ্ডাষ্ট্ৰী মিনিষ্ট্ৰৰ অধীনত আহে। কিন্তু মই এইটো ক'ব বিচাৰিছো যিহেতু খেতিটো চাহ খেতিয়েই

হওঁক বা ধান খেতিয়েই হওঁক It should come under the Ministry of Agriculture এতিয়া ইণ্ডাষ্ট্ৰী হোৱাৰ কাৰণে আমাৰ এই small tea growers বিলাকে বা অন্যান্য খেতি কৰা সকলে বহু সুবিধাৰ পৰা বঞ্চিত হয় । যেনেকৈ আজি যদি মহাৰাষ্ট্ৰত যায়, গুজৰাটত যায় তাত যিবোৰ কটন খেতি আছে বা কুহিয়াৰ খেতি আছে এইবোৰ হৈছে এগ্ৰিকালচাৰ কিন্তু ফেক্টৰীটো হৈছে ইণ্ডাষ্ট্ৰী। গতিকে আমাৰ চেগ্ৰিগেট কৰি আমাৰ এগ্ৰিকালচাৰ মিনিষ্ট্ৰী আৰু ইণ্ডাষ্ট্ৰী মিনিষ্ট্ৰীত আনে, বা এইটো প্ৰচেষ্টা কৰিবলৈ চৰকাৰক মই আহ্বান জনাইছো। ইয়াৰোপৰি আমাৰ যিবোৰ ধান ক্ৰয় কৰা কেন্দ্ৰ আছে, এই কেন্দ্ৰ সংখ্যা বঢ়োৱাৰ কথা কৈছে কিন্তু ১৮০ টা পৰ্য্যাপ্ত নহয় আৰু পৰৱৰ্তী সময়ৰ বাবে এটা সুবিধা ৰাখিব লাগে যাতে আৰু বেছি আমি কেন্দ্ৰ আমি ল'ব পাৰো । এইখিনিতে মোৰ এটা কথা ক'বলৈ থাকি গ'ল, আমাৰ তিতাবৰত ৰাইচ ৰিচাৰ্চ ষ্টেচন আছে তাত আমাৰ যিবোৰ চিড় আছে সেইবোৰ সংৰক্ষণ কৰিবৰ কাৰণে এটা আমাক ৰাইচ মিউজিয়াম লাগে । তাৰ কাৰণে এটা সুবিধা ৰখাটো অতি দৰকাৰ। ৰাইচ মিউজিয়ামৰ লগতে আমাৰ বিভিন্ন ঠাইৰ পৰা কৃষক সকল আহে তাত আন্তঃগাঠনি উন্নয়নৰ কাম আছে, কৃষক সকলে থাকিবৰ কাৰণে এটা ফাৰ্মাৰচ্ হোষ্টেল অতি প্ৰয়োজন। যদি থাকে তাত আমি কৃষক সকলক ভালকৈ ৰাখিব পাৰো, ভালকৈ ৰাখি তাত আমাৰ বিজ্ঞানী সকলে যিখিনি খেতি তাত কৰিছে এই গোটেই কথাখিনি আমি দেখুৱাব পাৰিম আৰু বৰ্তমান অৱস্থাত মই ধন্যবাদ দিব লাগিব যে আমাৰ যিটো ৰাইচ ৰিচাৰ্চ প্ৰতিষ্ঠান আছে তাত খুব ভাল কাম হৈ আছে। ইতিমধ্যে ফিলিপিন্সৰ লগতো বহুত খিনি কাম আমাৰ বিজ্ঞানী সকলে নতুন নতুন ভাল শস্য উদ্ভাৱন কৰিছে, এই ক্ষেত্ৰত চৰকাৰৰ সহযোগীতা কামনা কৰিছো আৰু যিহেতু বাজেটত এই কথাখিনি সন্নিবিষ্ট কৰা হোৱা নাই। গতিকে এই কথাখিনি সন্নিবিষ্ট আমাৰ কৰিব লাগে আৰু বিগত বৰ্ষত যিখিনি কথা মই প্ৰথম বাৰ বিধান সভাত আহি পাইছিলো, যেনেকৈ বীমা যোজনাৰ অধীনত ১০ লাখ নতুন হিতাধিকাৰী সৃষ্টি কৰা, ডেৰ টন ক্ষমতা সম্পন্ন ক্ষুদ্ৰ মাছৰ দানা কাৰখানা, ১০ টা গোট নিৰ্মাণ কৰা, ১০০ খন কৃষি বজাৰ আৰু ৪০ টা পন্যাগাৰ ভড়াল আধুনিকীকৰণ বা উন্নীতকৰণ, ১০ জন প্ৰগতিশীল দুগ্ধ পালকক উৎসাহিত কৰিবৰ কাৰণে ৪ কোটি টকা ধাৰ্য্য কৰিছিলে। এই যিবোৰ সিদ্ধান্ত আচলতে বাজেটত ধৰা যায় আমি প্ৰেক্টিকেলি কৰিছো নে নাই এই কথা খিনি যদি মনিটৰ থাকিব পাৰো মই ভাবো তেতিয়াহ'লে আমি খুব ভালকৈ দেশখনক আগুৱাই নিব পাৰিম । এই খিনি কথা দৃষ্টি আকৰ্ষণ কৰি মোৰ কৰ্তন প্ৰস্তাৱৰ সপক্ষে মোৰ এই বক্তব্য ৰাখি সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিছে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো । For Oil seed production and productivity under NMOC in the year 2016-17 পিছলৈ গৈ Amazing state in agriculture growth ever by India Today group 2017 মাননীয় উপাধ্যক্ষ মহোদয়, এখন চৰকাৰে দায়িত্ব লাভ কৰাৰ পিছত কেনেধৰণে অসমৰ এটা গুৰুত্বপূৰ্ণ বিষয় যি আমি সকলোৱে কৈ থাকো অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু এই ৰাজ্যৰ কৃষক সকলক ৭০ শতাংশ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে খেতিৰ লগত জড়িত। ইয়াৰ লগতে ৰাজহ যদি চাওঁ ১৬-১৭ শতাংশৰ ওচৰত কন্ট্ৰিবিউট কৰে। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মাননীয় কৃষি মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াই কৃষি খণ্ডত লোৱা প্ৰয়াসৰ বাবে ইণ্ডিয়া টুডে গ্ৰুপে Best amazing state in agriculture প্ৰদান কৰিছে। চৰকাৰে কৃষক সকলক

কৃষি কৰ্মৰ বাবে উৎসাহিত কৰিবৰ বাবে কেইবাটাও পুৰষ্কাৰ কৃষক সকলক প্ৰদান কৰিছে । গতিকে অসম বৈভৱ, অসম গৌৰৱ, অসম সৌৰভ আদি পুৰষ্কাৰ প্ৰদান কৰি বিশেষকৈ এগ্ৰ' এক্সপোৰ্টাৰ শ্ৰী কৌশিক বৰুৱাক যিদৰে সন্মান প্ৰদান কৰিলে এই বিষয়টোৱে কৃষিৰ লগত জড়িত লোক সকলক উৎসাহিত কৰিব । যোৰহাটৰ শ্ৰী আকাশজ্যোতি গগৈ, Poultry farmer শ্ৰী মনোজ কুমাৰ বসুমটাৰী piggery farmer এখেত সকলক পুৰষ্কাৰ লাভ কৰিব সক্ষম হৈছে ।

চৰকাৰে পুৰষ্কাৰ প্ৰদানৰ যি নতুন ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে মই চৰকাৰক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো । কেন্দ্ৰীয় চৰকাৰে মাজুলীৰ কৃষক শ্ৰী বিনয় লেখক আৰু লক্ষীমপুৰৰ কৃষক শ্ৰী হেমকান্ত পায়েং ডাঙৰীয়াক ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত পুৰষ্কৃত কৰি উৎসাহিতত কৰিছে, সেইটো সঁচাকৈয়ে শলাগ ল'বলগীয়া কথা ।

ভাৰতৰ মহিলা কৃষক সকলক আগুৱাই নিয়াৰ বাবে ভাৰত চৰকাৰে আৰু ৰাজ্য চৰকাৰে যোৰহাটৰ শ্ৰীমতী নন্দিতা দাস আৰু গোৱালপাৰাৰ শ্ৰীমতী দিপিকা ৰাভা আদি মহিলা কৃষকক পুৰষ্কৃত কৰি উদগনি যোগাইছে, সেইটো শলাগ ল'বই লাগিব ।

প্ৰধানমন্ত্ৰীৰ পি এম কিষাণ আঁচনিৰ দ্বাৰা কৃষক সকলক তিনি মাহৰ মুৰে মুৰে ২ হাজাৰ টকাকৈ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াৰ দ্বাৰা বহুতো কৃষক উপকৃত হৈছে। পলি হাউচ, চেক্, বীজ, ট্ৰেক্টৰ বা পাৱাৰ টিলাৰ, পেডি কমবাইন হাৰ্ভেষ্টাৰ আদি কৃষক সকলৰ মাজত বিতৰণ কৰা দেখিবলৈ পাইছো । আগতে বিধায়ক হৈ থাকোতেও এনে দৃশ্য মই কেৱল টিভি. পেপাৰ বা ইউটিউব আদিত হে দেখিবলৈ পাইছো যিটো আমি মই মোৰ সমষ্টিত নিজ চকুৰে দেখাৰ সৌভাগ্য হৈছে। গতিকে ভাৰতীয় জনতা প্ৰাৰ্টীৰ চৰকাৰ খনৰ শলাগ ল'বই লাগিব ।

চৰকাৰে পেডি ৰিপাৰ, মাষ্টৰ্ড অইল এক্সপেলাৰ আদি বিতৰণ কৰি কৃষক সকলক যথেষ্ট উদগনি যোগাইছে, যিটো আমি আগতে দেখা পোৱা নাছিলো । আজি কৃষক সকলক উন্নত প্ৰশিক্ষন প্ৰদান আৰু এক্সপোজাৰ ভিজিটৰ যি ব্যৱস্থা কৰিছে আমি তাৰ শলাগ ল'বই লাগিব । আজি বিৰোধীয়েও পুঁজিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কিছু পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যত চোইল টেষ্টিং লেবৰট'ৰি আগতে মাথো এটা আছিল, এতিয়া চৰকাৰে জিলাই জিলাই এনে লেব'ৰটৰি স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে । এম. এছ. পি. ৰ যিটো ১৯৪০ টকাত ধান বিক্ৰী কৰাৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে ইয়াৰ দ্বাৰা ৰাজ্যৰ কৃষক সকল যথেষ্ট উৎসাহিত হৈছে । এই বিষয়টোৱে নতুন কৃষক সৃষ্টি কৰিব সক্ষম হৈছে । গতিকে এম. এছ. পি. ৰক্ষেত্ৰত চৰকাৰ খনে যি ঐতিহাসিক সিদ্ধান্ত ল'লে তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰ আৰু কৃষি মন্ত্ৰীৰ সহযোগীতাৰ বাবেহে সম্ভৱ হৈছে সেইটো স্বীকাৰ কৰিবই লাগিব ।

অসমত আগতে নহোৱা এগ্ৰিকালচাৰি কমিচন গঠন কৰা, ফচল বীমা যোজনা আদিৰ শলাগ লব'ই লাগিব । কাৰণ আগতে খেতি নষ্ট হ'লে কৃষকক সাহাৰ্য্য দিয়াৰ একো ব্যৱস্থা নাছিল । কিন্তু এতিয়া খেতি নষ্ট হ'লে কৃষক সকলে ফচল বীমা যোজনাৰ পৰা ক্ষতিপুৰণ লাভ কৰিব সক্ষম হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, কৃষক সকলে সামগ্ৰী বিক্ৰী কৰিবৰ বাবে যি সমূহ বজাৰ উন্নতিকৰণ কৰাৰ যিটো ব্যৱস্থা গ্ৰহণ কৰিছে, এইটো শলাগ ল'ব লাগিব। আমাৰ মাননীয় জ্যেষ্ঠ বিধায়ক পদ্ম হাজৰিকা ডাঙৰীয়া, বিদ্যা সিং ইংলেং ডাঙৰীয়া, মৃণাল শইকীয়া ডাঙৰীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, নন্দিতা বাইদেউ কেইজন সকলোৰে নাম লোৱা নাই, সুন্দৰ সুন্দৰ পদক্ষেপ দিছে। মই চাৰিটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। জৈৱিক ফাৰ্মৰ ক্ষেত্ৰত আমি অকণমান

জোৰ দিয়াটো ভাল। জৈৱিক ফাৰ্মৰ নৱনীতা দাস, দিপিকা ৰাভা ডাঙৰীয়ানীৰ পৰা আদি কৰি কেওঁজন কৃষকে প্ৰমাণ কৰি দেখুৱাইছে। জৈৱিক ফাৰ্মৰ জৰিয়তে আমি বহুত টকা উপাৰ্জন কৰিব পাৰো। কৃষি বিশ্ববিদ্যালয় আমাৰ যোৰহাটত আছে, মোৰ তাত ঘৰ হয়, মোৰ বহুত বন্ধু প্ৰফেচাৰ হৈ আছে। তেওঁলোকৰ বহুত গৱেষণা পত্ৰ আছে। সেই গৱেষণা পত্ৰ বিলাক যদি চৰকাৰে বা চৰকাৰী বিষয়াই অধ্যয়ণ কৰে তেতিয়া হ'লে আমাৰ কৃষক সকলে বহুত উপকৃত হ'ব। সেয়েহে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম thesis বোৰ অধ্যয়ন কৰিবলৈ। আমাৰ কৃষি, জলসিঞ্চন আৰু ভূমি সংৰক্ষণ বিভাগকলৈ যৌথ ভাবে অসম আৰু ভাৰত চৰকাৰৰ এটা আঁচনি আছিল। ইয়াৰ ফলত মাজে সময়ে কিছুমান সভা সমিতি অনুষ্ঠিত হৈছিল এই ব্যৱস্থাটোক আমি ভালদৰে এতিয়ালৈকে কাৰ্য্যক্ষম কৰিব পৰা নাই। গতিকে এই ক্ষেত্ৰত সমষ্টি ভিত্তিক কৃষি, জলসিঞ্চন আৰু ভূমি সংৰক্ষণ বিভাগলৈ যৌথভাবে সভা কৰে তেতিয়া হ'লে খুৱ ভাল হ'ব। এই ক্ষেত্ৰত যদি প্ৰয়োজন হয় বন বিভাগকো লগত ল'ব লাগে। যিবোৰ ঠাইত প্ৰয়োজনীতা আছে। মোৰ মৰিয়নি সমষ্টিত গিৱন অভয়াৰণ্য আছে তাত হাতী ওলায় তাত হাজাৰ হাজাৰ বিঘা মাটিত ৰাইজে এতিয়ালৈকে খেতি কৰিব পৰা নাই। এই ক্ষেত্ৰত আমি যদি বন বিভাগক লৈ আগবাঢ়ো তেতিয়া হ'লে নিশ্চয় সুফল পাম । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য ড° ৰফিকুল ইছলাম। আপোনালোকৰ তিনিজন বক্তা আছে আৰু ১০ মিনিট সময় আছে। তাৰ ভিতৰত আপুনি কওঁক।

**ড° ৰফিকুল ইছলাম (জনীয়া)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'বলৈ লৈছো। অসমখন যে, কৃষি প্ৰধান ৰাজ্য আমি সকলোৱে জানো আৰু ইয়াৰ প্ৰায় ৭০ শতাংশ জনসংখ্যা কৃষিৰ লগত জড়িত। গোটেই অসমত যিমান খেতি হোৱা ভূমি আছে, সেইটো পৰিসংখ্যাৰ কিতাপত দিয়া অনুযায়ী ৪৫ লাখ ৭৪ হাজাৰ ৮১২ হেক্টৰ মাটিত আমি কৃষি কৰিব পাৰো। কিন্তু ইয়াত যিটো প্ৰতিবেদন আছে, খাদ্য শস্য উৎপাদন আৰু উদ্যান শস্য উৎপাদনৰ ক্ষেত্ৰত যি পৰিসংখ্যা আছে, ইয়াত যিটো ২০২০-২১ চনৰ তথ্য দিয়া আছে, সেই অনুযায়ী ২০২০ চনত যিমান খেতি বাতি হৈছিল ২০২১ চনত তাতকৈ কম খেতি কৰিছে মানুহে। সেই অনুযায়ী ২০১৯-২০ চনত যিমান শস্য উৎপাদন হৈছিল সেইটো ২০২০-২১ চনত প্ৰায় প্ৰধান শস্য বিলাকৰ উৎপাদন কমিছে। শাৰদীয় সময়ৰ দান বুলিয়ে কওঁক বা শীতকালীন ধান বুলিয়ে কওঁক বা আটা, মৰাপাট আনকি শাক-পাচলি আৰু ফল-মূল এই যি মুখ্য খেতি হয় তাৰ ভিতৰত ২০১৯-২০ চনত যিমান খেতিৰ উৎপাদন হৈছিল তাতকৈ ২০২০-২১ ত ইয়াৰ পৰিমাণ কমিছে। মুঠতে ২০২০-২১ মানুহে কম খেতি কৰিছে। কিন্তু খেতি কৰা সংখ্যা বছৰে বছৰে বাঢ়িব লাগিব আমাৰ ওলোটাকৈ কমি গৈছে. এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ হাতত ৩৯/৪০ লাখ হেক্টৰ মাটি আছে। কিন্তু ইমানখিনি মাটিত খেতি কৰা নহয়। গতিকে খেতিৰ পৰিমাণ কেনেকৈ বঢ়াই যাব পাৰো তাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বহুত সমস্যাও আছে। জলসিঞ্চন কৃষি বিভাগৰ অধীনস্থ বিভাগ নহয়, সেইটো এটা বেলেগ বিভাগ। কিন্তু অসমৰ আমি যদি জলসিঞ্চনৰ ব্যৱস্থা থকা কৃষি ভূমি চাওঁ তেতিয়া হ'লে আমি দেখা পাম ৭ শতাংশ মাটিহে জলসিঞ্চনে আৱৰি লয়। এইটো চৰকাৰে দিয়া তথ্য মই নিজে কোৱা কথা নহয়। ২০১৯-২০, ২০২০-২১ চনত ২০১৯-২০ চনত যিমান ঠাইত জলসিঞ্চনৰ ব্যৱস্থা আছিল ২০২০-২১ চনত তাতকৈ কমিছে। বছৰে বছৰে বাঢ়িব লাগে কিন্তু আমাৰ কমি গৈছে। আমি এনেকুৱা কিছুমান ব্যৱস্থা ল'ব লাগে যে, এইবাৰ যদি আমাৰ ২ লাখ হেক্টৰ জলসিঞ্চনৰ ব্যৱস্থা থকা কৃষি ভূমি আছে, অহাবাৰ এইটো ৩ লাখ

হেক্টৰ কৰিম। এনেকৈ কৰি গৈ আমি ৪০ লাখ হেক্টৰলৈকে কৰিব লাগিব। কিন্তু আমি লক্ষ্য কৰিছো যে, গোটেই অসমত ২ লাখ ৯৭ হাজাৰ ৫৬২ হাজাৰ ভূমিত হে জলসিঞ্চনৰ ব্যৱস্থা আছে। গতিকে আমাৰ যিটো শ্লোগান আছে যে, খেতিয়কৰ আয় আমি দুগুণ বঢ়াম এইখিনি কৰিবলৈ হ'লে আমি খেতিয়কক ভাল বীজ দিব লাগিব। যোৱাবছৰ আমি লক্ষ্য কৰিছো যে, অকল মোৰ সমষ্টি নহয় গোটেই অসমতে দেখিছো যে, ধানৰ ঠাইত পতানহে ওলাইছে। অন্যান্য শস্য বিলাকো নষ্ট হৈছে। মোৰ সমষ্টি জনীয়াত বিভিন্ন ঠাইত মানুহে আন্দোলন কৰিছে বৰপেটা, ধুবুৰী আদি বহুতো ঠাইত পতান হে ওলাইছে। ইয়াৰ ফলত খেতিয়ক সকলে বহুত লোকচানৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বছৰত ২০০০ বা ৬০০০ টকা দি দিয়াটো ডাঙৰ কথা নহয়, কিন্তু ইয়াৰ বিপৰীতে কোনোবা কৃষকে ১০ বিঘা মাটিত খেতি কৰে গোটেইখিনি ধংস হৈ যায়, তেতিয়া তেখেতৰ লাখ লাখ লোকচান হয়। গতিকে ২০০০ টকাৰ ঠাইত আমি ভাল বীজ যোগানৰ ব্যৱস্থা কৰিব লাগে। সময় মতে আমি ৰাসায়নিক সাৰৰ ব্যৱস্থা কৰো। এই বিষয়ে আমি আলোচনা কৰিছিলো এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে, নিশ্চয় কিছু পদক্ষেপ গ্ৰহণ কৰি আছে। কিন্তু সৰু সুৰা যি বিলাক দোকান সেই বিলাকতহে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। য'ত আচল দুৰ্নীতিটো হৈছে তাত কিন্ত চৰকাৰে হাত দিয়া নাই। নামৰূপত থকা আমাৰ সাৰ কোম্পানীৰ পৰা বা ইপকোৰ পৰা সাৰ ক্ৰয় কৰাৰ সময়ত তেওঁলোকে সাৰৰ লগত অন্যান্য কিছুমান বস্তু জোৰ কৰি পাইকাৰী বিক্ৰেতাক দি দিয়ে। ইউৰিয়াৰ লগত মাটি দিয়ে, অন্যান্য কীট নাশক ঔষধ দিয়ে, এই বস্তু বিলাক খেতিয়কে ব্যৱহাৰ নকৰে। এইখিনি যেতিয়া পাইকাৰী বিক্ৰেতাক দি দিয়ে আৰু পাইকাৰী বিক্ৰেতাই খুচুৰা বিক্ৰেতাক দি দিয়ে। যেতিয়া কৃষকে এইখিনি ল'বলৈ অস্বীকাৰ কৰে তেতিয়া সেই বস্তুখিনিৰ মূল্যটো ইউৰিয়া সাৰৰ ওপৰত ধৰি দিয়ে। যাৰ ফলত ২৫০ টকাৰ ইউৰিয়া সাৰৰ মূল্য ৫০০ টকা হয়। ইয়াৰ লগত পৰিবহন খৰচ আদি ধৰি মূল্য ৭০০ পৰা ৮০০ টকা হয়। কোম্পানীয়ে কিবা নতুন বস্তু আৱিস্কাৰ কৰিছে তাৰ ব্যৱহাৰ বৈজ্ঞানিকক দি ৰাইজক ইয়াৰ ফলটো দেখুওৱাক। তেতিয়া মানুহে নিজ ইচ্ছা মতে ল'ব। মানুহক জৱৰদস্তি দিয়া ব্যৱস্থাটো উচিত নহয়। আমি যদি পাঞ্জাব, হাৰিয়ানা বা উত্তৰ প্ৰদেশৰ বিষয়ে চাওঁ, তেতিয়া আমিদেখা পাম যে, তাত অকল ট্ৰেক্টৰে দিয়া নাই। তাত যিবোৰ ফাৰ্মৰ কাৰণে সা-সঁজুলিৰ দৰকাৰ সেইবোৰ তাত ব্যৱহাৰ কৰা হৈছে। আমাৰ অসমত সেইবোৰৰ দুই, এটাহে আহি পাইছে। গতিকে বিভাগীয় কৰ্তৃপক্ষই এই ফাৰ্মৰ সা-সজুলিৰ ওপৰত গুৰুত্ব দিয়ে। যাৰ ফলত কৃষক লাভান্বিত হ'ব। এতিয়া ফল-মূলৰ খেতি কৰা হৈছে, যেনে-ষ্ট্ৰবেৰী, বা বেৰী আদিৰ ক্ষেত্ৰত বাহিৰৰ পৰা পুলি অনাৰ বাবে বহুত টকা খৰচ কৰিবলগীয়া হয়। আমাৰ বহুত লৰাই এই বিলাক কৰি আছে। কিন্তু এইবোৰৰ ক্ষেত্ৰত কৃষি বিভাগে বিহিত ব্যৱস্থা লৈ আমাৰ ইয়াৰ পৰা যোগান দিয়াৰ ব্যৱস্থা কৰে তেতিয়া হ'লে আমাৰ খেতিয়ক সকলৰ লাভ হ'ব। ইয়াৰ লগতে ধান MSP ত ক্ৰয় কৰাৰ নিচিনাকৈ বাকী সামগ্ৰী বিলাকো যেনে-ঘেহু, মৰাপাট, আলু ইত্যাদি বা সৰিয়হ আদি এই বিলাকো MSP ত ক্ৰয় কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ফালে বৰপেটা, ধুবুৰীত তিনিটা খেতি কৰা হয়, অসমৰ বহু ঠাইত দেখা পাইছো মাত্ৰ এটা খেতি কৰা হয়, গতিকে সেই বিলাক অঞ্চলত কেনেকৈ ২ বা ৩ টা খেতি কৰিব পাৰো, তেনেকুৱা ধৰণৰ পৰিকল্পনা বিভাগে হাতত ল'ব লাগে। এইটো নকৰি, চৰৰ দুখীয়া মানুহখিনিক উঠাই দি তাতে ফাৰ্ম কৰিব এইটো ভাল কথা নহয় কাৰণ তিনিটা খেতি কৰি তেখেত সকলে চৰকাৰক ৰাজহ আদায় দি আছে। আমাৰ কৃষি বিভাগটো তেখেত সকলে চৰ্চাত ৰাখিছে। গতিকে সেই সকল লোকক উচ্ছেদ কৰি তাত চৰকাৰে ফাৰ্ম কৰাৰ কোনো প্ৰয়োজনীয়তা নাই। তেখেত

সকলক যদি আমি সা-সুবিধাখিনি দিওঁ তেতিয়া হ'লে চৰকাৰৰ লাভ হ'ব কাৰণ অসমৰ যি বিলাক ঠাইত এটা মাত্ৰ খেতি কৰা হয়, সেই অঞ্চলৰ লৰা-ছোৱালীক জড়িত কৰি তেওঁলোকক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে সেইবোৰ ঠাইত ২ পৰা ৩ টা খেতি কৰিব পৰা যাব। তেতিয়া আমাৰ বিভাগটো বহুত আগবাঢ়ি যাব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী দুৰ্গা দাস বড়ো। তেখেতৰ অনুপস্থিতিত মাননীয় সদস্য

**শ্ৰীকৃষ্ণেন্দু পাল (পাথারকান্দি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, কর্তন প্রস্তাবের উপর আমাকে বলার সুযোগ দেওয়ার জন্য ধন্যবাদ। আজ যারা কর্তন প্রস্তাব এনেছেন, তার বিরোধীতা করে আমি মন্ত্রী মহোদয় যে গ্রান্ট উপস্থাপন করেছেন তার সমর্থন করে আমি আমার বক্তব্য রাখছি। একটা কবিতার পংক্তি আছে -- 'হেথা নয়, হেথা নয়, আর কোনখানে।' এই মনোবৃত্তি ত্যাগ করে আসুন উন্নয়নের জয় গান গাই। উপাধ্যক্ষ মহোদয়, আমাদের সর্বকালের শ্রেষ্ঠ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা মহাশয় এবং আমাদের কৃষি মন্ত্রী অতুল বরা মহাশয় অসম যাতে কৃষির ক্ষেত্রে সমগ্র ভারতের অন্যান্য রাজ্যের সাথে তুলনা দিয়ে চলতে পারে, তার জন্য উনারা যে প্রয়াস চালিয়ে যাচ্ছেন তা অত্যন্ত প্রশংসনীয়। বিশেষ করে অসমের মানুষ খুব ভাগ্যবান অসমে ৩০.৫০ লাখ হেক্টর কালটিভেটেড লেণ্ড আছে। আমরা কৃষি ক্ষেত্রে অনেক কিছু করতে পারি। আমাদের মন্ত্রী মহোদয় দিন-রাত্র অক্লান্ত পরিশ্রম করছেন, যাতে কৃষি ক্ষেত্রে আমরা আরও অনেক উন্নতি করতে পারি। বিগত বছরে আমাদের মাননীয় মন্ত্রী মহোদয় আমাদের নিয়ে ভিয়েতনাম সফরে গিয়েছিলেন সঙ্গে আমাদের উপাধ্যক্ষ মহোদয়ও ছিলেন। আমরা দেখেছি ভিয়েতনাম একটা ছোট দেশ। কিন্তু উনাদের দেশের Highest GDP they are earning from agriculture. Agricultureসেক্টরে তারা অনেক এগিয়ে গেছে। বিশেষ করে তারা তিনবার ফসল উৎপাদন করে একটা জমির উপরে। আমরা এরকমও দেখেছি ভারতবর্ষ থেকে বীজ নিয়ে তারা সেটার নাম দিয়েছেন ইণ্ডিকা, এবং সেই চাল তারা আমেরিকাতে এক্সপোর্ট করেন। আর জাপানিকা এই ভিয়েতনামেই প্রোডাকসন হয়ে জাপানে এক্সপোর্ট হয়। প্রচুর পরিমানে চাল এক্সপোর্ট হয়। ভিয়েতনাম শহরের ওভার ব্রিজের নিচে যে মাটি আছে সেখানেও তারা মেডিকেটেড প্ল্যান্ট রোপন করেছেন। সামান্য পরিমান মাটিকেও উনারা অপব্যবহার করেননি। তাই বিশেষ অনুরোধ করব আমরা ৩০.১৫ লাখ হেক্টর মাটিকে আমরা যদি সদব্যবহার করতে পারি। তাহলে অসম আগামী দিনে এক্সপোর্টিং রাজ্য হিসাবে প্রতিষ্ঠিত হবে। আমি এখন আমাদের জেলার কথা কিছু বলছি। আমাদের করিমগঞ্জের সিংহভাগ মানুষ কৃষিকাজের উপর নির্ভরশীল। বিশেষ করে ১ লাখ ২১ হাজার ৪৫৩ হেক্টর ভূমির মধ্যে ত্রি-ফসলী জমি রয়েছে ২৯ হাজার ৩৪০ হেক্টর। ত্রি ফসল ফলে ৪ হাজার ৩৮৪ হেক্টর জমিতে। এখানে সত্তর শতাংশ থেকে আশি শতাংশ মানুষ নির্ভরশীল এই কৃষির উপর। বিশেষ করে আমার বিধান সভা সমষ্টি পাথারকান্দিতে আশি শতাংশ মানুষ কৃষিজীবি। ১৮ টি বড় চা বাগান রয়েছে। এই বাগানগুলোতে কমপক্ষে ৩০ শতাংশ মানুষ কৃষি কাজ করে জীবিকা নির্বাহ করে। কিন্তু তাদের কোন নিজস্ব জমি নেই। বাগানের জমিতে ধান, সবজি ইত্যাদি ফসল ফলায় যেহেতু তাদের নিজস্ব জমি নেই। তাই ২০০০ টাকা করে প্রতি চার মাস অন্তর প্রধানমন্ত্রীর যে স্কীম সেটার সুযোগ তারা পাচ্ছেন না। আর বিশেষ করে যারা কাউন্টেড এগ্রিকালচারিষ্ট না বিশেষ করে আমি এই কথাটা এই কারণে বলছি যে ৫৮ thousand ১৩০ টি counted based census 2011. farmer হিসাবে তাদের স্বীকৃতি দেওয়া হয়েছে। কিন্তু 46086 জন Landless, shareproper, agree labour আছে তারা যাতে সেই সুযোগ টা পায় তার জন্য ব্যবস্থা করা হোক। বিশেষ

করে আমাদের ফরেষ্ট ভিলেজ যেগুলো আছে, সেখানে ট্রাইবেল মানুষ আছেন, তারা সেই সুযোগ থেকে বঞ্চিত হচ্ছেন। আমাদের চা বাগানের কৃষকরা সেই সুযোগ পাচ্ছেন না। তাই তারা যাতে সেই সুযোগ পান তার জন্য মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি। আমার দুইটা জরুরী পয়েন্ট আছে, বাজারঘাটে কৃষি বিভাগের দুইটা ফার্ম হাউস ছিল যেটা বর্তমানে জবরদখল হয়েছে। এই জমিতে ইটভাট্টা বানিয়ে দেওয়া হয়েছে। তাই এই জমি এভেকসন করে এই মাটি টা এগ্রিকালচার ফার্ম হাউসে যাতে ব্যবহার করা হয় তার জন্য অনুরোধ করলাম। আমাদের পাথারকান্দিতে একটা এডিও সার্কেল যাতে করার জন্য অনুরোধ করলাম। আমাদের প্রিয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা মহাশয় বরাক উপত্যকার পাথারকান্দিতে একটা এগ্রিকালচার ইউনির্ভাসিটি স্থাপিত করার কথা বলেছিলেন। আগামী দিনে যাতে বরাক উপত্যকায় এই বিশ্ববিদ্যালয়টি হয় তার জন্য অনুরোধ করছি। আমাদের করিমগঞ্জ বন্দর শহর এখানে বিধায়ক বিদ্যা সিং ইংলে দাদা বলেছেন যে জিঞ্জার, সাইট্রাস, কমলা এইসব ফসল বাংলাদেশে প্রচুর পরিমানে এক্সপোর্ট হয়। তাই আমরা বরাক উপত্যকায় আগামী দিনে বিশেষ ভাবে এইসব ফসল যাতে উৎপাদন করতে পারি। তাহলে আমরা আরও বেশি করে বিদেশী মুদ্রা উপার্জন করতে পারব। এই কথাগুলো বলে উপাধ্যক্ষ মহোদয়কে ধন্যবাদ জানিয়ে আমি কর্তন প্রস্তাবের বিরোধীতা করে আমার বক্তব্য শেষ করলাম। নমস্কার।

**শ্রীগোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি)** ঃ- -- মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱক বিৰোধীতা কৰি কৃষি বিভাগৰ ওপৰত কিছু বক্তব্য ৰাখিব বিচাৰিছো। আমি সকলোৰে জানো যে অসম কৃষি প্ৰধান ৰাজ্য অসমৰ ৮৬ শতাংশ ৰাইজ গাঁও অঞ্চলত থাকে আৰু গাঁও অঞ্চলত বসবাস কৰা প্ৰায় ৭০ শতাংশ ৰাইজ খেতিৰ লগত জড়িত হৈ আছে। সেয়েহে গাম্য অৰ্থনীতিক যদি সবল কৰিবলগীয়া হয়, তেন্তে কৃষি খণ্ডত আমি অধিক গুৰুত্ব দি কাম কৰিব লাগিব। কৃষিখণ্ডত অধিক গুৰুত্ব দি গ্ৰাম্য অৰ্থনীতিক যদি আমি সবল কৰো তেন্তে ই ৰাজ্যিক অৰ্থনীতিকো যথেষ্ট সবল কৰিব পাৰিব। অসমৰ কৃষি খণ্ডত বিভিন্ন আঁচনি লৈ এক পৰিবৰ্তন আনিবলৈ চেষ্টা কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। এই ক্ষেত্ৰত নিশ্চয় সফল হ'ব। আমি অসমৰ নাগৰিক হিচাপে সুখী হ'ব লাগিব যে স্বাধীনতাৰ ৭৫ বছৰ পিছতো অসমৰ ধান এফ.চি.আই. ৰ জৰিয়তে ক্ৰয় কৰিব পৰাৰ সুবিধাখিনি বৰ্তমানৰ চৰকাৰে কৰি দিছে। ইয়াৰ আগতে আমাৰ খেতিয়ক সকলে যথেষ্ট কষ্ট কৰিব লগা হৈছিল, খেতিৰ পৰা তেওঁলোকে উচিত মুল্য পোৰা নাছিল। কিন্তু আজি এই ব্যৱস্থা হোৱাৰ পিছত ধানখেতি কৰা খেতিয়ক সকলে ন্যূনতম support price খিনি পাব। লগতে ধানখেতিত অধিক মনোনিবেশ কৰি খেতি কৰিবলৈ ৰাইজ আগুৱাই যাব। অসমৰ ভূমি সকলো খেতিৰ কাৰণে উপযোগী হয়। সকলো ধানৰ খেতি কৰি আমি সবল হ'ব পাৰো। বিশেষকৈ সৰিয়হ, শাক-পাচলি, গোমধান, ঘেহু ইত্যাদি। কিন্তু অসমৰ ৰাইজে ধানৰ ওপৰত বেছি গুৰুত্ব দি ধানৰ খেতি কৰে। সেয়েহে অসমৰ বিভিন্ন খেতি কৰিবলৈ অসমৰ ৰাইজক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন আছে। খেতিয়ক সকলৰ মাজত বিভিন্ন বিষয়ৰ খেতিৰ ওপৰত সজাগতা অনাৰ বাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় কৃষি মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। বৰ্তমান যুৱ চাম খেতিৰ পৰা যথেষ্ট আতৰত থাকে। তেওঁলোক খেতিৰ প্ৰতি আগ্ৰহী নহয়। অসমত যিহেতু যথেষ্ট নিবনুৱা সমস্যা আছে, সেয়েহে মই অনুভৱ কৰো যে যুৱ প্ৰজন্মকো কৃষি খণ্ডত জড়িত কৰাৰ দৰকাৰ আছে। কাৰণ কৃষি কাৰ্য্যই আটাইতকৈ বেছি নিয়োগ দিব পাৰে। কাৰণ বৰ্তমান আমাৰ অসমৰ ৭০ শতাংশ মানুহ যিহেতু কৃষিৰ লগত জড়িত হয় আৰু বেছি ভাগ জব এই কৃষি কাৰ্য্যৰ জৰিয়তে দিব পৰা যায়। মাত্ৰ আমাৰ

যুৱ চামক আমি কৃষিৰ প্ৰতি আকৰ্ষিত কৰিব লাগিলে তেখেত সকলৰ মাজত কৃষি ক্ষেত্ৰত প্ৰতি সজাগতা আনিব লাগিব আৰু পঢ়া-শুনাৰ ব্যৱস্থা কৰিব লাগিব। কাৰণ আমাৰ আগৰ যিখিনি ট্ৰেডিশ্যনলে খেতি কৰাৰ পদ্ধতি সেইখিনিৰে আমি তেওঁলোকক আকৰ্ষণ কৰিব পৰা নাযাব। সেই কাৰণে আমি কৃষি ক্ষেত্ৰত এটা বিপ্লৱ আনিবলৈ বিচাৰিছো। আধুনিকীকৰণৰ ব্যৱস্থাৰে চিন্তা-চৰ্চা কৰি বৰ্তমান চৰকাৰে কাম কৰিবলৈ প্ৰস্তুত হৈছে সেইকাৰণে আমাৰ যুৱ চামক কৃষি কাৰ্য্যৰ লগত জড়িত কৰিব লাগিব আৰু জড়িত কৰিব লাগিলে তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আমি খেতিয়ক সকলক সকাহ দিয়াৰ কাৰণে বিশেষকৈ বি টি আৰ চৰকাৰে যোৱা বছৰ কৃষিৰ ক্ষেত্ৰত এটা সিদ্ধান্ত লৈছো। সেই সিদ্ধান্ত মৰ্ম্মে আমি বৰ্তমান প্ৰতিটো কাউঞ্চিল সমষ্টিত একো একোটা ফাৰ্ম নেশ্যনল বেংক আৰম্ভ কৰিছো আৰু এই বেংকত আমি ট্ৰেক্টৰ, ধানকটা মেচিন, মৰণা মৰা মেচিন আমি চৰকাৰী হিচাপে ৰাখিছো আৰু যিসকল খেতিয়কে ইচ্ছা কৰে তেওঁলোকে কম ভাৰাত এইখিনি নি নিজৰ কামত ব্যৱহাৰ .কৰিব পাৰে। পৰৱৰ্ত্তী সময়চোৱাত আমি প্ৰতিটো পঞ্চায়ত এলেকাত একো একোটা ফাৰ্ম নেশ্যনেল বেংক খোলাৰ সিদ্ধান্ত লৈছো। বৰ্তমান আমি এটা এটা কাউঞ্চিল, সমষ্টিত এটা এটা ফাৰ্ম নেশ্যনেল ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিছো। আমাৰ বিশ্বাস যে ইয়াৰ দ্বাৰা আমি খেতিয়ক সকলক অন্তত যথেষ্ট সহায় কৰিব পাৰিম আৰু আমাৰ খেতিয়ক সকল যথেষ্ট উপকৃত হ'ব, কৃষি ক্ষেত্ৰত যথেষ্ট উন্নতি হ'ব। আমাৰ গোটেই বি টি আৰ অঞ্চলত যিখিনি মাটি আছে, যিখিনি ভূমি আছে ইয়াত আমি বিভিন্ন ধৰণে খেতি কৰো। বিশেষকৈ আজি চাৰি-পাঁচ বছৰৰ মানৰ পৰা তৰমুজৰ খেতি যথেষ্ট পৰিমাণে কৰা হৈছে আৰু ইয়াৰ দ্বাৰা বহুত উপকৃত হৈছে। বিশেষকৈ আমাৰ যুৱ চাম ইয়াৰ প্ৰতি যথেষ্ট আকৰ্ষিত হৈছে। মাজতে কৰ'ণা ভাইৰাচৰ সংক্ৰমণৰ বাবে লোকচান হৈছিল। এইবাৰ যোৱাবাৰতকৈ দুগুণ খেতি কৰা দেখিছো। আমি আশা কৰিছো এইবাৰ বতৰ যদি ভালে থাকে নিশ্চয় সফল হ'ব আৰু আমাৰ খেতিয়ক সকল উপকৃত হ'ব। তাৰোপৰি আমাৰ অঞ্চলত আৰু এবিধ খেতি আমাৰ যুৱ চামে কৰিছে। সেইটো হ'ল ড্ৰেগন ফ্ৰুট। আজি বহুতেই ইয়াৰ দ্বাৰা উপকৃত হৈছে, বজাৰত মূল্য পাইছে আৰু আমি আশা কৰিছো অহা দিন বিলাকত আমাৰ খেতিয়ক সকল আৰু অধিক ইয়াৰ বাবে আগ্ৰহী হ'ব আৰু আগবাঢ়ি আহিব। ষ্ট্ৰবেৰীৰ খেতিত ও যথেষ্ট উপকৃত হোৱা দেখিবলৈ পাইছো। বহুত খেতিয়কে ষ্ট্ৰবেৰী আৰু ড্ৰেগন খেতিৰ বাবে আগবাঢ়ি আহিছে। এই ক্ষেত্ৰত আমি চৰকাৰৰ তৰফৰ পৰা তেওঁলোকক সকাহ দিব বিচাৰিছো। কিন্তু তেওঁলোকে নিজা ববীয়াকৈ স্ব-ইচ্ছাৰে আগবাঢ়িছে তাৰ বাবে আমি সুখী হৈছো। মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় কৃষি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ড্ৰেগন ফ্ৰুট, ষ্ট্ৰবেৰী আদি আমাৰ যিখিনি হ'ৰটিকালচাৰৰ খেতি চলি আছে সেইখিনিক অধিক উৎসাহিত কৰিবৰ বাবে চৰকাৰৰ তৰফৰ পৰা সাহ্যৰ্য্য আগবঢ়োৱাৰ ব্যৱস্থা কৰে। আমি চৰকাৰক বিশেষকৈ ধন্যবাদ দিব লাগিব যে আগৰ দিন বিলাকত আমি দেখিছিলো আমাৰ খেতিয়ক সকলে যথেষ্ট লোকচান ভৰিব লগীয়া হয়। বিশেষকৈ বানপানী হ'লৈ বা কিছুমান বেমাৰ-আজাৰত কিছুমান খেতি নষ্ট হ'লে তাৰ বিনিময়ত একো পোৱা নাছিলো। কিন্তু বৰ্তমান চৰকাৰে ফচল বীমাৰ ব্যৱস্থা কৰিছে তাৰ জৰিয়তে অন্ততঃ আমাৰ খেতিয়ক সকল যি লোকচান হৈছিল সেই লোকচানৰ কিছু মূল্য ঘূৰাই পাব পৰা হৈছে। এনে এটা ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। যাৰ জৰিয়তে আমাৰ খেতিয়ক সকল অন্ততঃ অধিক লোকচানৰ পৰা ৰক্ষা কৰিব পৰা ব্যৱস্থা খিনি পাইছে। বৰ্তমান অসমত বেছিভাগ খেতিয়কেই কেমিকেল ফাৰ্টিলাইজাৰ ব্যৱহাৰ কৰা দেখিবলৈ পাইছো। তাৰ ফলত আমাৰ স্বাস্থ্যজনিত কিছু অসুবিধা ও

আহি পৰে। সেইকাৰণে ইয়াৰ বিকল্প ব্যৱস্থা কৰিবৰ বাবে মই অনুৰোধ কৰিব বিচাৰো। অসমত কেৱল কেমিকেল ফাৰ্টিলাইজাৰৰ ওপৰত নিৰ্ভৰ নকৰি অৰগেনিক ফাৰ্টিলাইজাৰ ইউজ কৰাৰ কাৰণে আমাৰ কৃষি খণ্ডত এটা পৰিবৰ্তন আনিব বিচাৰো তেতিয়াহ'লে যথেষ্ট আমাৰ স্বাস্থ্যৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। ভাৰতৰ ভিতৰত চিকিম আটাইতকৈ সফল হৈছে অৰ্গেনিক ফাৰ্মিঙৰ ক্ষেত্ৰত। আমাৰ অসমতো অৰ্গেনিক ফাৰ্মিং আনিব লাগে। তাৰ কাৰণে large scale ত Organic fertiliser production কৰিব ৰ কাৰণে vermicompost যদি আমাৰ public sector ৰ অধীনত যদিহে উদ্যোগ প্ৰতিষ্ঠা কৰিব পৰা যায় তেতিয়া আমাৰ বহুত ভাল হ'ব আৰু এই দিশটোৰ ওপৰত যাতে গুৰুত্ব দিয়ে তাৰ বাবে মই অসম চৰকাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম। আমাৰ বহুতখিনি মাটি এতিয়াও জলসিঞ্চণৰ সুবিধা পোৱাৰ পৰা বঞ্চিত হৈ আছে। আমাৰ মাটিৰ যদিও যথেষ্ট উৰ্ব্বৰা শক্তি আছে আৰু ইয়াত যিকোনো খেতি কৰিব পৰা যায় তাৰ কাৰণে যিখিনি সুবিধা লাভ কৰিব লাগে বিশেষকৈ জলসিঞ্চণ ব্যৱস্থাখিনি যাতে কৰি দিয়ে তাৰ বাবে অনুৰোধ থাকিল। আমাৰ বহুত নদ-নদী আছে যিবোৰৰ পৰা আমি ক্ষুদ্ৰ বা মজলীয়া ধৰণৰ জলসিঞ্চণ ব্যৱস্থা কৰিব পাৰি। এতিয়াও আমাৰ বহুতখিনি ঠাইত আমাৰ খেতিয়ক সকলে আণ্ডাৰ গ্ৰাউণ্ড ৱাটাৰৰ জৰিয়তে খেতি কৰে যদিও এই আণ্ডাৰ গ্ৰাউণ্ড ব্যৱস্থাটো খেতিৰ কাৰণে সিমান উপযোগী নহয়। চাৰফেজ ৱাটাৰৰ কাৰণে যিখিনি নদীৰ পৰা জলসিঞ্চণৰ ব্যৱস্থা কৰিলে অধিক খেতি উৎপাদন হ'ব আৰু আমাৰ মাটি নষ্ট হোৱাৰ পৰা ৰক্ষা পৰিব। এই ক্ষেত্ৰত আমি চৰকাৰক সহযোগ কৰিব লাগিব যাতে ক'ত কেনেকৈ প্ৰজেক্ট ললে ভাল হয়। এইক্ষেত্ৰত আমাৰ বিভাগৰ বিভাগীয় কাৰিকৰীৰ দ্বাৰা উপযুক্ত ঠাইত যদি প্ৰজেক্টবোৰ লোৱা হয় আৰু জলসিঞ্চণৰ ব্যৱস্থা কৰা হয় তেতিয়াহ'লে আমাৰ ৰাইজে যথেষ্ট উপকৃত হ'ব পাৰিব। ইয়াৰ উপৰিও আমাৰ যিখিনি খেতিৰ উৎপাদন হয় সেইখিনিৰ সংৰক্ষণৰ কাৰণে কোল্ড ষ্টৰেজৰ ব্যৱস্থাখিনি লাগে আৰু এই ব্যৱস্থাখিনি আমাৰ বি টি আৰত নাই। গতিকে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিবৰ কাৰণে চৰকাৰে বি টি আৰ অঞ্চলত কোল্ড ষ্টৰেজ বনাই দিবৰ কাৰণে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো। এইখিনি বক্তব্য ৰাখিয়েই আমাৰ বিৰোধী পক্ষই অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰনি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ ওপৰত আমি কৰ্তন প্ৰস্তাৱ আনিছো কাৰণ কৃষি বিভাগ আমাৰ অৰ্থনীতিৰ এক মেৰুদণ্ড। গতিকে এই বিভাগটো যেনেধৰণে চলিছে বা কৃষি সম্পৰ্কত যিখিনি নীতি নিৰ্দ্ধাৰণ কৰিছে এই নীতিয়ে স্বাভাৱিকতে গোটেই অসমৰ কৃষকক কোনোপধ্যেই লাভান্বিত কৰিব নোৱাৰে বুলি মই ভাৱো। এতিয়া এন এচ পি ক লৈ ধান ক্ৰয়ৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে এই চৰকাৰৰ বিধায়ক সকলে খুব উচ্চ প্ৰসংশাৰে এই চৰকাৰখনক উৰুৱাই দিব বিচাৰিছে। কিন্তু মই মনত পেলাই দিব বিচাৰিছো যে ভাৰতবৰ্ষৰ কৃষকে এবছৰ দিল্লীক ঘেৰাও কৰি ৰাখি এন এচ পি প্ৰয়োগ কৰাৰ কাৰণে যি আন্দোলন কৰিছিল সেই আন্দোলনৰ ফলত আজি এন এচ পি ৰ বিষয়টোৰ ওপৰত চৰকাৰে গুৰুত্ব দিছে। মই ভাল পাইছো। কিন্তু এই এন এচ পি যাতে নিশ্চিত হয় তাৰ কাৰণে এখন কেন্দ্ৰীয় আইন আনি আজিও এন এচ পি ক আইনগত পদ্ধতিৰ মাজত আবদ্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰা নাই। ফলত আমাৰ ৰাজ্য বিলাকৰ মাজত এক নিৰ্দ্দেশিকাৰ মাজেদি বা কেন্দ্ৰীয় চৰকাৰৰ এক নিৰ্দ্দেশিকাৰ মাজেদি এন এচ পিৰ প্ৰয়োগ হৈ আছে। কিন্তু ধানৰ পৰা আৰু এক্সটেইন কৰি অন্যান্য কৃষকৰ উৎপাদিত ফচলক এন

এচ পি ত নিশ্চিত কৰা কথাটো আলোচনা-বিলোচনা কৰা হৈছে। গতিকে নিশ্চয় এইক্ষেত্ৰত এই MSP যাতে নিশ্চিত হয়, তাৰ কাৰণে এখন কেন্দ্ৰীয় আইন আনি আজিও MSP আইনগত পদ্ধতিৰ মাজত আৱদ্ধ কৰাৰ ব্যৱস্থা চৰকাৰে কৰা নাই। ফলত আমাৰ ৰাজ্য বিলাকত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশৰ মাজেদি MSP টো প্ৰয়োগ হৈ আছে। কিন্তু এতিয়া ধানৰ পৰা extend কৰি অন্যান্য কৃষকৰ উৎপাদিত ফচলত MSP নিশ্চিত কৰাৰ কথাটো আলোচনা-বিলোচনা হৈছে, নিশ্চয় এই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব। এটা কথা কবলৈ বিচাৰিছো, আজি কৃষিভূমি আমাৰ ৰাজ্যখনত যথেষ্ট পৰিমাণে সংকুচিত হৈছে। গৰাখহনীয়াৰ কাৰণে কিছু কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। বনিয়াৰ দ্বাৰা হাইৰেৰ কাষে কাষে কৃষিভূমিৰ আগ্ৰাসন চলিছে, কৃষিভুমি সংকোচতি কৰা হৈছে। আনফালে দেখিছো যে এই কৃষিভূমিৰ ক্ষেত্ৰত চৰকাৰেও কিছু কিছু পদক্ষেপ গ্ৰহণ কৰিছে, য'ত কৃষিভূমি আকৌ বেছি সংকোচিত হৈ যোৱাৰ সম্ভৱনা প্ৰকট হৈ উঠিছে। আমি কামৰূপ জিলাৰ দদৰীয়া, পছৰীয়া শিঙিমাৰী অঞ্চলত ৪৫০ বিঘা মাটি, আজি আমি গম পাইছে NRL ৰ terminal গঠন কৰাৰ কাৰণে এই মাটিখিনি acquisition কৰিবলৈ ওলাইছে। এই ৪৫০ বিঘা কৃষিভূমি য'ত তিনিটা শস্য বছৰত হয়, এই ভূমি আজি অধিগ্ৰহণ কৰিছে। ঠিক আছে NRL ৰ terminal ৰ প্ৰয়োজন আছে। এইটো এটা সুবিধাজনক ঠাইত, য'ত কৃষিভূমি অধিগ্ৰহণ নহয়, তাত যদি প্ৰতিস্থাপন কৰে আমাৰ বিশেষ ক'ব লগীয়া নাথাকে। কিন্তু একেবাৰে গুৱাহাটীৰ কাষতে, শিঙিমাৰী বজাৰৰ বেঙেনা খাই ডাঙৰ হৈছো, এতিয়াও তাৰ পৰা ইমান শস্য উৎপাদন হয়, কিন্তু এই শিঙিমাৰীৰ ৪৫০ বিঘা মাটি অধিগ্ৰহণ কৰাৰ কাৰণে চৰকাৰেও ব্যৱস্থা হাতত লৈছে। এনেদৰে আজি কৃষিভূমি যদি সংকোচিত হয়, ভৱিষ্যতে অসমৰ কৃষিসকলে বিপদত পৰিব। অসমৰ কৃষকে মাটি পেলাই থৈছে শস্য নকৰে, তাৰে অভিযোগ সঘনাই উত্থাপিত হৈছে। কিন্তু কৃষকে আজি নিজকে কিয় কৃষিৰ পৰা উচ্ছেদিত কৰিছে, কিয় আতৰি আহিছে, এই কথাবিলাকো চাব লাগিব। কাৰণ কৃষি উৎপাদন যদি লাভজনক নহয়, কৃষি উৎপাদনৰ সজুলিৰ ক্ষেত্ৰত subsidy যদি বছৰে বছৰে যদি কমাই দিয়া হয়, তেতিয়া হলে স্বাভাবিক, কৃষক সকলে কিয় খেতি কৰিব? তেখেতসকলে খেতিৰ পৰা আতৰি আহি unorganised sector ত লেৰাৰ হিচাপে জীৱন নিৰ্বাহ কৰাৰ বাহিৰে অন্য পথ তেওঁলোকৰ নাই। সেই কাৰণে কৃষিৰ উন্নয়নৰ কাৰণে কৃষি সঁজুলিৰ ক্ষেত্ৰত যদি subsidy কৰ্তন নকৰি, subsidy বৃদ্ধি কৰা হয় আৰু মই পূৰ্বতে কথাটো কৈছিলো যে কৃষিকৰ যাতে উৎপাদিত ফচল বিক্ৰী কৰাৰ কাৰণে মাৰ্কেট উন্নয়ন কৰা যায়, সম্ভৱ হলে পঞ্চায়ত ভিত্তিত যদি মাৰ্কেট উন্নয়ন কৰা যায় আৰু market connectivity যদি develop কৰা যায়, সহজতে কৃষকৰ উৎপাদিত ফচল বজাৰসমূহত আনিব পাৰে। এইখিনি কৰিবৰ কাৰণে গুৰুত্ব যদি আৰোপ কৰা যায়, তেতিয়া হলে আমি নিশ্চিত ভাৱে অসমৰ কৃষকৰ সমস্যাখিনি সমাধান কৰি কৃষিৰ উন্নতি সাধন কৰিব পাৰিম। এই ক্ষেত্ৰত এটা কথা কব খুজিছো যে কৃষি বিভাগত যিটো পৰ্বতসম দুৰ্নীতি চলি আছে, এই দুৰ্নীতি আজি নিয়ন্ত্ৰণ কৰাৰ দৰকাৰ।

সাৰৰ সমস্যাক লৈ আগতেও আলোচনা-বিলোচনা কৰিছিলো। কৃষি মন্ত্ৰীয়ে উদ্যোগ লৈছে, চৰকাৰে এটা CID enquiry দিছে, মই আদৰণি জনাইছো যে CID enquiry টো হওঁক। কিন্তু মই সেইদিনা সদনত যিটো বিষয় উত্থাপন কৰিছিলো এজন বিষয়াৰ বিৰুদ্ধে, তেখেতৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰি, এতিয়া retailor বিলাকৰ ওপৰত এটা অত্যাচাৰ চলাইছে। জিলা প্ৰশাসনৰ ADC এজনে আকৌ সেইজন দুৰ্নীতিগ্ৰস্ত বিষয়াক লৈ গৈ পেলাই retailor দোকানে দোকানে হামলা কৰিছে আৰু ফলত সমষ্ট বৰপেটা জিলাত retailor বিলাকে দোকান

বন্ধ কৰি দিছে। ধৰিব লাগে কৰোবাক, এই দূৰ্নীতি গ্ৰস্ত বিষয়াক কৰায়ত্ত কৰাৰ কাৰণে তদন্ত নকৰি জিলা প্ৰশাসনৰ সহযোগত এই বিষয়াজনক লৈ retailor ৰ ওপৰত আক্ৰমণ চলাইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাটি পাট্টাৰ প্ৰশ্নটো কোৱা হৈছে যে খিলঞ্জীয়াক মাটি দিব। প্ৰকৃতাৰ্থত অসমৰ মাটি জৰিপ কৰি পেলাই আৰু য'ত কৃষকে বছৰৰ পিছত বছৰ ধৰি বহি আছে, বনাঞ্চল আইনখন আজি সঠিক ভাৱে তাত প্ৰয়োগ কৰা নহ'ল। এই অঞ্চলবিলাকত যিসকল কৃষক বছৰ বছৰ ধৰি বহি আছে, ৫০-৬০ বছৰ বহি আছে, এইখিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল চৰকাৰে। সেই ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হোৱা নাই। অসমৰ মাটিৰ জৰিপ কৰাৰ ব্যৱস্থাও কৰা হোৱা নাই। কেতিয়াবা কেতিয়াবা শুনা যায়, সমগ্ৰ অসমৰ কৃষি মাটি জৰিপ কৰি পেলাই এই সমস্যাৰ সমাধান কৰিব লাগিব। অন্যথা আমাৰ অসমৰ কৃষকৰ যিটো সমস্যা, এই বিভাগৰ যিটো সমস্যা, কেতিয়াও সমাধান নহ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীদূৰ্গা দাস বড়ো।

**শ্ৰীদূৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধে মই অলপ কব বিচাৰিছোঁ। আৰম্ভণিৰ পৰাই কেইবাজনো বক্তাই বক্তব্যত গতানুগতিক বিষয়বিলাক উত্থাপন কৰিছে। আমাৰ খেতিয়ক সকলেও, এই মুহূৰ্তলৈকে ৫০ শতাংশৰ অধিক কৃষকে পৰম্পৰাগত খেতিৰ পৰা লাভজনক খেতিলৈ আগবাঢ়ি আহাৰ যি স্পৃহা, সেই স্পৃহাটো কম দেখা গৈছে। ইয়াৰ কাৰণ হ'ল উচিত মুল্য, উচিত বজাৰ। আপোনালোকে জানে, যোৱা কেইদিনমানত মুল্য বৃদ্ধি কিছু হৈছে বজাৰত। বিশেষকৈ খাদ্য সমাগ্ৰীৰ মুল্য বৃদ্ধি, যি খাদ্য সামগ্ৰী অসমত উৎপাদন হয়, সেই অসমত উৎপাদন হোৱা খাদ্য সামগ্ৰীও মুল্য বৃদ্ধি হৈছে। আপোনালোকে দেখিছে কোনো মানুহে খাৰুপেটিয়া, দলগাঁও, বৰপেটা, সৰভোগৰ পৰা তেওঁলোকৰ সামগ্ৰী বিক্ৰী কৰিবলৈ লৈ আহে, কিমানখন থানাত কিমান কৈ পইচা দিব লাগে, গুৱাহাটী পোৱাৰ পিছত ক'ত ক'ত অতিৰিক্ত ধন দিব লাগে, সেই কথাবিলাক তেওঁলোকে কৈ আহিছে। গতিকে অসমত উৎপাদিত শাক-পাচলিৰ মুল্য বৃদ্ধি একেবাৰে ৰোধ কৰিব নোৱাৰিলেও, য'ত আমি ১০ টকাৰ খাৰুপেটিয়াত কিনিছো, গুৱাহাটীত আহি সেই বস্তুটো ৩০, ৪০ টকা হৈছে। তেওঁলোকে কোৱা কথা বিলাক সত্য হয় নে নহয় আমাৰ বিভাগে, যেতিয়া Supply Department ক কিয় কমোবা হ'ল? কিয় বৃদ্ধি কৰা হৈছে? কিয় আপোনালোকে চোৱা নাই? বুলি কয়, যে তেওঁলোকৰ identified item কেইটাৰ বাহিৰে বাকী বিলাকত দায়ী নহয় বুলি কয়। মই কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আপুনি look after কৰক যে অসমত উৎপাদিত সামগ্ৰী সমূহৰ বজাৰ মুল্য নিয়ন্ত্ৰনৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰক। আমি যদি অসমত উৎপাদিত সামগ্ৰীৰ দাম বেছিকৈ ভৰিছো, তেতিয়া হলে সেই দামখিনি আমাৰ কৃষকসকলে পাওঁক, তাত আমাৰ আপত্তি একো নাই। কিন্তু কৃষকসকলে নাপাই মাজত যিসকল মধ্যভোগী আছে, তেওঁলোকে পাই অহা খবৰে কেতিয়াবা কৃষকসকলৰ মনতো দুখ দিয়া যায় আৰু বেছি দাম দি খোৱা গ্ৰাহকসকলেও সমস্যাৰ সন্মুখীন হয়।

মই আজিৰ পৰা ডেৰ দুই মাহ আগতে Horticulture Department ৰ Director ক লগ কৰিছিলো, কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পতা পিছত কিছু কথা জানিবৰ কাৰণে Director ওচৰলৈ গৈছিলো। আমি তিনিজন বিধায়কে তেখেতৰ ওচৰত ডেৰ ঘন্টা প্ৰশিক্ষণ লৈছিলো যে Horticulture Department ৰ আটাইতকৈ potential area অসমত ক'ত ক'ত আছে। Horticulture Department য়ে কোনটো বস্তুক গুৰুত্ব দিছে,

সেইবিলাক তেওঁলোকৰ লগত আলোচনা কৰোতে, তেওঁলোকে কৈছে কোনোবা বছৰত তেওঁলোকে Banana crops, কোনোবা বছৰত তেওঁলোকে মিঠা বগৰীৰ কাৰণে দিছে, বোধ হয় চলিত বৰ্ষত Horticulture Department য়ে Strawberry আৰু Dragon fruit ত দিছে।prime Horticulture Depertment য়ে দিছে। মই তেখেতসকলক ট্ৰেইনিং টো লোৱাৰ পিছত, মই ট্ৰেইনিং লয় বুলি কৈছো একো লাজ পোৱা নাই। মই নজনা কথাখিনি জানিবৰ কাৰণে। মই তেওঁলোকক অনুৰোধ কৰিছিলো ডাইৰেক্টৰ ডাঙৰীয়াক যে ২০ জন ৩০ জন ল'ৰা কলাইগাওঁ সমষ্টিৰ পৰা আপোনালোকৰ ইয়ালৈ যদি এই কথাখিনি বুজিবলৈ পঠোৱা হয়, আপোনালোকে কিবা ব্যৱস্থা কৰিব পাৰিব নেকি ? তেওঁ কৈছিল একেলগে ১০ ৰ পৰা ২০ জন যদি ল'ৰা তেনেকৈ আহে, ইয়াত থকাৰ ব্যৱস্থাও আছে। আপোনালোকে জানে অসমৰ ভিতৰত horticulture ৰ ১ নং জিলাখনেই হৈছে বাক্সা জিলা আৰু দ্বিতীয় সৰ্বোচ্চ জিলাখন হৈছে গোটেই অসমৰ ভিতৰত ওডালগুৰি জিলাত horticulture ৰ কাৰণে potential area আৰু বাকী এই জিলা কেইখনো যদি আপোনালোকে চিৰাং, কোকৰাঝাৰ আৰু তাৰ লগে লগে তিনিচুকীয়াৰ তেওঁলোকৰ যিবিলাক potential জিলা আছে, সেই জিলা বিলাকলৈ যদি সম্প্ৰসাৰিত কৰি যিবিলাক পূৰ্বতে তেওঁলোকে গুৰুত্ব দিছিল, সেইবিলাকো কিছু continue কৰক য'ত য'ত কাম কৰিছে সেই item বিলাকো continue কৰক। আজি গোৱালপাৰাৰ গোটেই জিলাখনেই কল খেতিৰ কাৰণে বিখ্যাত। তেওঁলোকক আমি উৎসাহিত কৰি থাকিবই লাগিব। এক বছৰ গুৰুত্ব দিলেই নহ'ব। তেওঁলোকক আমি উৎসাহিত কৰি থাকিব লাগিব। ঠিক তেনেকৈ ওডালগুৰি, বাক্সা, তিনিচুকীয়া এই জিলা বিলাকত horticulture department য়ে যদি কৰে, সেইটো হ'ব। আপোনালোকে জানে কোনেও এটা বিষয় কোৱা নাই। শেষত মই ক'ব বিচাৰিছো যে, যিটো flouriculture ফুলৰ যিটো খেতি, সেই ফুলৰ খেতিৰ ইমান গুৰুত্ব বাঢ়িছে, লাহে লাহে অসমত ফুলৰ দাম। এডাল গেন্দামালতী ফুলৰ মালা কিনিবলৈ যায়, এসময়ত ১০ টকাত পাইছিল ৪-৫ বছৰৰ আগত। আজি সেই মালাডাল ৮০ টকা লাগে। গতিকে সেই খেতিটো আমি তেওঁলোকক কেনেকৈ সহায় কৰিব পাৰো কৃষি বিভাগে তেওঁলোকক কেনেকৈ সহায় কৰিব পাৰে, সেইটো দৃষ্টি ৰখা উচিত বুলি মই ভাৱো। মই শেষত আপোনাক এটা কথাই ক'ব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ এইখিনিয়েই সময়।

**শ্ৰীদূৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** এটা point ক'ব বিচাৰিছো, cold storage সদায় মানুহে মুখত নাম লয়। আমাৰ ইয়াত পাৱাৰ পৰ্য্যাপ্ত পৰিমাণে cold storage ৰ কাৰণে যিবিলাক অঞ্চলত cold storage লাগে আৰু cold storage ৰ যিটো খৰচ বুলি কয়, আমি যদি কেতিয়াবা ppp মুদত এই cold storage সমূহ কৰিব পৰা যায়, তেতিয়াহ'লে cold storage বিলাক আধা চৰকাৰে, আধা ৰাইজে যদি খৰচ ব্যয় কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** Please conclude. Nothing go on record. ডাঃ আচিফ মহম্মদ নাজাৰ, আপোনালোকৰ ২১ মিনিট আছে আৰু তিনি গৰাকী আছে।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ অনা হৈছে, তাৰ ওপৰত মই দুআষাৰমান ক'ব বিচাৰিছো। অসমত যিবোৰ সমষ্টি আছে, সেই সমষ্টিবোৰৰ কিছুমানত গড়াখহনীয়া হয় আৰু তিনি চাৰিভাগো বানপানী হয়। সেই বানপানীৰ ফলত যিসকল খেতিয়ক আছে, তেওঁলোকৰ বহুত শাক পাচলি নষ্ট হয়, কিন্তু সেই খেতিয়ক সকলে সেই অনুপাতে চৰকাৰী ক্ষতিপূৰণ নাপায়। ইয়াৰ উপৰিও কৃষক সকলেও

ক্ষতিমূল্য নাপায়। উদাহৰণ স্বৰূপে মৰিগাওঁ জিলাৰ আমাৰ লাহৰীঘাট সমষ্টিৰ কৃষকসকল বহুত দুৰ্ভগীয়া অৱস্তাত আছে। কাৰণ লাহৰীঘাট সমষ্টিটো এখন কৃষি উৎপাদনৰ সমষ্টি কিন্তু প্ৰত্যেক বছৰে ৫-৬ বাৰ কৈ বানপানী হোৱাৰ কাৰণে কৃষক সকলে ফচল সকলো নষ্ট হৈ যায়। কিন্তু কৃষক সকলে কোনো সেই অনুপাতে চৰকাৰী ক্ষতিপুৰন নাপায়। মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ পৰা যি বীজ পাব লাগে, সেই বীজ সমূহ বিভাগীয় কৰ্তৃপক্ষই যদিও বিতৰণ কৰে, কিন্তু উপযুক্ত সময়ত বিতৰণ নকৰাৰ ফলত কৃষকসকল বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰীক এইটো জনাব বিচাৰিছো যে, তেখেতে এই বিষয়টোৰ ওপৰত কিবা ব্যৱস্থা ল'ব নেকি? মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন জিলাৰ লগত মৰিগাও জিলাত বিগত কিছুদিন ধৰি বিভিন্ন সংবাদ মেলত মৰিগাও জিলাত এটা বাতৰি সম্প্ৰচাৰিত হৈ আছে। এই জিলাৰ অন্তৰ্গত কৃষক সকলে আজি কিছুদিন ধৰি ইউৰিয়া সাৰ আদি নাপায়। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ কাৰণ হ'ল কেৱল অনুজ্ঞা পত্ৰ থকা সাৰৰ দোকানী সকলে ইউৰিয়া সাৰ বিক্ৰী কৰিব পাৰে যদিও কিছুমান দোকানীক চৰকাৰে অনুজ্ঞা পত্ৰ দিছে তাৰ বহুতৰে পঞ্জীয়ণ নং দিয়া নাই। এইবাৰ বৃহৎ মৰিগাওঁ জিলাখনৰ মাত্ৰ ৩০ গৰাকী দোকানীকহে পঞ্জীয়ণ নং দিয়া হৈছে। কৃষকৰ অনুপাতত এই সংখ্যা নুন্যতম। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ বিভাগীয় মন্ত্ৰীক জনাব বিচাৰো যে, মৰিগাওঁ জিলাৰ লগতে অসমৰো বিভিন্ন ঠাইত সাৰৰ দোকানী সকলক অনুজ্ঞা পত্ৰ দি কৃষক সকলক এই বৃহৎ সমস্যাৰ পৰা সমাধান আনে। মাননীয় অধ্যক্ষ মহোদয়, কৃষক সকলৰ নামত যদিও চৰকাৰে বিভিন্ন ধৰণৰ সা-সুবিধা দিছে, যেনে পাৱাৰ টিলাৰ, পাম্প দিছে, ট্ৰেক্টৰ, পাৱাৰ পাম্প আদি। কিন্তু এই বস্তুসমূহ সঠিকভাৱে ৰূপায়ণ হোৱা নাই। একাংশ কৃষক বিষয়াৰ মইমতালিৰ ভুৱা কৃষক সকলেহে এইবোৰ বস্তু পাই আছে। যাৰ ফলত প্ৰকৃত কৃষকসকল এইবোৰৰ পৰা বঞ্চিত হৈ আছে. গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰীক এইটোৰ ওপৰত কিবা ব্যৱস্থা লববৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ ৰিপ্লাই দিব লাগিব। ২ টা বজালৈকেহে হ'ব।

**ডাঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষক সকল আৰু এটা বৃহৎ সমস্যা হ'ল তেওঁলোকে উৎপাদন কৰা যি শাক পাচলি আছে, এই শাক-পাচলিবোৰ দুই তিনিদিনৰ ওপৰত ৰাখিব নোৱাৰি। দুই তিনিদিন ৰখাৰ পিছত শাক-পাচলিবোৰ পচি যায়। গতিকে আমাৰ অসমৰ এই শাক-পাচলিসমূহ ৰাখিবৰ কাৰণে যাতে মাননীয় মন্ত্ৰী মহোদয়ে cold storage ৰ ব্যৱস্থা কৰে তাৰে মই কামনা কৰিলো। ইয়াৰ লগতে মৰিগাও জিলাতো যাতে দুই-তিনিখন মান cold storage বনাই যাৰ জৰিয়তে আমাৰ খেতিয়ক সকলে এই শাক-পাচলিবোৰ ভাল ধৰণে ব্যৱহাৰ কৰিব পাৰে আৰু বজাৰত বিক্ৰী কৰিব পাৰে। তাৰ কাৰণে যাতে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা লয়। ইয়াৰ উপৰিও অসমৰ বিভিন্ন সমষ্টিৰ অন্তৰ্গত গাওঁ পঞ্চায়তবোৰত নিজ নিজ সমবায়ৰ অধীনত সেই অঞ্চলৰ চাউলসমূহ ক্ৰয় কৰি ৰাখে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত কুশতুলী গাওঁ অঞ্চলৰ এটা সমবায়ৰ অধীনত সেই অঞ্চলৰ ধান চাউলসমূহ ক্ৰয় কৰি ৰাখে FCI ৰ কাৰণে। কিন্তু সেই গুদাম বোৰত আজিৰ তাৰিখত জৰাজীৰ্ণ অৱস্থাত আছে. যাৰ ফলত বৰষুণ হ'লে গুদামবোৰত পানী সোমাই আৰু সম্পূৰ্ণ চাউল নষ্ট হৈ যায়। গতিকে মই ৰাইজৰ এই দুৰ্ভগীয়া অৱস্থাৰ কাৰণে মই মাননীয় মহোদয়ক জনাব বিচাৰো যে তেখেতে নাবাৰ্ডৰ জৰিয়তে গুদাম মেৰামতিৰ কাৰণে ব্যৱস্থা লয় তাৰ বাবে মই কামনা কৰিলো। ধন্যবাদ।

**माननीय অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমখনক আচলতে কেনেকুৱা এখন সপোনৰ অসম তৈয়াৰ কৰিব পাৰি, এখন উন্নত অসমৰ পৰিণত কৰিব পাৰি এই সম্পৰ্কে ভালকৈ বিধান সভাত আলোচনা হোৱা প্ৰয়োজন। আজি ৰাজ্য চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে কৈ আছে কৃষকৰ আয় দুগুন কৰিব আৰু কৈ আছে যে অসমখনক ভাৰতবৰ্ষৰ ১ নং ৰাজ্য কৰিব। কিন্তু বাস্তৱতে কি চলি আছে। মই এই সম্পৰ্কে কিছু তথ্য আজি অৱগত কৰিব খুজিছো। প্ৰথম কথা মই প্ৰথমতে পাঞ্জাৱৰ লগত অকমান তুলনা কৰিব খুজিছো। পাঞ্জাৱৰ সৰ্বমুঠ মাটি-কালি ৫০ লাখ ৩৬ হাজাৰ হেক্টৰ আৰু অসমৰ মুঠ মাটি-কালি ৭৮ লাখ ৪৩ হাজাৰ হেক্টৰ। এতিয়া পাঞ্জাৱৰ য'ত ৫০ লাখ ৩৬ হাজাৰ হেক্টৰ আছে, তাত net sown area বা এবাৰো খেতি কৰা মাটি বুলি ধৰো, তেতিয়াহ'লে ৫০ লাখ মাটিৰ ভিতৰত তাত ৪১ লাখ ১৯ হাজাৰ হেক্টৰ মাটিতে কেতি কৰে। আমাৰ ৭৮ লাখ হেক্টৰ মাটি আছে তাৰ পৰা আমি কেৱল ২৭ লাখ ২৩ হাজাৰ হেক্টৰ মাটিতহে খেতি কৰো। এইটো ৰিজাৰ্ভ বেংকৰ তথ্য। অৰ্থাৎ এখন উন্নত ৰাজ্য হ'বৰ কাৰণে কৃষি যেনে ধৰণে বৃদ্ধি কৰিব লাগে, কৃষিভূমি যি ধৰণে বৃদ্ধি কৰিব লাগে, এই কাম কৰাত আমি সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছো। দেখা গৈছে যে, ক্ৰমান্বয়ে অসমৰ কৃষিভূমি হ্ৰাসহে পাইছে। ২০১৩-১৪ চনত ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি ৪ হাজাৰ ১ শ হাজাৰ হেক্টৰ মাটিত খেতি কৰিছিলো আৰু ২০১৮-১৯ বৰ্ষত আমি ৪ হাজাৰ হেক্টৰ মাটিতহে আমি খেতি কৰো। অৰ্থাৎ খেতিৰ মাটি কমিছে। এবছৰৰ জলসিঞ্চনত irrigated মাটি জলসিঞ্চিত মাটি কিমান আছে। পাঞ্জাৱত আমি দেখিছিলো যে, ৫০ লাখ হেক্টৰৰ ভিতৰত ৪১ লাখ হেক্টৰ মাটিত জলসিঞ্চন আছে আৰু অসমৰ ৭৮ লাখ হেক্টৰ মাটিৰ ভিতৰত অসমৰ কেৱল ৩ লাখ ৬৬ হাজাৰ মাটিহে এতিয়ালৈকে জলসিঞ্চন আছে। অৰ্থ্যাৎ কৃষি উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে মুল প্ৰধান এটা বস্তু জলসিঞ্চন, সেই জলসিঞ্চনৰ ক্ষেত্ৰত অসম সাংঘাটিক ধৰণে পিছপৰা। যাৰ ফলস্বৰূপে কি হৈছে অসমৰ কৃষি কাৰ্য্যৰ ঘনত্ব আমি দেখিছো ভাৰতবৰ্ষৰ ভিতৰত ১০ নম্বৰত পৰিছে এই ঘনত্ব ১৪৭ শতাংশ অথচ আমাৰ কাষৰ ত্ৰিপুৰাৰ কৃষি কাৰ্য্যৰ ঘনত্ব ১৯১ শতাংশ। ধান উৎপাদনৰ ক্ষেত্ৰতো আমি দেখিছো যে, গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমৰ ধান উৎপাদনৰ স্থানটো হ'ল ১১ নম্বৰহে। মুঠ খাদ্য সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১৪ নং। মুঠ ফল-মূল উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১০ নং। মুঠ শাক-পাচলি উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১৪ নং। প্ৰতি হেক্টৰ মাটিত ধান উৎপাদনৰ ক্ষেত্ৰত কোনে বেছিকৈ ধান উৎপাদন কৰিব পাৰে- পাঞ্জাৱত যি সময়ত প্ৰতি হেক্টৰ মাটিত ৪০৩৪ কিলোগ্ৰামকৈ ধান উৎপাদন হয় আৰু অসমত ২১৭৬ কিলোগ্ৰাম ধান উৎপাদন হয়। গোটেই ভাৰতবৰ্ষত ধান উৎপাদনৰ ক্ষেত্ৰত অসমৰ স্থান ২২ নং। সকলো খাদ্য সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১৯ নং। বছৰি মাংস উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১৮ নং। মোৰ যিহেতু সময় কম মই কেৱল স্থানহে উল্লেখ কৰি গৈছো। বছৰি গাখীৰ উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-২১ নং। বছৰি কণী উৎপাদনৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষ ভিতৰত অসমৰ স্থান হ'ল-১৮ নং। ধান ক্ৰয়ৰ ক্ষেত্ৰত মই আপোনালোকক দেখুৱাব বিচাৰিছো যে ধান ৰাখিবৰ বাবে যিটো ষ্ট'ৰেজ কেপাচিটি লাগে বা খাদ্য মজুতকৰণৰ বাবে অসমত তাৰ ক্ষমতা হ'ল-৪.১৮ লাখ মেট্ৰিকটন। পাঞ্জাৱত ২৩৪.২৭ লাখ মেট্ৰিকটন ধান ষ্ট'ৰেজ কৰাৰ কেপাচিটি আছে। ধান ক্ৰয় কৰাৰ ক্ষেত্ৰত বহুত এটা ডাঙৰ কল্পনা প্ৰকাশ কৰি থকা হৈছে যে

এইবাৰহে অসমে প্ৰথমবাৰৰ কাৰণে এফ চি আই ধান কিনিছে বুলি মিছাকৈ প্ৰকাশ কৰি থকা হৈছে। আজি ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি ২০২০-২১ বৰ্ষত অসমত ধান ক্ৰয় কৰিছিল ২.১২ লাখ মেট্ৰিকটন। অসমত আজিৰ দিনটোতো খুব সম্ভৱ ২ লাখতকৈ অলপ হে বেছি হৈছে। কিন্তু এইটো এটা ক্ৰমাগত প্ৰক্ৰিয়া। আজিৰ দিনটোত এইখন চৰকাৰে অকল ধান কিনিছে সেইটো এটা মিছা কথা। শেষত মই আপোনালোকক দেখুৱাব খুজিছো কৃষক সকলৰ গড় আয় কিমান? খেতিয়াক সকলৰ গড় আয় ২০১৬-১৭ চনত নাবাৰ্ডৰ মতে অসমৰ এজন খেতিয়কৰ গড় আছিল- ৮,৮৮০ টকা গড় উপাৰ্জন এবছৰৰ আৰু এইটো দুগুণ কৰিম বুলি কৈছিল। এতিয়া National Statistical Office (NSO) ই কৈছে আজিৰ দিনটোত অসমৰ এজন খেতিয়কৰ গড় উৎপাদন হ'ল- ১০৬৭৫ টকা। অৰ্থাৎ আঠ হাজাৰৰ পৰা দহ হাজাৰ হৈছে আৰু এইটো দুগুণ হোৱা নাই। গতিকে আয় দুগুণ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণ বিফল হৈছে। ভাৰতীয় জনতা পাৰ্টীৰ ভিজন ডকুমেণ্টত কৈছিল **৬৫** বছৰৰ ওপৰত সকলো খেতিয়ককে পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব। পেঞ্চন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিলে নে? মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাকে ক'ব খুজিছো যে আমি যদি অসমক এখন উন্নত ৰাজ্য কৰিব লাগে আমাক বাহিৰৰ পৰা ইনভেষ্টমেণ্ট আনি কৰি নিদিয়ে। আমি যদি উন্নত ৰাজ্য কৰিব লাগে কৃষি ভূমিক বছৰৰ সকলো সময়তে খেতি কৰিব পৰা ৰাজ্যত পৰিণত কৰিব লাগিব। আমাৰ উৎপাদন বৃদ্ধি কৰিব লাগিব, জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব। আমি যোগাযোগ ব্যৱস্থাৰ উন্নত কৰিব লাগিব আৰু আমি বজাৰ ব্যৱস্থা সঠিক কৰিব লাগিব। এই কেইটা কাম কৰাৰ অবিহনে আমি এখন উন্নত ৰাজ্য হ'ব নোৱাৰো আৰু সেই বাবে আমি আজি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছো। ধন্যবাদ। জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জিতু গোস্বামী ডাঙৰীয়াই কওঁক।

**শ্ৰী জিতু গোস্বামী, (বড়মপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে যি বাজেট কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ মই সম্পূৰ্ণ ভাৱে বিৰোধ কৰিছো আৰু এই বছৰ বাজেট শিতানত অসম চৰকাৰৰ বিত্ত মন্ত্ৰীয়ে যি বাজেট দিছে, সেই বাজেট প্ৰস্তাৱত কৃষি খণ্ডত আমি ১৮২৩ কোটি টকা, পশুপালন ক্ষেত্ৰ- ৫৮৯ কোটি টকা আৰু জলসিঞ্চন বিভাগৰ ৯৪৫ কোটি টকা এইবাৰ বাজেটত ধাৰ্য্য কৰিছে। এই তিনিটাই এলাইট চেক্টৰ আৰু ইণ্টাৰ ৰিলেটেড চেক্টৰ। জলসিঞ্চন কৃষি ক্ষেত্ৰত দৰকাৰী আৰু পশুপালনকো আমি কৃষিজাত সামগ্ৰী হিচাপে ধৰিব লাগিব। এই তিনিটা ক্ষেত্ৰত এইবাৰ যি পুঁজি ধাৰ্য্য কৰা হৈছে সেই ক্ষেত্ৰত মই আজি বিৰোধী আৰু শাসক পক্ষৰ বহু কথা শুনিলো। আমাৰ যিটো ফ'কাচ সেইটো এটা ক্ষেত্ৰতেই আছে, আমি বহুতেই কৃষি ক্ষেত্ৰত বীজ দিব লাগে, ক'ল্ড ষ্টৰৈজ বনাব লাগে বা কৃষি ক্ষেত্ৰত ট্ৰেক্টৰ দিব লাগে আদি কথা আলোচনা কৰিছো। কিন্তু আমি এটা কথা আলোচনা কৰা নাই যিটো বেচিক। মাননীয় অধ্যক্ষ মহোদয়ৰ দ্বাৰা মাননীয় কৃষি মন্ত্ৰীক এটা কথা নোটিচ কৰাব বিচাৰিছো যে অসমৰ কৃষি ভূমিত কোন কোন অঞ্চলত কি ধৰণৰ শস্য হয় তাৰ ওপৰত আজিলৈকে আমাৰ এগ্ৰিকালচাৰ চাৰ্ভে চাঁগে নাই। আমি এটা এগ্ৰিকালচৰ চেনচাচ কৰিব লাগে। এই পদ্ধতিটো মই বোলেগ দেশত দেখিছো । আপুনি যদি ভিয়েটনামৰ নিচিনা সৰু দেশ এখনলৈ যায় আৰু এগ্ৰিকালচাৰ বিভাগক সোধে কোন খন জিলাত কোনটো সামগ্ৰীৰ খেতি কৰিব পাৰি তেওঁলোকৰ এখন লিষ্ট আছে আৰু লিষ্টখন উলিয়াই কোনটো অঞ্চল কি খেতি কৰাৰ প্ৰযোজ্য কৈ দিয়ে। আমি আজিলৈকে অসমত কৃষিক্ষেত্ৰত আগুৱাই যোৱাৰ কথা কৈছো, কৃষকৰ আয় দুগুণ কৰাৰ কথা কৈছো, আমি চাবচিডি, বীজ, ট্ৰেক্টৰ আদিত গুৰুত্ব দিছো। কিন্তু আজিলৈকে জলসিঞ্চন আৰু কৃষি বিভাগে একেলগে বহি কেতিয়াবা কথা

পাতিছে নেকি এইখিনি মাটি জলসিঞ্চনৰ বাবে প্ৰযোজ্য আছে। এইখিনি মাটি খেতিৰ বাবে জলসিঞ্চন লাগিব। এইবোৰৰ কাৰণে কোনো মণিটৰিং কমিটি কৰা নাই। আনকি জলসিঞ্চন বিভাগে প্ৰজেক্ট ল'লে আজিলৈকে জলসিঞ্চন বিভাগে কৃষি বিভাগক সোধা নাই যে এই খিনি মাটি আপোনালোকক প্ৰয়োজন নেকি? মাননীয় অধ্যক্ষ মহোদয়, যেতিয়ালৈকে জলসিঞ্চন আৰু কৃষি বিভাগৰ কো-অৰ্ডিনেশ্যন নাথাকে, আঁচনি ধৰাৰ ক্ষেত্ৰত তেওঁলোকে কথা-বতৰা নাপাতে তেতিয়ালৈকে কোনো আঁচনি সফল নহয়। আমাৰ যিসমূহ কৃষি বিভাগৰ দৰকাৰী কথা, কৃষি ক্ষেত্ৰত অলপ আগতে মৃণাল শইকীয়া ডাঙৰীয়াই বান্দৰ আৰু হাতীৰ সংঘাতৰ কথা ক'লে আৰু এই বিষয়ে কৃষি মন্ত্ৰীক ক'লে ক'ব যে এইটো তেওঁৰ বিষয় নহয়, বন বিভাগৰ বিষয়। এনেকুৱা যদি হয় আমাৰ কিন্তু কো-অৰ্ডিনেশ্যন নাথাকিব। আমাৰ কৃষকেও কৃষিৰ ক্ষেত্ৰত বেছি উৎপাদন কৰিব নোৱাৰে আৰু সমস্যাবিলাক সমাধান নহয়। মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাও যে এটা গ্ৰুপ অফ মিনিষ্টাৰ বনাই কৃষি বিভাগ, জলসিঞ্চন বিভাগ আৰু বন বিভাগক একেলগ কৰি এই বিষয়সমূহ আলোচনা কৰিব লাগে আৰু এই বিষয়সমূহ সমাধান কৰিব লাগে। আমি বহুখিনি বস্তু চাইছো আৰু বহু পৰামৰ্শও দিছো। আমি অৰ্গেনিক কাল্টিভেশ্যনৰ কথা কওঁ। কিন্তু অৰ্গেনিক কাল্টিভেশ্যন ক'ত হ'ব পাৰে, কেইটা কোম্পানীয়ে অৰ্গেনিক কাল্টিভেশ্যনৰ কাৰণে চাৰ্টিফিকেট বিচাৰিছে, এইবোৰ কোৱা কথা। আপুনি অৰ্গেনিক বস্তুবোৰ ক'ত বেচিব, কোনে আপোনাক চাৰ্টিফাই কৰিব যে এইবোৰ অৰ্গেনিক বস্তু। আমি অৰ্গেনিক কাল্টিভেশ্যন তেতিয়ালৈকে কৰিব নোৱাৰো যেতিয়ালৈকে সেই মাটিখিনিয়ে অৰ্গেনিক চাৰ্টিফিকেট নাপয় আৰু বজাৰত মূল্য ও নাপাব। এতিয়া আমাৰ গাওঁত কৰা লাওঁ খেতিবোৰ নগাওঁৰ বজাৰত আনি বেচিলে তেওঁক কোনে অৰ্গেনিক বুলি বেছি দাম দিব। সেইকাৰণে আমি এই কথাখিনিৰো জ্ঞান দিব লাগে। কৃষি বিভাগে স্পেচিফাই কৰিব লাগে যে এই মাটিখিনিত অৰ্গেনিক খেতি হ'ব পাৰে। এই ইনিচিয়েটিভখিনি কৃষিবিভাগৰ ফালৰ পৰা ল'ব লাগে আৰু তেওঁলোকে সুবিধা পাব। আমি ৰপ্তানি কৰিব পৰা যিখিনি বস্তু বেচিব পাৰো তাৰো এটা চাৰ্ভ কৰিব লাগে। আমি ইণ্টাৰনেশ্যনেল চাৰ্ভেত গুৰুত্ব দিব লাগে। আমি চাব-চিডি বা অযথা ব্যয় কৰো। তাতকৈ কম পইচা দি আমি চাৰ্ভে কৰাও যে কোনবোৰ বস্তু আমি অসমৰ বাহিৰত বিক্ৰী কৰিব পাৰো। তেতিয়া আমি অসমৰ কৃষক সকলক ক'ব পাৰিম যে কোনবোৰ খেতি কৰিলে তেওঁলোকৰ লাভ হ'ব। এই সম্পূৰ্ণ খেতিখিনি অৰ্গেনাইজ ধৰণে কৰিবৰ বাবে মই অনুৰোধ কৰিম। আজি মই বিৰোধীৰ কৰ্তন প্ৰস্তাৱৰ সম্পূৰ্ণ বিৰোধীতা কৰি অসমৰ কৃষি বিভাগক আৰু বেছি বাজেট দিবৰ বাবে আৰু গুৰুত্ব দিবৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কওঁক।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি মঞ্জুৰী নং ৪৮ ৰ সপক্ষে আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দুযাৰমান ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, আগতে যিসকল বক্তাই কৈ গ'ল তাত কিছু কথা ওলাইছে। প্ৰথম কথা হ'ল যে অসমৰ যিখিনি কৃষিভূমি আছে সেইখিনিৰ এটা survey হ'ব লাগে। দ্বিতীয়তে, আজি আমি পাঞ্জাৱৰ কথাও কৈছো কিন্তু পাঞ্জাৱৰ মাটিত যিধৰণে খেতি কৰে আমাৰ ইয়াত তেনেদৰে খেতি কৰাৰ সুবিধাটো কম। বিশেষভাৱে উজনিৰ ফালে মাটি যিধৰণে ভাগ কৰা আছে তাত খেতি কৰাটো যথেষ্ট অসুবিধা আৰু এতিয়াও অসমত commercially খেতি কৰা কামটো আৰম্ভ হোৱা নাই। মাত্ৰ ২-৩ শতাংশ ঠাইতহে এয়া সম্ভৱ হৈছে। গতিকে commercial খেতি কৰিবৰ কাৰণে অকল tractor দিয়া, road communication ভাল কৰা বা সাৰ দিলেই যে খেতিৰ উৎপাদন বৃদ্ধি হ'ব সেয়া নহয়।

আজি ইয়াত আমেৰিকাৰ কথাও কৈছে। আমেৰিকাত তেওঁলোকে ৪০ বা ১০০ হেক্টৰ মাটিত এটা খেতি কৰে। আমি তেনেকুৱা মাটি লৈ খেতি কৰা নাই। সেয়েহে মই ভাৱো যে কৃষিভূমিৰ survey টো কৰিব লাগে। তৃতীয়তে, সকলো ঠাইতে সকলো খেতি নহয়। যিবিলাক ঠাইত কোনোবা এটা খেতি বিশেষভাৱে উৎপাদন হয়, সেইটো খেতিতে জোৰ দিব লাগে। আমাৰ সমষ্টি সমূহত থকা গাওঁ বিলাকত দেখিছো যে সকলো গাৱঁতে ছাগলী নোপোহে বা সকলো গাৱঁতে গাহৰি নোপোহে বা মূৰ্গী নোপোহে। আমি সেই গাওঁ সমূহ নিৰ্বাচন কৰি ঠাই অনুযায়ী যদি ছাগলী বা গাহৰি দিওঁ তেতিয়াহে তাৰ উৎপাদন বৃদ্ধি হ'ব। ইয়াৰ উপৰিও মই ক'ব বিচাৰিছো যে আমি ধানখেতিৰ কথাটোৰে আজি বেছিকৈ পাতিছো। কিন্তু আমি বিভিন্ন ধৰণৰ বাগিছা খেতিও কৰিব পাৰো। কথাটো আগতেও দুই এবাৰ আলোচনা হৈছিল যে আমি ফলৰ বাগিছাৰ কাম আৰম্ভ কৰিব পাৰো। যেনেকৈ বেল, শ্ৰীফল, জলফাই, আমলখি, লেচু, শিলিখা, কঁঠাল, কল, হালধি, কাজিনেমু, গোলনেমু, তামোল পান, জালুক, থেকেৰা টেঙা, টেপৰ টেঙা, তেতেলী টেঙা, কমলা টেঙা, আনাৰস এনেধৰণে বাগিছা হিচাপে আমি কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সময় নাই। মন্ত্ৰীৰ উত্তৰ আছে আৰু আমি দুটা বজাতে সদন শেষ কৰিব লাগিব as per rule. এতিয়া শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া। আপুনি তিনি মিনিটত শেষ কৰিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগটো কিমান গুৰুত্বপূৰ্ণ, কৃষি আয়ৰ ওপৰত কেনেকৈ আমাৰ ৰাজ্যৰ GSDP নিৰ্ভৰ কৰে, কৃষিৰ ক্ষেত্ৰত আমি কেনেদৰে পিছপৰি আছো তাৰ ওপৰত আমাৰ পূৰ্বৰ বক্তা সকলে বহলাই কৈছে। বিশেষকৈ অখিল গগৈ ডাঙৰীয়াই ভালদৰে কৈছে। কৃষি বিভাগটো অসমৰ এটা বিয়াগোম বিভাগ আৰু ইয়াত যথেষ্ঠ কৰ্মচাৰী আছে। আমাৰ মাটি ইমান উৰ্বৰা ,কৃষি কৰা মানুহৰ অভাৱ নাই, তৎস্বত্ত্বেও আমি যে পিছপৰি আছো তাৰ মূল কাৰণ হ'ল যিটো আমি ফিল্ডত থাকি জানিছো যে কৃষি বিভাগৰ লগত আচল কৃষকবোৰৰ সম্পৰ্ক নাই। ADO hardly goes to the field. Gram Sewak are supposed to be the friend, philosopher and guide of the farmer, the gram sewak does not know the farmers. তেওঁ ফিল্ডত নাযায়। তেওঁ অফিচত বহি থাকি তেওঁলোকৰ কিছুমান লিঙ্কমেন থাকে যিবিলাক খেতিয়ক নহয়, তেওঁলোকে long pant shirt পিন্ধি অফিচত ঘুৰি ফুৰা মানুহ তেওঁলোকক ফোন কৰি মাতে আৰু কয় যে বেঙেনাৰ বীজ আহিছে, আপুনি ১০ জন মান মানুহৰ নাম লৈ আহক। কিবা এটাৰ বিনিময়ত সেই particular কিছুমান দালাল শ্ৰেণীৰ মানুহে লাভটো পাই আছে। এইবোৰ আমাৰ hard earned experience.গ্ৰাম সেৱক বিলাকে যেতিয়ালৈকে ফিল্ডত নাযাব আৰু খেতিয়ক সকলক চিনি নাপাব, ADO বিলাকে নাজানিব তেতিয়ালৈকে আমি যিমান যি ভাষণ দি থাকিলেও কৃষি ক্ষেত্ৰৰ উন্নয়ন নহয়। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু তিনিটামান কথা কম।

**মাননীয় অধ্যক্ষ ঃ** সময় নাই। আপুনি ১ মিনিটত শেষ কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষখন গনতান্ত্ৰিক প্ৰজাতন্ত্ৰ, where the peoples' representative view is supreme. কৃষি বিভাগ এনেকুৱা এটা বিভাগ য'ত শ শ কোটি টকা খৰছ হৈ আছে, ১০০ মান scheme আছে কিন্তু তাত বিধায়ক সকলৰ লগত কোনো ধৰণৰ সংযোগ নাই। We are supposed to represent the views of the public. Construction sector বা PWD ত তেওঁলোকে

সংযোগ কৰে কিন্তু কৃষি বিভাগৰ চাহাব সকলে প্ৰজাতান্ত্ৰিক দেশত থাকি ৰাইজৰ প্ৰতিনিধি সকলক কোনো কথা শোধাৰ প্ৰয়োজন বোধ নকৰে যাৰফলত এই দালাল শ্ৰেণীৰ সৃষ্টি হৈছে। আজি মোৰ apart ৰ গোটেইখিনি আনিছো। ইয়াত দেখা গৈছে যে ১৬২ খন revenue গাওঁ আছে, ইহঁতৰ কাৰণে যিবোৰ আঁচনি লৈছে, particular ১-২ খন গাৱঁতহে আছে। Ensure link between the department and the farmers. মন্ত্ৰী মহোদয়ে এইটো গুৰুত্ব সহকাৰে ল'ব লাগে। ---interruption-----

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সময় একেবাৰে নাই। আপুনি বহক। আৰু যদি কিবা আপোনাৰ ক'বলগা আছে তেতিয়াহ'লে লিখিত দিয়ক।

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপ সময় বঢ়াই ল'ব। কাৰণ এইটো এটা গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** আমি সময় বঢ়াই ল'ব নোৱৰো। এতিয়া শ্ৰীমতী শিৰামণি বৰা।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক অকমান ক'বলৈ দিয়ক। ---interruption-----

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী ডাঙৰীয়াৰ কথাখিনি record ত নাযাব। শ্ৰীমতী শিৰামণি বৰা আপুনি কওঁক।

**শ্ৰী মতী শিৰামণি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন এখন কৃষিপ্ৰধান ৰাজ্য। শতকৰা ৮০ ভাগ মানুহে কৃষিৰ লগত জড়িত। এই কথাটো আমি সৰুৰে পৰাই পাই আহিছো। কিন্তু বৰ্তমান অসমখন কৃষি প্ৰধান দেশ হৈ আছেনে অধ্যক্ষ মহোদয়? আমাৰ অসমখন শস্য শ্যামলা হৈ আছেনে? মোৰ কৃষি বিভাগৰ ওপৰত বহুত ক'বলগা আছিলে কিন্তু সময় চমু থকাৰ কাৰণে মই যিখিনি lay out কৰিব লাগে সেইখিনি কৰিম। প্ৰতিবাৰ বাজেটত কৃষকসকলৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি ধৰা হয়। সাৰ, বীজ এইবিলাক যোগান ধৰা হয়। কিন্তু প্ৰকৃততে কৃষকসকলে এইখিনি সুবিধা আদায় কৰিব পাৰিছেনে? কেতিয়াও পাৰা নাই। যেতিয়া খেতিৰ season টো পাৰ হওঁ হওঁ হয় তেতিয়া বিষয়া সকলে গৈ অলপ অলপ বীজ দিয়ে, যিখিনি যথেষ্ট নহয় আৰু সেই বীজৰ পৰা ধানৰ সলনি পতানহে ওলায়। এবাৰ এজন বিষয়াই আহি মোক ক'লে যে বাইদেউ আপুনি এতিয়া যিহেতু বিধায়ক হ'ল আপুনি নিজে পথাৰলৈ গৈ বীজ ৰো পণ কৰিব লাগে। মইও ৰাইজৰ আহ্বানত গলো, কোনোদিনে পথাৰত নামি নোপোৱা মই পথাৰত গৈ বীজ ৰো পণ কৰিলো। আহোঁতে যাওঁতে মই সদায় চাওঁ যে কেতিয়া ধান ওলাব। শেষত দেখিলো যে তাৰপৰা পতানহে ওলাল। কৃষি বিভাগে এইটো গুৰুত্ব সহকাৰে ল'ব লাগে। দ্বিতীয়তে, সাৰখিনিও মধ্যভোগীৰ হাতত গুছি যায়। কৃষকসকলে কেতিয়াও সময়মতে সাৰ নাপায়। সাৰৰ এখন ক'লা বজাৰহে সৃষ্টি হয়। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক এই কথাখিনি গুৰুত্ব সহকাৰে ল'বলৈ অনুৰোধ জনালো। মই আৰু এটা কথা ক'বলৈ বিচাৰিছো যে এই বিয়াগোম কৃষি বিভাগটোত বহুত কৃষিবিজ্ঞানী আছে, সম্প্ৰসাৰণ বিষয়া আছে কিন্তু তেওঁলোকক আমাৰ সাধাৰণ কৃষকে কেতিয়াও ঢুকি নাপায়। বৈজ্ঞানিক দিহা-পৰামৰ্শৰ পৰা আমাৰ কৃষক সকল আজিও বঞ্চিত হৈ আছে। বিজ্ঞান সন্মতভাৱে কৃষি ক্ষেত্ৰত কেনেদৰে আগবাঢ়িব লাগে সেই পৰামৰ্শ কৃষক সকলক নিদিয়ে। কৃষিৰ উৎপাদন দুগুণ কৰা হ'ব বুলি কৈছিলে কিন্তু এই কথাটো যদি বাস্তৱসন্মতভাৱে চিন্তা-চৰ্চা নকৰে কেনেকৈ দুগুণ হ'ব? কৃষি বিভাগত আমাৰ বিভিন্ন বিভাগৰ মাজত সমন্বয়ৰ প্ৰয়োজন আছে। জল সিঞ্চন বিভাগ, পশুপালন, মীন গ্ৰামোন্নয়ণ বিভাগ ইত্যদি কৃষি বিভাগৰ লগত সমন্বয় নাথাকে তেন্তে কৃষি

খণ্ডটো কেতিয়াও আগুৱাই যাব নোৱাৰে। এই ক্ষেত্ৰত কিন্তু ব্যৰ্থ হোৱা দেখা গৈছে। আমি সকলোৱে জানো আজি নগৰ- চহৰৰ সকলো ঠাইৰ বজাৰতে নিত্য ব্যৱাহাৰ্য সামগ্ৰীৰ যথেষ্ঠ মুল্যবৃদ্ধি হৈছে। এইখিনিতে এটা কথা ক'ব খুজিছো যে - শাক পাচলি ইত্যাদি যিখিনি মানুহে উৎপাদন কৰে তেওলোকে কিন্তু উচিত মুল্য পোৱা নাই। মোৰ সমষ্টি বটদ্ৰবাত এনেকুৱা এটা অঞ্চল আছে য'ত কেৱল বিভিন্ন শাক পাচলি উৎপাদন হয়। কিন্তু সেই উৎপাদিত শাক-পাচলি সংৰক্ষণৰ বাবে তাত এটাও কোল্ড ষ্টৰেজ নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক এইটোৱে ক'ব বিচাৰিছো যে যিবিলাক অঞ্চলত এনেধৰনৰ শাক পাছলি - ফল মূল বা আন কৃষিজাত সামগ্ৰী বিশেষভাৱে উৎপাদন হয় তাত যাতে এটা শীতলীকৰণ ভৱন বা কোল্ড ষ্টৰেজ স্থাপন কৰা হয়। লগতে প্ৰতি ব্লক'ত যাতে কৃষক সকলৰ বিজ্ঞানসন্মত কৃষি জ্ঞানৰ বাবে কৃষক স্কুল পাতিব পাৰি নেকি সেইটো চিন্তা কৰিবলৈ অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ--- মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

**শ্ৰীঅতুল বৰা, (কৃষিমন্ত্ৰী ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয় সন্মানীয়া সদস্যা নন্দিতা দাস ডাঙৰীয়ানীকে ধৰি শিবামনি বৰা ডাঙৰীয়ানীলৈকে মহিলাই কাট মোশ্যন আৰম্ভ কৰিলে আৰু মহিলাই সমাপ্ত কৰিলে , মই আটাইকে ধন্যবাদ জনাইছো। বহু খিনি দিহা পৰামৰ্শ আহিল, গঠনমূলক সমালোচনা সহ্য কৰিব পৰা মানসিকতা আমাৰ আছে। গঠন মূলক দিহা পৰামৰ্শৰে আমি অনাগত দিনত আগবাঢ়ি যাম বুলি আমাৰ বিশ্বাস আছে। অধ্যক্ষ মহোদয় অসমৰ অৰ্থনিতি বিশেষকৈ কৃষি ভিত্তিক। অসমৰ গৰিষ্ঠ সংখ্যক ৰাইজ কৃষক। কিন্তু আমাৰ কৃষকসকল পাঞ্জাবৰ দৰে নহয়। আমাৰ কৃষকসকল হ'ল উপান্ত কৃষক। আমি কৃষি খণ্ডলৈ এক যুগান্তকাৰী পৰিৱৰ্ত্তন আনিবলৈ চেষ্টা কৰিছো। আমি সকলোৱে জানো কংগ্ৰেছ দলে দেশৰ লগতে অসমতো এটা দীঘলীয়া সময়ৰ কাৰণে শাসন কৰিবলৈ সুবিধা পাইছিল। মই অতীতলৈ ঘুৰি যাবলৈ বিচৰা নাই। যিকোনো এটা পৰিকল্পনা সঠিকভাবে কাৰ্য্যকৰী কৰিবলৈ সময়ৰ প্ৰয়োজন হয়। ভূকুতে কল পকাব পৰা নাযায় । যোৱা সময়ছোৱাত মিত্ৰ জোঁটৰ চৰকাৰ ৰাজ্যখনত গঠন হোৱাৰ পিচত ৰাজ্যখনত এক অভূতপূৰ্ব্ব পৰিৱৰ্ত্তন আনিবলৈ আমি খুব নিষ্ঠাৰে , সততাৰে , আন্তৰিকতাৰে চেষ্টা কৰিছো। মই ভাবো যে এই কথাত কাৰো সন্দেহ থাকিব নালাগে। আজি বহুতে কৈছে পেডি প্ৰকিউৰমেন্টৰ কাৰণে গুদামৰ অভাৱ। কৃষিজাত পণ্য সামগ্ৰী ৰাখিবৰ বাবে ক'লডে ষ্টৰেজৰ অভাব। যোৱা ক'ভিডৰ সময়ত আমি বাৰুকৈয়ে উপলব্ধি কৰিছিলো। এনেধৰনৰ ৰাজ্যখনত বহুতো অভাব আছে। এই গোটেই অভাববিলাক একেদিনাই পূৰণ কৰাটো সম্ভৱ নহয়। দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০২২ চন লক্ষ্য হিচাপে লৈছে যাতে কৃষকৰ আয় দুগুন হয়। আজি ইয়াত চেৰিকালচাৰৰ কথা ওলাইছে। দুৰ্গা দাস বড়ো ডাঙৰীয়াই উত্থাপন কৰিছে । আমি আজি পূজা পাৰ্বন, বিয়া সবাহৰ কাৰণে ফুল আনো। আমি ফুল কিয় ইয়াত উৎপাদন কৰিব নোৱাৰো। নিশ্চয় পাৰো। সন্মানীয় সদস্য তালুকদাৰ ডাঙৰীয়াই এটা কথা কৈছে- তেখেত বাওঁপন্থী দলৰ মানুহ । তেখেতে চাব চিডিৰ কথা কৈছে। আপোনালোকে জানে ভিয়েটনামখন কমিউনিষ্ট কান্ট্ৰি। সেইখন যুদ্ধ বিধ্বস্ত দেশ। আমি ভিয়েটনামত গৈছিলো আৰু তাত বিমানৰ পৰা নমাৰ লগে লগে দেখিছো চাৰিওফালে 'কাৰ্গো ' । আমি শুদিছিলো ইমান কাৰ্গো কিয় তেতিয়া আমাক ক'লে যে, এইবোৰ এক্সৰ্পোটেশ্চনৰ বাবে। তাৰ জলবায়ু আমাৰ দৰে । আমাৰ লগত খেতিয়কো গৈছিল সদস্যও গৈছিল। তাত গৈ আমি দেখা পালো তাত বিজ্ঞানীসকলে টেকনিকেল চাপৰ্টি দিয়ে। কৃষি বিষয়াই দিয়ে। ঠিক গাওঁ নহয়- একোখন সুন্দৰ নগৰ। তেনেধৰনে যাতে আমিও গঢ়িব পাৰো তেনে মানসিকতা আমাৰ লাগিব। সকলোৰে

সহযোগিতা আমাক লাগিব, বিৰোধীৰো লাগিব। মই দেখিছো যে বহু বিৰোধী দল সন্মনীয় সদস্য এই বিষয়টোত চিৰিয়াত । মই তেখেতসকলক ধন্যবাদ জনাইছো। পাঞ্জাৱৰ কথা কৈছে অখিল গগৈ ডাঙৰীয়াই। তাৰ লগত অসমক তুলনা কৰিছে। আমাৰ খেতিয়কসকল উপান্ত
খেতিয়ক। যেতিয়া জনসংখ্যাৰ বিস্ফোৰন হৈছিল তেতিয়া পাঞ্জাৱ- হাৰিয়ানাৰ দৰে ৰাজ্য বোৰ অধিক উৎপাদন কৰিবলৈ মাটিত সাৰ ব্যবহাৰ কৰিছিল। দৰব ব্যৱহাৰ কৰিছিল । বিপৰীতে আমাৰ মানুহে উপান্ত কাৰণে হওক বা এৱাৰনেছ নথকা বাবে হওক বা ৱৰ্ক কালচাৰ নথকা বাবে হওঁক সেইবোৰ ব্যৱহাৰ কৰা নাছিল। আমাৰ মাটি এতিয়াও সাৰুৱা হৈ আছে। আমিও ইচ্ছা কৰিলে কৰিব পাৰো কিন্তু তাৰ বাবে পৰিবেশ তৈয়াৰ কৰিব লাগিব। আজি মই জনপ্ৰতিনিধি হিচাপে অনুভৱ কৰো যে আমাৰ সকলো মাননীয় সদস্যৰে দায়িত্ব আৰু কৰ্ত্তব্য আছে ৰাজ্যখনত কৰ্ম সংস্কৃতি গঢ়ি তুলিবৰ বাবে। আজি নামনি অসমৰ কিছু জিলালৈ গ'লে ভাল লাগে। ধুবুৰী জিলাত কিছুমান অংশত, মৰিগাওঁ জিলাৰ কিছু অংশত য'ত বিশেষকৈ বঙ্গীয় লোক আছে তেওঁলোক অত্যন্ত শ্ৰম কৰিব পাৰে। সেই কাৰণে মই কৃষি বিষয়াসকলক কৈছো যে খেতি চাবলৈ পাঞ্জাৱৈ- হাৰিয়ানালৈ যাব নালাগে অসমৰে ধুবুৰী বৰপেটা জিলাৰ ভিতৰুৱা অঞ্চললৈ গৈ চাই আহক। মই যেতিয়া কিছুদিন আগতে মঙ্গলদৈ- দলগাওঁ হৈ তেজপুৰলৈ গৈছিলো - গোলাঘাটলৈ গৈছিলো ৰাস্তাৰ কাষত পথাৰত ইমান সুন্দৰ খেতি দেখি পথাৰলৈ নামি গৈ চাইছো। মই যেতিয়া কৃষক গৰাকীক সুধিছো যে কি খেতি কৰিছে, ইয়াৰ মাটিৰ সাৰুৱা নেকি ? তেতিয়া উত্তৰত মোক ক'লে যে মাটি ইমান সাৰুৱা নহয় মই নিজে মাটিটো সাৰুৱা কৰি লৈছো। ইয়াত গোৱাৰ সাৰ দিছো- ৰাসায়নিক সাৰ প্ৰয়োগ কৰিছো। এই মাটি ডৰাত কেইবাটাও খেতি কৰিব পৰাকৈ ব্যৱস্থা কৰি লৈছো। কি খেতি কৰিছে বুলি সোধোতে কৈছে মই এইবাৰ খেতিৰ লগতে বগৰি খেতিও কৰিছো। ৩৫ লাখ টকা উপাৰ্জ্জন কৰিছো।
এতিয়া উজনি অসমৰ ফালে যাও যদি দেখিব যে ক'ভিডৰ বাবে এইবাৰ শ্ৰমিক নিব নোৱাৰা বাবে খেতিয়েই কৰিব নোৱাৰিলে। খেতি মাটি চন পৰি ৰ'ল।গতিকে আমি মাটিবোৰ যাতে সদ ব্যবহাৰ কৰিব পাৰো, একেডৰা মাটিতে বিভিন্ন খেতি কৰিব পাৰো তাৰ বাবে কৰ্ম সংস্কৃতি গঢ়ি তুলিব লাগিব আৰু ত াৰ বাবে আমি সকলোৰে চেষ্টা কৰিব লাগিব। এজন - দুজন খেতিয়কে কৰিব নোৱাৰে আমি সমূহীয়াভাবে কৰিব লাগিব। উজনি অসমত গৰু ছাগলী, ম'হ ইত্যাদি এৰি দিয়ে । উদং গৰু ছাগলীয়ে খেতি পথাৰ নষ্ট কৰে আমি এইবিলাক সকোৰে সচেতন হ'ব লাগিব। আজি মৃনাল শইকীয়া ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে । আজি সন্মানীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াইও বান্দৰৰ উপদ্ৰৱৰ কথা কৈছে। হাতীৰ কথা কৈছে। প্ৰদী প হাজৰিকা ডাঙৰীয়াও বান্দৰৰ কথা কৈছে। বান্দৰৰ উপদ্ৰৱ সচাকৈয়ে বহু বেছি হৈছে। এই বিষয়টো আমি সনদৰ মজিয়াত আলোচনা কৰি এটা ব্যৱস্থা কৰিব লাগিব। নহ'লে আমাৰ খেতিয়কসকলৰ এটা নতুন সমস্যা সৃষ্টি হ'ব। এতিয়া যিহেতু আমাৰ সদনৰ সময় ক'মি আহিছে , মাননীয় অধ্যক্ষ মহোদয়ে যদি সদনৰ সময় বঢ়াই দিয়ে মই কিছু কথা আপোনালোকক ক'ব বিচাৰো। ৰাজ্যখনৰ ৭০ শতাংশতকৈ অধিক জনসাধাৰণৰ জীৱন নিৰ্ব্বাহ প্ৰত্যক্ষভাবে নিৰ্ভৰ কৰে কৃষি খণ্ডৰ ওপৰত। ২০১৫-১৬ চনৰ কৃষি পিয়ল অনুসৰি ৰাজ্যখনৰ মুঠ জনসংখ্যা২৭.৪২ লাখেই হ'ল কৃষি জীৱি পৰিয়াল। এহ ২৭.৪২ লা খ কৃষিজীবি পৰিয়ালৰ ভিতৰত ২৮ শতাংশ উপান্ত শ্ৰেণীৰ আৰু ১৮ শতাংশ ক্ষুদ্ৰ ১৩.৬৪ শতাংশ মধ্যম শ্ৰেণীৰ কৃষক । ২০১৯-২০ বৰ্ষত তথ্য অনুসৰি ১৪৭.২৪ শতাংশ cropping intensity ৰ হাৰেৰে আমাৰ ৰাজ্যখন শস্য নিবিড়তাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গঢ়তকৈ আগবাঢ়ি আছে, যিটো অত্যন্ত আশাব্যঞ্জক দিশ বুলি আমি কব পৰোঁ। ৰাজ্যখনৰ কৃষিখণ্ডত যান্ত্ৰিকীকৰণ তথা নিশ্চিত জলসিঞ্চনৰ

সহজসভ্যতা, কৃষিক্ষেত্ৰত যুৱ শক্তিৰ অংশগ্ৰহণ, আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত থকা স্বচ্ছতা, সময়মতে বীজ দিবলৈ চেষ্টা কৰি আছোঁ। হয় কেতিয়াবা পলম হৈছে, কেতিয়াবা কোনোৱা ব্যাৱসায়ীয়ে কোৰ্টলৈ যোৱাৰ বাবে। আমি বীজ এইবাৰ নিজেও উৎপাদন কৰিব বিচাৰিছোঁ। Cirtifite seed আমি ঠিক-থাক কৰিব বিচাৰিছোঁ। আচলতে কৃষকৰ পৰাও লোৱাটো উচিত, সেইখিনিও আমি কৰিম। এতিয়া মুঠ ঘৰুৱা আয় (GSDP) লৈ কৃষিখণ্ডৰ যি বৰঙণি, সেই বৰঙণি যদি চোৱা যায় দেখা যায় যে ৰাজ্যৰ মুঠ ঘৰুৱা আয় (Gross State Domestic Product) লৈ কৃষিখণ্ডৰ বৰঙণি যথেষ্ট বৃদ্ধি পাইছে। শস্য উৎপাদনৰ দিশেৰে ২০১৬-১৭ চনৰ ২৬ হাজাৰ ২৫৭ কোটি ২৮ লাখ টকৰা পৰা বৃদ্ধি হৈ ২০১৯-২০ চনত ২৭ হাজাৰ ৪৮২ কোটি ৪৩ লাখ টকাৰ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। শতাংশৰ হিচাপেৰে এই  বৃদ্ধিৰ পৰিমাণ ৪.৬৭ শতাংশ। শস্যৰ উৎপাদনো বৃদ্ধি হৈছে। পৰিসংখ্যা বিভাগৰ তথ্য মতে আমি এই  কথাখিনি কৈছো যে বিগত সময়ছোৱাত অসমৰ কৃষি খণ্ডত উল্লেখযোগ্য পৰিবৰ্তন সাধন হৈছে।  উদাহৰণ স্বৰূপে ২০১৫-১৬ বৰ্ষত ৰাজ্যখনে উৎপাদন কৰা ৫১.২৫ লাখ মেট্ৰিকটন চাউলৰ বিপৰীতে ২০২০-২১ বৰ্ষত অসমে উৎপাদন কৰা চাউলৰ পৰিমাণ আছিল  ৫২.১৪ লাখ মেট্ৰিকটন। শতাংশৰ হিচাপত এই বৃদ্ধিৰ পৰিমাণ১.৭৪ শতাংশ। অন্যহাতে মাকৈ উৎপাদন বহুত পৰিমাণে বাঢ়িছে। ২০১৫-১৬ বৰ্ষত অসমত ৮৭ হাজাৰ ১৭৫ মেট্ৰিকটন মাকৈ উৎপাদন হোৱাৰ বিপৰীতে ২০২০-২১ বৰ্ষত ১ লাখ ৪৭ হাজাৰ মেট্ৰিকটনতকৈও অধিক মাকৈ উৎপাদন কৰিবলৈ আমাৰ কৃষক ৰাইজ সক্ষম হৈছে। বিগত ৫ টা বছৰত ৰাজ্যখনত মাকৈ উৎপাদনৰ হাৰ ৬৯.৬৬ শতাংশ বৃদ্ধি পাইছে। ২০২১-২২ বৰ্ষত অসমত মাকৈৰ উৎপাদন ১.৫২ লাখ মেট্ৰিকটন হ'ব বুলি আশা কৰা হৈছে।

সদনৰ মজিয়াত প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা সম্পৰ্কে আলোচনা হৈছিল, বহুতে বক্তব্য ৰাখিছিল, আমি এই ক্ষেত্ৰত আৰু এৱাৰনেচ ক্ৰীয়েট কৰিবলগীয়া আছে। মই ভাৱো যে সন্মনীয় সদস্য সকলে এই ক্ষেত্ৰত আমাক সহযোগ কৰিব আৰু কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত লোৱা এটা ডাঙৰ ষ্টেপ। ২০১৬ চনৰ পৰা অসমত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা নামৰ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে। অসম চৰকাৰে  প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে কৃষকক উপকৃত হোৱাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৮ চনৰ ৰবি বতৰৰ পৰা ১ হেক্টৰ কৃষিভূমিৰ শস্যৰ বীমাকৰণৰ ক্ষেত্ৰত কৃষকৰ অংশ অসম চৰকাৰে বহন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত শেহতীয়াভাৱে এই যোজনাত কৃষকৰ অংশ গ্ৰহণ লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সফল ৰূপায়ণৰ বাবে সমগ্ৰ ৰাজ্যখনক আঠটা মণ্ডলত ভাগ কৰা হৈছে। ২০১৯ বৰ্ষৰ খাৰিফ বতৰৰ পৰা ২০২০-২১ বৰ্ষৰ ৰবি বতৰলৈ দুটা বীমা কোম্পানীৰ premium demand হিচাপে ২২৬ কোটি টকা ২০২১-২২ বৰ্ষত মোকলাই দিয়া হৈছে। আৰু ২০ কোটি টকা farmers claimৰ বিপৰীতে কৃষকক আদায় দিয়া হৈছে। ২০২১-২২ বৰ্ষত ৰবি আৰু খাৰিফ বতৰ দুয়োটা শস্য বৰ্ষৰ বাবে ৫ লাখকৈ মুঠ ১০ লাখ কৃষকৰ নাম পঞ্জীয়ন কৰাৰ লক্ষ্য লোৱা হৈছে। কিন্তু এই লক্ষ্য অতিক্ৰমী এই বৰ্ষটোত ১২ লাখ ৩৪ হাজাৰ ৩৮৪ জন কৃষকৰ নাম প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত পঞ্জীয়ন কৰা হৈছে।

সদনক আজি এই কথা জনাবলৈ পাই সুখী হৈছে যে, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন বৰ্তমানৰ অসম চৰকাৰে ৰাজ্যখনৰ শাসনভাৰ গ্ৰহণ কৰাৰ পাছত অসমত প্ৰথমবাৰৰ বাবে ২২৬ কোটি টকাৰ committed premium liabilities মুকলি কৰি দিয়াৰ বাবে বাজেটত ধনৰ আৱন্টন দিছে আৰু ইয়াৰ জৰিয়তে কৃষকৰ দাবীৰ বিপৰীতে ১৪০ কোটি টকা

আদায় দিয়াৰ পথ প্ৰশস্ত হৈছে। আনহাতে, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে অধিক সংখ্যক কৃষকক এই যোজনাখনৰ জৰিয়তে তেওঁলোকে কৰা ক্লেমৰ সুবিধা আগবঢ়াবলৈ ৰাজ্যখনত প্ৰথমবাৰৰ বাবে ২০২১ বৰ্ষৰ খাৰিফ বতৰত ৰাজহ চক্ৰ পৰ্য্যায়ত crop cutting cxperiment সম্পাদন কৰা হৈছে। আনহাতে, এই যোজনাখনে আগবঢ়োৱা সুবিধা তথা ফচল বীমা যোজনাৰ পলিচিখন কৃষকে হাততে পাব পৰাকৈ এই বছৰৰ ২৬ ফেব্ৰুৱাৰী তাৰিখৰ পৰা ‘মেৰী পলিচি মেৰে হাথ’ আঁচনিৰ জৰিয়তে হিতাধিকাৰীৰ হাতত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ পলিচি তুলি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

সন্মানীয় অধ্যক্ষ মহোদয়, ২০১৫-১৬ চনত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, এই আঁচনি খনৰ অধীনত অসম চৰকাৰৰ অংশকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা ধনৰ পৰিমাণ আছিল মাথো ৯৪ কোটি ১০ লাখ টকা। কিন্তু ইয়াৰ বিপৰীতে ২০১৬-১৭ চনৰ পৰা ২০২০-২১ বৰ্ষৰ ভিতৰত এই আঁচনিখনৰ অধীনত ৫ বছৰত আমি ১ হাজাৰ ২১৯ কোটি টকাতকৈও অধিক ধন লাভ কৰিবলৈ সক্ষম হৈছোঁ। এই যোজনাখনৰ অধীনত ২০১৫-১৬ বৰ্ষত ৯৪.১০ কোটি টকা আৱন্টন পোৱাৰ বিপৰীতে ২০২১-২২ বৰ্ষত ১৫৯.৫২ কোটি টকাৰ আৱন্টন লাভ কৰিবলৈ আমি সক্ষম হৈছোঁ। যাৰ জৰিয়তে আমি বীজ যোগান ধৰিছো, মাহ জাতীয় শস্যৰ বীজ, কুহিয়াৰ, মাকৈ , মৰাপাত আৰু বিভিন্ন শস্যৰ বীজ যেনে নহৰু, পিয়াজ, sweet corn আদিৰ খেতিক অগ্ৰাধিকাৰ দিয়া হৈছে। সকলো কৃষকে যাতে পাই আৰু বিতৰণটো যাতে নিয়মমতে হয় তাৰ কাৰণে আপোনলোক সকলোকে চকু ৰাখিবৰ কাৰণে অনুৰোধ জনাইছোঁ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চুপাৰিটো কওঁক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুপাৰিটো সম্পৰ্কীয় বিষয়টো মাননীয় মুখ্যমন্ত্ৰীয়ো দৃষ্টিগোচৰ সদনে কৰিছে, নিশ্চিত ভাৱে এই ক্ষেত্ৰত স্বাভাৱিকতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিব।

কৃষি যান্ত্ৰীকিকৰণত আমি খুবেই গুৰুত্ব আৰোপ কৰিছিলোঁ আৰ আই ডি এফৰ জৰিয়তে, আপোনালোকে জানে আমি বহুত খিনি কাম কৰিছোঁ মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তেও।

**শ্ৰীমতী নন্দিতা দাস (বকো) ঃ** ছাৰ, ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰথমে উত্তৰটো দিব দিয়ক।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মোক কবলৈ সুবিধা দিয়ক, আপোনালোকেতো কবলগীয়াখিনি কৈ দিছে, মই কোৱাৰ পিছত যদি কয়, তেতিয়াহ’লে হব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** পাৱাৰ টিলাৰৰ চাবচিটি বঢ়াই দিব লাগে।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাত যথেষ্ট চাবচিটি আছে, পাৱাৰটিলাৰ বিলাক আমি বিভিন্ন আঁচনিৰ অধীনত দিছোঁ। আৰ কে ভি ৱাইৰ চাবচিটি বেলেগ, ঠিক তেনেকৈ বোধকৰোঁ শস্য উদ্যান বিভাগৰ তেনে কোনো এটা আঁচনিত পাৱাৰ টিলাৰ দিয়াৰ ব্যৱস্থা আছে, বেলেগ বেলেগ আঁচনিত বেলেগ বেলেগ চাবচিটি হয়, কিন্তু তথাপিও যোৱা ৬ টা বছৰত আমি ৩৫ হাজাৰতকৈ বেছি পাৱাৰ টিলাৰ কৃষকৰ মাজত বিতৰণ কৰিছোঁ। ৰাজসাহাৰ্য্যযুক্ত পাৱাৰ টিলাৰ। ঠিক ১৫০ বিধ বিভিন্ন আইটেম তাত threshers, reapers আছে তেনেধৰণৰ ফাণ্ড মেকেনাইজেচনৰ ক্ষেত্ৰত বিভিন্ন আইটেম আমি কৃষক সকলৰ মাজত বিতৰণ কৰিছোঁ। মাননীয় অধ্যক্ষ মমহোদয়, মই সন্মানীয় সদস্য সকলক এটাই অনুৰোধ কৰিছোঁ, আমি combined har-

vester আমি দিব খুজিছো প্ৰতিটো সমষ্টিতে এখনকৈ। মই ভাৱো ১২৬ টা সমষ্টিত আমি ভাৰিছিলো এখন এখন কৈ দিওঁ, এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলে যদি তেনেধৰণে পৰামৰ্শ আগবঢ়াই তাত ৰাজসাহাৰ্য্যও আছে, গতিকে সেইখিনি আমি দিব পাৰিম। লগতে, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে আমাৰ উৎপাদিত ফচল কঢ়িয়াবৰ কাৰণে এহাজাৰ গাড়ীৰ ব্যৱস্থা কৰা হৈছে, এই ক্ষেত্ৰতো আপোনালোকৰ সহযোগীতা কামনা কৰিছোঁ। ৰাইচমিল দিয়াৰ ব্যৱস্থা কৰা হৈছে, এই ক্ষেত্ৰতো আমি এইখিনি কামনা কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ এতিয়া সময় দুটা বাজিছে, নিয়ম অনুযায়ী এতিয়া আৰু এই বিষয়ত আলোচনা হ'ব নোৱাৰে। মঞ্জুৰী নং- ১ ৰ পৰা ৮০ লৈকে যিটো আলোচনা কৰিছো সেইটোসহ আমি গোটেই Guillotin ত দিলো । এতিয়া মই আপোনাক যি ৰিপ্লাই আছে দিবলৈ অনুৰোধ জনালো ।

**শ্ৰী ফণীভূষণ চৌধুৰী, (বঙাইগাঁও)** ঃ এটা পৰম্পৰা আছে Guillotin ত দিয়াৰ পিছত কাট মোচনত ৰিপ্লাই বা আলোচনা হ'ব নোৱাৰে ।

**মাননীয় অধ্যক্ষ ঃ** পৰম্পৰাত মোৰ ক'বলগীয়া একো নাই আমি যদি পৰম্পৰাত চলো । মই এতিয়া মঞ্জুৰী প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল ২০২৩ চনৰ ৩১ মাৰ্চ শেষ হ' বলগীয়া বছৰৰ কালচোৱাত মঞ্জুৰী নং ১ ৰ পৰা ৮০ লৈকে উল্লেখিত বিভাগ সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰী সকলক মঞ্জুৰী নং ১ ৰ পৰা ৮০ অনুযায়ী উল্লেখিত থকা মঞ্জুৰী কৰিব লাগে । যি সকল মাননীয় সদস্য-সদস্যাই মঞ্জুৰী প্ৰস্তাৱ সমূহৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে মঞ্জুৰী প্ৰস্তাৱ সমূহৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দাবী মঞ্জুৰী নং নং ১ ৰ পৰা ৮০ লৈ গৃহীত কৰা হ'ল ।

এতিয়া অসম বিনিয়োজন নং-২ বিধেয়ক,**২০২২** সদনত বিতৰণ কৰিব । মই বিতৰণ কৰিবলৈ অনুৰোধ কৰিলো ।

***শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)*** ঃ আমি পোৱা নাই চাৰ।

**মাননীয় অধ্যক্ষ ঃ** সকলো মাননীয় সদস্যক বিতৰণ কৰিবলৈ অনুৰোধ কৰিলো ।

এতিয়া অসম বিনিয়োজন নং-২ বিধেয়ক,**২০২২** সদনত উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ মাননীয়া বিত্তমন্ত্ৰীক অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিনিয়োজন নং-২ বিধেয়ক,**২০২২** সদনত উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন সদনত উত্থাপন কৰিব দিয়াত সদনৰ সন্মতি আছে নে? অনুমতি দিয়া হ'ল। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ২৮ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে । বাণীটো হ'ল -

Under the Provision of Article-207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the introduction of the Assam Appropriation (No.II) Bill, 2022 in the Assam Legislative Assembly.

মাননীয়া বিত্তমন্ত্ৰীয়ে এতিয়া বিধেয়কখন সদনত উত্থাপন কৰিব ।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিনিয়োজন নং-২ বিধেয়ক,২০২২ সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব, (অসম বিধান সভা) ঃ** বধেয়কখনৰ শিৰোণামা- The Assam Appropriation (No.II) Bill, 2022

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা বিধেয়কখন সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০২২ চনৰ ২৮ মাৰ্চ তাৰিখত এটা বাণী পঠিয়াইছে । বাণীটো হ'ল -

Under the Provision of Article-207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam recommend the Assam Appropriation (No.II) Bill, 2022 to be taken in consideration by the Assam Legislative Assembly.

মাননীয়া বিত্তমন্ত্ৰীক বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবৰ বাবে অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিনিয়োজন নং-২ বিধেয়ক,২০২২ বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** অলপ আগতে আমাৰ কৃষি বিভাগৰ আলোচনাৰ আত ধৰি এটা কথা ক'ব বিচাৰিছো যে- বাঘবৰ সমষ্টিৰ আলুপতি চৰত কৃষি বিভাগৰ উপ-সংমণ্ডলৰ কাৰ্য্যালয় এটা আছে আৰু ইয়াত প্ৰায় ২০-২৫ জন মান কৰ্মচাৰীয়ে কাৰ্য্যনিৰ্বাহ কৰি আছে । কিন্তু মহাশয় এই অফিচটোত কোনো মানুহৰ যাতায়ত নহয় । বিভাগে ১৫-২০ লাখ মান টকা খৰচ কৰিলে কাৰ্য্যালয়টো গতিশীল বা কাৰ্য্যক্ষম হৈ পৰিব । গতিকে এই বিষয়টো গুৰুত্ব দিব । দ্বিতীয়তে কৃষি বিভাগৰ এই সংমণ্ডলটোৰ কৰ্মচাৰী আৰু জনসাধাৰণৰ মাজত সম্পৰ্কটো উন্নত কৰিলে কাৰ্য্যালয়টো গতিশীল হোৱাৰ লগতে বহুখিনি মানুহ উপকৃত হ'ব পাৰিব ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** আজি কৃষি বিভাগৰ ওপৰত হোৱা আলোচনাত দেখা গৈছে যে কৃষি বিভাগৰ উন্নয়নমূলক কাম সমূহক লৈ আমাৰ ৰাজ্যৰ প্ৰতিজন বিধায়কে সজাগ। বিশেষকৈ চৰকাৰে এম. এছ. পি. ১৯৪০ টকাত ধান ক্ৰয় কৰাৰ ব্যৱস্থা কৰিছে আৰু ইয়াৰ বাবে বাজেটত টকাও ধৰিছে । এই ক্ষেত্ৰত উদ্ধৰ হোৱা আসোৱা সমূহ দুৰ কৰিব লাগে । দ্বিতীয়তে ভাষা গৌৰৱ প্ৰকল্পৰ অধিনত ২০১৮-১৯ আৰু ২০১৯-২০ ত ২১ টা।

**শ্ৰী ফণীভূষণ চৌধুৰী, (বঙাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The debate on Appropriation Bill shall be restricted to matters of publice improtance or administrative policy implied in the grants covered by the bill which have not already been raised while the relevant demands for grants were under consideration. কৃষি বিভাগটো গৈ গৈছে, গতিকে এই বিষয়টো আলোচনা হ'ব নোৱাৰো।

**মাননীয় অধ্যক্ষঃ** The debate on Appropriation Bill shall be restricted to matters of publice improtance or administrative policy implied in the grants covered by the bill which have not already been raised while the relevant demands for grants were under consideration. এইটো আলোচনা নহয়। কমলাক্ষ্য বহক। হাউচ এনেকৈ নচলে। আপোনালোকে ৰুলত যাওঁক।

**শ্ৰী ফণীভূষণ চৌধুৰী, (বঙাইগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Speaker may fix the time for the dicussion of the Appropriation Bill. আপুনি চাৰ টাইম লিমিট কৰি দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ফণীভূষণ ডাঙৰীয়াই যিটো কথা ক'লে সেইটো সঁচা। যিখিনি গিলেটিন গ'ল যি আলোচনা হোৱা নাই, বাকী থকা বিভাগৰ যদি কাৰোৱাৰ দুই এটা প্ৰশ্ন থাকে and that to also confines in this Appropratin Bill তাৰ ওপৰত আলোচনা হয়। আমিও বিৰোধী দলত বহিছিলো আমাৰ অভিজ্ঞতা আছে। নীতি নিয়মৰ মাজত চলিলে ভাল।

**মাননীয় অধ্যক্ষঃ** চেয়াৰৰ লগত যুক্তি দিব নালাগে, কমলাক্ষ্য। সদনৰ মৰ্য্যদা অকল অধ্যক্ষৰ নহয়, সকলো বিধায়কৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মৰ্য্যদা অক্ষুন্ন ৰখাটো আমাৰ প্ৰত্যকৰে কৰ্তব্য। শাসক বা বিৰোধীয়ে হওঁক সকলোৰে সদনৰ অধ্যক্ষৰ মৰ্য্যদা ৰক্ষা কৰাটো উচিত। ইয়াত ১৯৮৫ ৰ পৰা জ্যেষ্ঠ সদস্য ভৰত নৰহ, ফণীভূষণ চৌধুৰী, প্ৰদীপ হাজৰিকা, ডাঙৰীয়া আছে আমি দেখিছো নহয়, সদনখন কেনেদৰে চলি আহিছে। তেতিয়া বিৰোধী হিচাবে হিতেশ্বৰ শইকীয়া, হেমেন দাস, আব্দুল মহিব মজুমদাৰ, আল্টাৱ হুছেইন মজুমদাৰ এই ডাঙৰ ডাঙৰ লিডাৰ বিধান সভাত আছিল। এই পৰম্পৰাটো লাহে লাহে বিধান সভাৰ পৰা নাইকীয়া হ'ব ধৰিছে। আমাৰ যিখন Rules of Procedure and Conduct of Business in Assam Legislative Assembly তাত এটা কথা লিখা আছে Speaker ruling is final. যদি ৰুলখনৰ কথা নামানে আপোনালোকে Ammend কৰক ৰুলখন। Speaker ruling is not final বুলি।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আচলতে সদনখন পৰম্পৰাগত ভাবে চলি আহিছো। Appropraiation Bill যেতিয়া পাছ কৰে তেতিয়া কিছুমান সদস্যই কিছুমান প্ৰশ্ন কৰে। মই এই কথাটো কৈছো যে, কমলাক্ষ্য দে' পুৰকায়স্থই যিখিনি কথা কৈছে, মই Appropraiation Bill খন পাছ কৰিম , সেই কাৰণে মই সদনৰ অনুমতি বিচাৰিছো। কিন্তু যিখিনি প্ৰশ্ন উত্থাপন কৰিছিল আৰু ইয়াত যিহেতু কৃষি মন্ত্ৰী আছে, আপোনাৰ মঞ্জুৰী নম্বৰটো আছিলে সেই কাৰণে এই বিষয়ে আলোচনা কৰা কোনো কথা নাহে। তথাপিও তেখেতে যিখিনি শুধিছে সেই বিষয়ে কৃষি মন্ত্ৰীয়ে নিশ্চয় শুনিছে আৰু নোট কৰিছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত এটা বিষয়ত বিত্ত মন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছিলো যে, আমাৰ ৰাজহুৱা যিটো ঋণ আৰু সেৱা ইয়াত ৮৫৩৬ কোটি ৫০ লাখ ৪ হাজাৰ টকা ৰাজহৰ পৰা আৰু মূল ধনৰ পৰা যিটো একত্ৰিত নীধিৰ ওপৰত সৰ্বোচ্চ পৰিমাণ ধাৰ্য্য কৰা হৈছে তাত মূল ধনৰ পৰা ধৰা হৈছে ২৭২ কোটি ২৭ লাখ ৩৮ হাজাৰ টকা। এতিয়া এই ৰাজহুৱা ঋণ আমাৰ ৰাজ্যই বাহিৰৰ পৰা যিটো ধাৰে লৈছে, সেই ধাৰৰ সুদ পৰিশোধ কৰিব লাগিব। এতিয়া এই ৰাজহৰ পৰা মূলধনীৰ পৰা ধাৰ্য্য কৰা হৈছে ইয়াত একত্ৰিত সৰ্বোচ্চ নিধিৰ ওপৰত ইয়াৰ পৰা সেই টকাটো যাব কিন্তু কি হিচাবত কৰা হৈছে বাৰ্ষিক আমি কিমান সুদ দিব লাগিব আৰু সেই টকাটো সোমাইছে নে ইয়াতকৈ বেছি হ'ব পাৰে। এই কথাটো মই বিত্ত মন্ত্ৰীৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাজেটত অন্তৰ্ভূক্ত কৰা আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ সদস্যই শ্ৰী কমলাক্ষ্যই উল্লেখ কৰা কথাটো যেনে-কৃষি আৰু ভাষা সাহিত্যৰ গৌৰৱৰ বটা তাত বঙালী ভাষাৰ ক্ষেত্ৰত দিয়া হোৱা নাই বুলি কৈছে, এই কথাটো আগতে বিধান সভাত উত্থাপন কৰা হৈছিল। এইবাৰ যদি বাজেটত সেই ব্যৱস্থাটো ৰাখে তেতিয়া হ'লে ভাল হয়। সেই কথাটো মই তেখেতৰ হৈ মই শাসক পক্ষক জনাইছো।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বিভাগীয় মন্ত্ৰী সকল আছে, তেখেত সকলে নিশ্চিয় কথাখিনি চাব।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল - অসম বিনিয়োজন (নং ২) বিধেয়ক, ২০২২ বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয় আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ,প্ৰস্তাবটো গৃহীত হ'ল।

মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসুচীখনো সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল, বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসুচীখনো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য- সদস্যা দফা দুটাৰ লগতে অনুসুচীখনৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয় আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ,বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসুচীখনো বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল - বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয় আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ' ল।

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ২) ২০২২, বিধেয়কখন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল - অসম বিনিয়োজন (নং ২) বিধেয়কখন, ২০২২ পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য- সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয় আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ,প্ৰস্তাবটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰীক " The Assam Consolidation of Holdings (Repealing )Bill, 2022" বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মহন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় " The Assam Consolidation of Holdings (Repealing )Bill, 2022" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে ? অনুমতি দিয়া হ'ল। মই এতিয়া মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা মন্ত্ৰীক বিধেয়কখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মহন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় " The Assam Consolidation of Holdings (Repealing )Bill, 2022" বিধেয়কখন সদনত মই উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয় অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা)** ঃ- বিধেয়কখনৰ শিৰোনাম " The Assam Consolidation of Holdings (Repealing )Bill, 2022.

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীক " The Assam Famine Relief and Insurance Fund (Repealing) Bill, 2022" বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মহন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় " The Assam Famine Relief and Insurance Fund (Repealing) Bill, 2022" বিধেয়কখন সদনত মই উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে? অনুমতি দিয়া হ'ল। এতিয়া মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী যোগেন মহন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয় " The Assam Famine Relief and Insurance Fund (Repealing) Bill, 2022" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ-এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, (অসম বিধান সভা)** ঃ- বিধেয়কখনৰ শিৰোনাম " The Assam Famine Relief and Insurance Fund (Repealing) Bill, 2022".

**মাননীয় অধ্যক্ষ** ঃ- সদন অহা ৩০-০৩-২০২২ তাৰিখৰ পুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।

( সদন বিয়লি ২ ঃ২৫ মিনিটত সমাপ্ত হয়)।